পিতৃৰ দৃষ্টিত জুবিন

কপিল ঠাকুৰ

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

Pitrir Dristit Zubeen : Written by Kapil Thakur and published by Rajendra Mohan Sarma & Dr. Rabindra Mohan Sarma on behalf of Chandra Prakash, Panbazar, Guwahati-1.

Third Edition : December, 2025 **Price :** Rs. 185.00 only

প্ৰকাশক ঃ

ৰাজেন্দ্ৰ মোহন শৰ্মা

ডাঃ ৰবীন্দ্ৰ মোহন শৰ্মা

চন্দ্ৰ প্ৰকাশ

পাণবজাৰ, গুৱাহাটী-১

ফোন ঃ ৮৮১১০৮১০০১

e-mail : chandra.publisher@gmail.com

website : chandraprakash.org

ISBN : 978-81-244-0883-4

© লেখক

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১১

দ্বিতীয় প্ৰকাশ ঃ অক্টোবৰ, ২০২৫

তৃতীয় প্ৰকাশ ঃ ডিচেম্বৰ, ২০২৫

বেটুপাত অঙ্কণ ঃ প্ৰদীপ নাথ

বেটুপাতৰ ছবি ঃ ভাৰতৰ ৰাষ্ট্ৰপতিৰ পৰা বঁটা গ্ৰহণ মুহূৰ্ত ঃ জুবিন

মূল্য ঃ ১৮৫.০০ টকা

ডি. টি. পি ঃ

ষ্টেণ্ডাৰ্ড ইম্‌প্ৰেচন্‌চ

মুদ্ৰক ঃ

নেচনেল প্ৰিণ্টাৰ্ছ

কালাপাহাৰ, গুৱাহাটী- ১৬

উৎসৰ্গা

আমাৰ সন্তান-সন্ততি আৰু সকলো শুভাকাংক্ষীলৈ
সন্মান আৰু সাদৰেৰে

কপিল ঠাকুৰ
(কপিল ঠাকুৰ)
৫/০২/২০১০

পাতনি
(শ্ৰদ্ধেয় পাঠকলৈ অনুৰোধ)

নিশ্চয় চিন্তাত পৰিলো। কৰ পৰা আৰম্ভ কৰিম? কেনেকৈ আৰম্ভ কৰিম? পিতৃয়ে পুত্ৰৰ জীৱনী লিখাৰ অভিনৱ কথা এই প্ৰথম শুনিলোঁ। পুত্ৰই পিতৃৰ গ্ৰন্থ উন্মোচন কৰাও প্ৰথম শুনি অবাক হৈছিলোঁ। এই লিখকৰ নতুন কবিতা পুথি 'কল্পতৰু বৰ্ণমালা' জুবিনে উন্মোচন কৰিছিল ৬/১২/২০০৯ ত গুৱাহাটী প্ৰেছ ক্লাবত। উপৰোক্ত দুয়োটা ঘটনাই সম্ভৱ হ'ল 'চন্দ্ৰ প্ৰকাশ'ৰ সৌজন্যত। হয়তো পৃথিৱীত অন্য ক'তো এনে হোৱা নাই। আমাৰ জনাত নাই।

সমস্যাটো এই জীৱনীখন লিখিব লৈহে হ'ল। চন্দ্ৰ প্ৰকাশৰ স্বত্বাধিকাৰী শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা আৰু শ্ৰীৰবীন্দ্ৰ মোহন শৰ্মা আমাৰ গোত্ৰ ভাই। পুৰণা একে পৰিয়ালৰ অংশ। যাই হওক, সেই শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মাৰ তাগিদাত লিখিবলৈ ল'লো। কেনেকৈ লিখিম কিবা উৱাদিহ পাওঁ বুলি HENDRIK WILLEM VAN LOON ৰ THE ARTS OF MANKIND আৰু SAMOEL JOHNSON চাহাবৰ LIVES OF THE POETS (I&II) নামৰ গ্ৰন্থ দুখনৰ পাত লুটিয়ালো। দুই পুস্তকৰ বিস্তাৰ ধৰ্মিতাই হতাশহে কৰিলে। বহুত বছৰৰ কঠোৰ সাধনা নহ'লে তেনে আহঁ পাহ ফালি চোৱা জীবনী লিখা নাযায়। শেষত জনচন্ চাহাবৰ ৰীতিকেই সামান্যভাৱে সাবটি ধৰি লিখিবলৈ ল'লো। কিতাপখন এতিয়া আপোনাৰ হাতত। সহৃদয়েৰে পাঠ কৰি আমাক উৎসাহিত কৰিলে নথৈ সুখী হ'ম।

পুত্ৰৰ জীৱনৰ কথা লিখিবলৈ হ'লে পিতৃৰ জীৱন, পটভূমি আৰু সময়ৰ স্পষ্ট প্ৰকাশ হোৱা দৰ্কাৰ। সেইখিনিয়েই হ'ল পুত্ৰৰ জীৱনৰ আচল আধাৰ। সেয়ে আমাৰ দিনৰ পৰাই আৰম্ভ কৰিলো। ইয়াত জুবিনৰ জীৱনৰ ৩৭ টা বছৰৰ কথা লিখা হৈছে। পূৰ্ণাঙ্গ বুলি বঢ়াই নকৰো কাৰণ কোনো পিতাকে পুত্ৰৰ জীৱনৰ এছোৱা কালতো বাদেই এটা দিনৰো পূৰ্ণ বিৱৰণ দিব পাৰো বুলি ক'ব নোৱাৰো। কাৰণ ব্যক্তি ভিন্ ভিন্,মনৰ কাৰ্যাৱলীৰ স্তৰ ভিন্ন।

হৃদয়আৰু চিন্তাৰ গভীৰতা সৰ্বক্ষণে বোধগম্য নহয়। আৰু এটা সমস্যাই দেখা দিয়ে। সি হৈছে লিখক কিমান দূৰ Objective হ'ব পাৰে? তেনে কথাত Subjective হোৱাটো সমীচীন বুলি ধৰা যায়? ইয়াৰ মান স্থান-কাল-সময়ে এক কৰি নাৰাখে।

যাই হওক, সহৃদয় পাঠকে নিজেই উপলব্ধি কৰিব।

সদৌ শেষত, মোৰ আন্তৰিক ধন্যবাদ 'চন্দ্ৰ প্ৰকাশ' আৰু তাৰ সদৌটি কৰ্মচাৰীলৈ থাকিল যাৰ সহায়ৰ হাত নোহোৱা হ'লে এই কিতাপে দিনৰ পোহৰ নেদেখিলেহেঁতেন। আৰু 'চন্দ্ৰ প্ৰকাশ'ৰ দ্বাৰাই প্ৰকাশিত শ্ৰীমণ্টু শইকীয়া সম্পাদিত জুবিনৰ অভিনব জীৱনী 'জুবিন গাৰ্গ জীৱনৰ পৰা গানলৈ' গ্ৰন্থখনৰ পৰা প্ৰয়োজনত একাধিক তথ্য আৰু বৰ্ণনা উদ্ধৃত কৰিছোঁ। মোৰ পুত্ৰসম শ্ৰীমণ্টু শইকীয়ালৈ মোৰ ধন্যবাদ আৰু শুভইচ্ছা অশেষ।

আপোনাৰ আৰু বেছি সময় নষ্ট নকৰো।

ধন্যবাদেৰে—

কপিলঠাকুৰ

কপিল ঠাকুৰ

৫/১২/২০১০

ৰাম্চা হিল জয়পুৰ, খাৰঘুলি

গুৱাহাটী - ৭

আগলি বতৰা ঃ অনিশ্চিত যাত্ৰাৰ

আৰ্থ-সামাজিক দৃষ্টিত মই এক বিপন্ন পৰিয়ালৰ প্ৰথম পুত্ৰ। মোৰ ওপৰত বাইদেউ আছে। শ্ৰীমতী ৰেণু শৰ্মা, কুমাৰনিচিগা, ডিব্ৰুগড়। গায়িকা, অভিনেত্ৰী। বাইদেৱে পুৱতি নিশাৰ সপোন আৰু লাচিত বৰফুকন কথাছবিত আৰু বহু নাটকত শিৱসাগৰ আৰু গুৱাহাটীত অভিনয় কৰিছিল। এতিয়া অনাতাঁৰ শিল্পী। সঙ্গীতকাৰ শ্ৰী উৎপল শৰ্মাৰ মাতৃ।

আমাৰ মূল নিবাস আছিল শিৱসাগৰ জিলাৰ জাঁজী অঞ্চলৰ তামুলিছিগা গাঁৱত। গাৰ্গ গোত্ৰৰ সচল ব্ৰাহ্মণ পৰিয়াল আৰু ইতিহাসে কয় অতীজতে কনৌজৰ পৰা অহা বা আহোম ৰজাই অনা কেইটামান গাৰ্গ পৰিয়ালৰ মানুহৰ এটা ঠাল কামৰূপৰ টিহু অঞ্চলত আৰু কোনোবা এটা ঠাল শিৱসাগৰ জিলাৰ জাঁজীত বসতি কৰিলে। এই তথ্যও কিছু দিন আগতে 'জুবিন গাৰ্গ জীৱনৰ পৰা গানলৈ' নামৰ গ্ৰন্থ উন্মোচন কৰোতে গ্ৰন্থখনৰ প্ৰকাশক 'চন্দ্ৰ প্ৰকাশ'ৰ স্বত্বাধিকাৰী শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা আৰু ভাতৃ শ্ৰীৰবীন্দ্ৰ মোহন শৰ্মাৰ পৰা বিশদভাৱে জানিব পৰা গ'ল। তেতিয়াৰ পৰা আমাৰ দুয়োটা পৰিয়াল অতীৱ ঘনিষ্ঠ হৈ পৰিল। এই বিষয়ত সুযোগ ওলালে বিস্তাৰিত লিখিম। জীৱিকাৰ খাতিৰত দেউতাই কেইবাখনো বাগানত চাকৰি কৰিও, নিজৰ উদ্ধত স্বভাৱৰ কাৰণে ক'তো টিকিব নোৱাৰি শেষত শিৱসাগৰ জিলাৰ শেষ ৰেল ষ্টেচন বৰহাটত বাগানৰ গ্ৰেজিং মাটিত এডুখৰি কৰি বসবাস আৰম্ভ কৰিছে। সেয়া ১৯৫৪ চনৰ কথা, মই চতুৰ্থ শ্ৰেণীত নাম লিখিছো। একবাৰে অনুন্নত জেগা আছিল বৰহাট। বাগান এমখাৰ বাদে একো নাছিল। তেতিয়া কাষৰীয়া নগাসকলৰ বাবে বৰ গুৰুত্বপূৰ্ণ দেওবৰীয়া বৰহাট বজাৰ। সেই বজাৰত তেতিয়া আমি উলঙ্গ নগা-নাগিনীক বজাৰলৈ অহা দেখিছিলো। এহোবাহ্য।

শিক্ষা আৰু চাকৰিৰ সন্ধানত যোৰহাট পালোহি। ঘৰৰ গোটেই পৰিয়ালটোক ভাৰা ঘৰ লৈ লগত ৰাখিব লগা হ'ল। এটা চৰকাৰী অফিচৰ সৰু কেৰাণীৰ চাকৰি আৰু পুৱা-সন্ধ্যা কেইটামান টিউচন। এইদৰেই সংসাৰৰ নাও ডুবিও নুডুবাকৈ চলি থাকিল। জীবনে কোনো দিশ নোলোৱা হ'ল। কিন্তু কোনোপধ্যেই ভাই-ভনী আৰু নিজৰ শিক্ষাৰ যতি পৰিবলৈ নিদিলো। নিজে বি-এ পাছ কৰিলো। ভাল চাকৰিৰ সন্ধানত ব্যস্ত থাকিলো। এম-এ. পঢ়িবলৈ যাব নোৱাৰিলো। কিন্তু বুজাব নোৱৰা, নুমাব নোৱৰা অধ্যয়নস্পৃহাই মোক জিলা পুথিভঁৰালৰ নিয়মীয়া পাঠক কৰি পেলালে।

সেই ডুবন্ত নাৱৰ অৱস্থাতেই, হিতৈষী সকলৰ বদান্যতাত, মেট্ৰিক পাছ কৰাৰ পাছত ডাঙৰ ভনী মিনুক বিয়া দিলো। জীবনত বহুবাৰ এনে উদাৰ শুভাকাঙ্ক্ষীৰ মুক্ত হাতৰ সহায়তা লব লগা হৈছে। এই আপাহতে তেওঁলোক সকলোলৈকে মুক্ত চিত্তেৰে কৃতজ্ঞতা জ্ঞাপন কৰিলো। তাৰে বহুকেইজনৰ ওচৰলৈ গৈ কৃতজ্ঞতা জনাব পৰা নাই, যদিও এই জীৱনত বহু বছৰ কটালো। সেই দুখ থাকিল।

ভাল চাকৰিৰ সন্ধনত আছো, তেতিয়াই যোৰহাটৰ অফিচতে কাম কৰা এগৰাকী টাইপিষ্টৰ লগত ভাব আৰু অন্তৰঙ্গতা গঢ়ি উঠিল। ভৱিষ্যতৰ বাবে পণ কৰিলো।

কিছুদিনৰ পাছতে বৰ্তমানটোতকৈ ভাল চাকৰি এটা পালো। গাৰোপাহাৰৰ সদৰ তুৰা নগৰত। যাবলৈ সাজু হৈছো। পিছে মই পঢ়ুওৱা ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকবোৰ আৰু নতুন চিনাকি বান্ধৱীজনীৰ মুখলৈ চাব নোৱৰা হল। যি কি নহওক, নতুন চাকৰিটোও এটা দুৰ্দশা হোৱা যেন লাগিল। তথাপিও আগবাঢ়িলো, আগবঢ়াটোৱেই কৰ্তব্য বুলি মানি। কোনো দিনে নেদেখা নুশুনা গুৱাহাটী হৈ তুৰা নগৰলৈ — অনিশ্চিত যাত্ৰাত।

গাৰোপাহাৰ

তুৰালৈ যোৱা যাত্ৰাটো মোৰ ডঃ লিভিংষ্টোনে কৰা আফ্ৰিকাৰ যাত্ৰা যেন লাগিছিল। অৱশেষত ২০০ কিলোমিটাৰৰ সেই যাত্ৰাৰ অন্ত পৰিল। গাৰোপাহাৰৰ বিনন্দীয়া প্ৰাকৃতিক শোভা চাই চাই তুৰা পালোগৈ। চাকৰিত যোগ দিয়াৰ পাছত,

কেইদিনমান কষ্ট কৰি পাহাৰ বগাই ৪০ টকাত এটা ৰুম ভাৰা কৰি লৈ বাচন-বৰ্ত্তন গোটাহ ল'লো। ঘৰৰ পৰা আঁতৰত থকাৰ প্ৰথম অভিজ্ঞতা, বৰ কষ্টকৰ।

সেইবছৰৰে দুৰ্গা পূজাত ঘৰলৈ যাওতে মোৰ বান্ধৱীজনীৰ ঘৰৰ হেঁচাত তৎকালে তেওঁক মানে ইলি অধ্যাপকক বিয়া কৰালো। মোৰ বয়স তেতিয়া মাত্ৰ ২৪ বছৰ। অৰ্থনৈতিক অনাটনৰ দিনত সেইখন বিবাহ আদৰ্শ বিবাহ বুলি পৰিগণিত হৈছিল। তেওঁলোকৰ ঘৰ আছিল যোৰহাটৰ পুলিবৰৰ ভাতেমৰা গাঁৱত। তেওঁ আজি নাই। থকা হ'লে এই লেখনিৰ তথ্য সংগ্ৰহত বহুত অৰিহণা যোগ দিলে— হেঁতেন। তেওঁ এই দিনটো দেখিবলৈ নোপোৱাৰ দুখটো আছেই। বিয়াৰ পাছত অকলেই তুৰালৈ ঘূৰিলো। কেইমাহমানৰ পাছত ইলি আহি মোৰ লগত যোগ দিলেহি।

তুৰাত তেতিয়া অসমীয়া অফিচাৰ, শিক্ষক, কৰ্মচাৰী, ঠিকাদাৰ ভালেকেইজন আছিল। সকলোৰে লগত মিলিজুলি সংসাৰ চলি থাকিল। সেই এখন বিছনা, এখন সৰু টেবুল, এখন চকীৰ সৰু সংসাৰলৈ এজন অভ্যাগত আহিল।

১৯৭২ চনৰ শীতকাল। নবেম্বৰ মাহৰ ১৮ তাৰিখে ঢলপুৰাতে তুৰাৰ চিভিল হাস্পতালত আমাৰ প্ৰথম সন্তান, এতিয়াৰ জুবিন গাৰ্গ আহিল। ঘৰত মতা নাম গল্ডি, খেনোৰে বাবা বুলিও মাতে। কেঁচুৱাটো ডাঙৰ-দীঘল কৰাত সহায় কৰিবলৈ, তেওঁৰ মাহীয়েক কুণীও আমাৰ লগত কিছুদিন আছিলগৈ। এই মাহীয়েকে গল্ডিক এজনী মাকে কৰা সাদৰেৰেই আটোল-টোলকৈ ৰাখিছিল। নতুন পিতা-মাতা হিচাপে আমাৰো ব্যস্ততাৰ অন্ত নোহোৱা হ'ল। সেই সময়ৰ মোৰ প্ৰিয় সঙ্গীতকাৰ জুবিন মেহতাৰ নাম অনুসৰি গল্ডিৰ নাম জুবিন ৰাখিলো। পাছত গোত্ৰ নাম 'গাৰ্গ' তেওঁ নিজেই প্ৰবেশিকা পৰীক্ষাৰ সময়ত যোগ দি ল'লে।

তেওঁৰ দুমাহমান হোৱাৰ পৰা, আবেলি কোলাত লৈ ফুৰাবলৈ ল'লো। কোলাত লৈ, ৯২ টা চিৰি বগাই হাৰাখানা নামৰ মুকলি ঠাইখনলৈ ফুৰাবলৈ নিও। আৰু এটা কাম কৰিলো যিটোত মোৰ পৰিবাৰ বা আন কাৰোৰেই মতত সমৰ্থন পোৱা নাছিলো। পুৱা ৪ মান বজাতে উঠি মই কোঠাৰ পূব দিশৰ অৰ্থাৎ পাহাৰটোৰ (তুৰা পিক্) ফালৰ খিৰিকীখন খুলি দিছিলো, প্ৰত্যেক দিনাই, বিশ্বাস

আছিল, পুৱাৰ পৰিষ্কাৰ বতাহ নাকেদি সোমালে মানুহৰ পৰম উপকাৰ হয়। বৰ্তমানৰ তেওঁৰ গান গোৱাৰ সামৰ্থ্যৰ ওপৰত সেই কেঁচুৱাতে পোৱা পুৱাৰ পবিত্ৰ বায়ুৰ কিবা প্ৰভাৱ আছেনে নাই, নাজানো। কিন্তু মোৰ বিশ্বাসে ফল ধৰা যেনে লাগে।

আৰু এটা কাৰ্য ধীৰে ধীৰে কেঁচুৱাটোৰ অভ্যাসত পৰিণত হ'লগৈ। আমাৰ এটা 'বাহাদুৰ' নামৰ ফিলিপচ্ ৰেডিঅ' আছিল। সেইটোত মই অহৰহ বিবিধ ভাৰতী আৰু ৰেডিঅ' চিলনৰ গান শুনিছিলো। গল্ডিও সেই গানবোৰ নুশুনিলে কেতিয়াও নুশুইছিল। আমনি কৰিলে, ৰেডিঅ' বজাই গান চলালে তেওঁ একেবাৰে শান্ত হৈছিল। সেইদৰে ৰেডিঅ'টো গল্ডিৰ শিশুকালৰ প্ৰথম খেলাৰ সামগ্ৰী হৈ পৰিল আৰু তেওঁৰ গাৰুৰ কাষতে তাৰ স্থান নিৰ্ধাৰিত হ'ল।

আনহাতে মোৰ পৰিবাৰ সুকণ্ঠী গায়িকা ইলিয়েও অসমীয়া আধুনিক আৰু লোকগীতেৰে কেঁচুৱাক সঘনে নিচুকাইছিল। মই গান গাব নোৱাৰিছিলো আৰু এতিয়াও নোৱাৰো। সকলো সুন্দৰভাৱে জানো কিন্তু তাল আৰু মানৰ সংযম নাথাকে। আধুনিক গান, বৰগীত, লোকগীত আৰু মাহঁতৰ মুখত শুনা গোসাঁই নাম, জন্মাষ্টমীৰ নাম বেছ ভালকৈয়ে মুখস্থ আছিল। সেই অসংযত গলাৰেই কেঁচুৱা কোলাত লৈ ঘূৰি ঘূৰি ডোলা দিছিলো। ঘৰৰ মধ্যমণিক লৈ এইদৰেই আমি সময় কটাইছিলো।

এনেয়ে দুখৰ সংসাৰ, তাতে শিশুটিৰ আগমনে সংসাৰৰ বোজা আৰু বঢ়ালে। পুনৰ পুথি-পাঁজি গোটাই ল'লো। এ.পি.এচ্. চি.ৰ পৰীক্ষাত বহিলো। চাকৰিও পালো। শ্ৰম অফিচত যোগ দিবলৈ লাগে। ঘৰৰ মালিকনীৰ আশ্ৰয়ত, খুলশালী কুণীৰ সাহয্যত মাতৃ আৰু শিশুক এৰি শ্বিলঙত প্ৰশিক্ষণ লৈ আহিলোগৈ। সেইদৰেই এদিন গৈ তেজপুৰ পালোগৈ। কিছুদিনৰ পাছতহে পৰিয়ালক গোটাই আনিলোগৈ।

তেজপুৰ – যোৰহাট –.

তেজপুৰত আমাৰ দুবছৰীয়া চাকৰি জীৱন, জুবিনৰ শৈশৱ কালৰ আৰম্ভণ। তাতেই তেওঁ খোজ কাঢ়িবলৈ শিকিলে। ওচৰ চুবুৰীয়াসকলৰ বৰ প্ৰিয়পাত্ৰ হৈ উঠিল। পিছে তেজপুৰত বেছি দিন থকা নহ'ল। বদলিৰ চাকৰি হোৱাৰ বাবে যোৰহাটলৈ বদলি হৈ আহিলো। যোৰহাটত ঘৰ এখন আছিলেই যদিও ভাৰাঘৰত।

কিছুদিন সেইদৰে থকাৰ পাছত, পৰিয়ালটো ডাঙৰ হোৱাৰ হেতুকে মা-দেউতাহঁত ৰবহাটৰ পুৰণি ঘৰলৈ গুচি গ'লগৈ। ইতিমধ্যে আমি তুৰাত থাকোতেই মাজু ভনী শ্ৰীমতী বিনুৰ বিয়া হৈ গৈছিল। যোৰহাটৰে সৰ্বাইবন্ধাৰ শ্ৰীচবিন অধ্যাপকৰ লগত। যোৰহাটত আত্মীয় সকলো মানুহ থকাৰ হেতুকে থাকিবলৈ ভাল লাগিছিল। তাতে আগৰ বন্ধুবোৰ পাইছিলো। শহুৰৰ ঘৰখনৰ পৰা বিশেষ সহায় পাইছিলো।

জুবিন তেতিয়া পাঁচ বছৰীয়া হ'ল। চিনামৰাৰ ইংলিছ মিডিয়ামৰ স্কুল 'কাৰ্মেল'ত নাম লগাই দিলো। শিশু শ্ৰেণীত। সিহঁতৰ গাড়ীখনে চোলাধৰাৰ আলি মূৰৰ পৰা পুৱা লৈ যায় আৰু দুপৰীয়া থৈ যায়হি। দুপৰীয়া মাকে আনেগৈ। প্ৰথম দিনাই এটা সামান্য যদিও আমাৰ কাৰণে এটা জাওৰ ব্যতিক্ৰম ঘটিল। যাওতে ঠিকেই গ'ল, কিন্তু আহোঁতে ঘুৰি নাহিল। বাছখনে অন্য ল'ৰা-ছোৱালীবোৰ নমাই দি গ'ল— কিন্তু জুবিন নাহিল। ইলিয়ে মোৰ অফিচলৈ খবৰ পঠালে। মই চাইকেল মাৰি কাৰ্মেল স্কুল পালোগৈ। দূৰৈৰ পৰাই দেখিলো ল'ৰাই পাৰ্কৰ চুইঙখনত ডোলা দি আছে। চাইকেলত বহুৱাই ল'ৰা আনি ঘৰত থলতহে শান্তি আহিছে। মানে ইলিৰ শান্তি আহিছে। এনে বহুত সৰুসুৰা নিৰ্দোষ ঘটনা আছে, যিবোৰৰ দ্বাৰা জুবিন বৰ দুষ্ট ল'ৰা বুলি খ্যাত হৈছিল। মাকে তেওঁক চকুৰে চকুৰে চাই থাকিব লগা হৈছিল।

এনেতে মোৰ আকৌ বদলিৰ পাল পৰিল। আগতে পৰীক্ষা দি থৈছিলো এতিয়া চাকৰি আহিল কৰিমগঞ্জলৈ মাটিৰ হাকিম হিচাপে। যাক এতিয়া চাৰ্কোল অফিচাৰ বুলি কয়। কিমান দিন তাত থাকিব লাগে তাৰ ঠিকনা নোহোৱাৰ কাৰণে পৰিয়ালটো লৈ গ'লো। হয়তো ভালেই কৰিলো, কাৰণ তাত মই আঠ বছৰ থাকিবলগীয়া হ'ল। কাছাৰ জিলাখন আমাৰ সবৰে কাৰণে বিদেশ বিভূঁই আছিল। প্ৰকৃততে হয়ো সহজে তালৈ কোনো অফিচাৰ যাবলৈ নিবিচাৰে। গ'লেও ঘূৰাই আনিব লাগে বুলি চৰকাৰে পাহৰি থাকে। অসমীয়া বসতি কেইখনমান আঙুলি মূৰত লেখা গাঁও কৰিমগঞ্জ, হাইলাকান্দি আৰু শিলচৰত আছে। মানৰ দিনৰ ভগনীয়া। পাছলৈ তাৰেই এখন গাঁৱৰ পটভূমিত এই লেখকে 'অন্তৰ্মুখী যাত্ৰা' নামৰ উপন্যাসখন লিখিছিলো।

যাই হওক, কাৰ্মেল স্কুলৰ পৰা জুবিনৰ চাৰ্টিফিকেট উলিওৱা হ'ল। আমি আকৌ এখন নেদেখা জেগালৈ যাবলৈ ওলালো। তুৰাৰ দৰে য'ত চিনাকি বুলিবলৈ

কোনো নাছিল। দূৰণিবটীয়া পথ, আমি দুয়ো নতুন সংসাৰী, লগত এটা শিশু। ভয়, শঙ্কা যথেষ্ট হৈছিল। ভগৱন্তৰ নাম লৈ আমি ওলাইছিলো। যোৰহাট, মৰিয়নী আৰু লামডিঙৰ পৰা এনিশাৰ যাত্ৰাৰে গৈ কৰিমগঞ্জ মহকুমা। তেতিয়া কাছাৰ জিলা তিনিখন জিলালৈ বিভক্ত হোৱা নাছিল। সমগ্ৰ কাছাৰ জিলাৰ সদৰ আছিল শিলচৰ।

কৰিমগঞ্জ –

লামডিঙৰ পৰা কৰিমগঞ্জলৈ ৰেলযাত্ৰা বৰ দীঘলীয়া কিন্তু ৰাতি হোৱাৰ বাবে শুইয়েই সকলোৱে কটাই দিয়ে। কিন্তু পুৱতি নিশা তেল, পানী ল'বলৈ ৰেলখন যেতিয়া হাৰেঙাযাও ষ্টেছনত ৰয়গৈ, তেতিয়াৰ পৰা পাৰ্বত্য জিলাখনে প্ৰকৃতিৰ মনোৰম ছবিখন দাঙি ধৰে। ৰাতি জাগৰণৰ অৱসাদ আঁতৰাবলৈ যাত্ৰীসকলেও তাতে মুখ হাত-ধুই মাটিৰ গিলাচত একাপ গৰম চাহ খাই টনকিয়াল হৈ লয়। উত্তৰ কাছাৰ পাৰ্বত্য জিলাখন সঁচাকৈয়ে নয়নাভিৰাম আৰু তেতিয়া ৰাজনৈতিক-ভাৱেও একেবাৰে শান্ত আছিল। আজিৰ বিষয়ে লিখিব লগা হ'লে এনেকৈ লিখিব নোৱাৰিলোহেঁতেন।

কৰিমগঞ্জ পাই নিলমণি ৰোডৰ কুশিয়াৰা নদীৰ পাৰৰ ঘৰ এটা ভাৰা ল'লো। কুশিয়াৰা অতিজায় নদী। বাৰিষা পানী বাঢ়িলে বানপানী হয়। আমি থকা ঘৰটোৰ চোতাললৈকে পানী আহে। মানুহবোৰ মাছ ধৰাত ব্যস্ত হৈ পৰে। একোটা গাঠলু ইলিছ মাছ পাঁচ টকাত পোৱা যায়। অন্য মাছৰ কথা নকলোৱেইবা। মুঠতে কৰিমগঞ্জত তেতিয়া ইলিছ উৎসৱ আৰম্ভ হৈ যায়। খট্‌খটীয়া জুবিনক লৈ সমস্যা হ'ল— তেওঁ প্ৰায়ে নদীখনৰ ফালে দৌৰে। মাক অকলশৰীয়া হৈ পলে পলে ল'ৰাটোক চাই থাকিব নোৱৰা হ'ল। ওচৰৰে ছোৱালী এজনীয়ে সহায়কাৰী হৈ আমাৰ চাকৰিত সোমাল। তেতিয়া আমি বহুত স্বস্তি পালো।

ধীৰে ধীৰে আমি বাঙ্গালী জীৱনত সিজি যাবলৈ ধৰিলো। ঘৰত আৰু বাহিৰত অসমীয়া মানুহ লগ পালে অসমীয়াত কথা হওঁ। বাকী সকলোতে বঙলা ভাষা। কৰিমগঞ্জৰ বাঙলাটো আচলতে চিলেটিয়া বাঙলা। অসমৰ কামৰূপীয়া ভাষাৰ দৰে। জুবিনো সৰুৰে পৰা বাংলাভাষী হৈ উঠিল। বাঙ্গালী সমাজৰ লগত উঠা-বহা, ফুৰা-চকা কৰি তেওঁ ৰবীন্দ্ৰনাথ, নজৰুল আদিৰ লগত এসময়ত ভালদৰে পৰিচিত হৈ পৰিছিল।

কৰিমগঞ্জত প্ৰথম বছৰতেই তেওঁক তাৰ একমাত্ৰ ইংলিছ মিডিয়াম স্কুল প্ৰান্তিক কিণ্ডাৰগাৰ্টেনত লিখি দিয়া হ'ল। প্ৰান্তিকৰ পঢ়া শেষ হ'লত কৰিমগঞ্জ হাইস্কুলত নাম লেখি দিয়া হ'ল। এজন বাঙ্গালী ল'ৰাৰ দৰেই তেওঁ অধ্যয়ন কৰি পঢ়া-শুনা কৰি থাকিল। উৎসৱ পাৰ্বণবোৰত যোগ দি আমি সকলোৱেই বাঙালী হৈ পৰিলো।

এবাৰ দুৰ্গাপূজাত জুবিনে নিজেই ঠিক কৰি এখন ঠেলাত উঠি গোটেই টাউনৰ দুৰ্গা পূজা চাই আহিলগৈ। ঠেলাৱালাজনেই ক'লে, হাকিমৰ পুতেকক পূজা দেখুৱাই আনিলোগৈ। ইফালে ঘৰত হুলস্থূল। কোনোবা এজনে ৰাস্তাত দেখি আহি কোৱাতহে সান্ত্বনা। এনেধৰণৰ অদ্ভুত ঘটনা তেওঁ বহুত ঘটাইছিল। যিবোৰৰ বেছি ভাগেই মই এতিয়া পাহৰিছো। মুঠতে আমি কোৱাৰ্টাৰ পোৱা চেট্‌লমেণ্ট নামৰ আৱাসিক এলেকাটোত সেই নোহোৱা নোপজা কাণ্ডবোৰে জুবিনক বিখ্যাত কৰি পেলাইছিল। কেতিয়াবা বিছনাত গাৰুবোৰকে শত্ৰুবনাই অভিতাভ বচ্চনৰ দৰে যুদ্ধ কৰি লেংখাই পৰি থাকে। বচ্চনৰ ছবিবোৰ তেওঁৰ বৰ প্ৰিয় আছিল। অমিতাভৰ দৰে থ্ৰি-পিচ্ চ্যুটও পিন্ধিছিল। ভনী দুজনী জঙ্কি আৰু পামী (মমন) কিছু ডাঙৰ হোৱাৰ পাছত খেলিবলৈ ঘৰতে লগ হ'ল।

ঘৰতে গান টানি থকা আৰু প্লেয়াৰত ৰেকৰ্ড বজাই গান শুনাতো চলি থাকিল। ল'ৰাটোৰ অহৰহ গানৰ প্ৰতি ধাউতি দেখি আমি কৰিমগঞ্জৰে বিশিষ্ট তবলাবাদক শ্ৰীৰবীন বানাৰ্জীৰ তলত তবলা শিকিবলৈ দিলো। এটা সুবিধাৰ কথা হৈছিল যে শ্ৰীবানাৰ্জী জীৱনৰ প্ৰথম ভাগত নামনি অসমত থকাৰ সুবাদত সুন্দৰ অসমীয়া ভাষা জানিছিল। লাহে লাহে মানুহজন আমাৰ ঘৰৰ মানুহ হৈ পৰিছিল।

কৰিমগঞ্জ বান-পীড়িত অঞ্চল। কুশিয়াৰা আৰু লঙ্গাই নদীৰ চেপাত অৱস্থিত। গতিকে স্বাভাৱিকতেই বেছি বৰষুণ হ'লে ওফন্দি আহি দুইখন নদীয়ে কৰিমগঞ্জকে বুৰাই পেলায়। কুশিয়াৰা হ'ল বহু-বিখ্যাত বাংলাদেশৰ সুষমা নদী, শিলচৰত ইয়াৰ নাম বৰাক। এইখনৰ দৰে লঙ্গাইও মণিপুৰৰ পৰা নামি অহা নদী। বৰ বিখ্যাত এই দুই নদী। এই লিখকে নিজৰ উপন্যাস 'অন্তৰ্মুখী যাত্ৰা'ত এই দুই নদীৰ সৈতে ভাৰতীয় মানুহৰ অন্তৰঙ্গতা আৰু ইতিহাসৰ বিষয়ে সবিশেষ বৰ্ণনা কৰিছে। সেয়ে প্ৰায় নিয়মিত বানপানীৰ অত্যাচাৰত মই অহৰহ বান সাহায্যৰ

কামত আৰু কেইবাটাও নিৰ্বাচনৰ কামত ব্যস্ত থাকিব লগা হোৱাত ঘৰৰ ফালে ধ্যান দিব পৰা নাছিলো। সেয়েমোৰ পৰিবাৰ ইলিয়ে (এতিয়া বিগত) দেহে মনে খাটি ল'ৰা-ছোৱালীকেইটাৰ যত্ন লৈ থাকিল। তেওঁ নিজে সুকণ্ঠী গায়িকা হোৱাৰ হেতুকে জুবিন আৰু জঙ্কিক প্ৰাথমিক গান শিকোৱাৰ দায়িত্বও তেৱেঁই পালন কৰিছিল। তেওঁলোকক সঙ্গীতময় জীৱনৰ লাই খুঁটা পোতাত তেওঁৰ অৱদান আন কোনেও দিব নোৱাৰিলেহেঁতেন। আজি তেওঁ নাই। থকা হ'লে পৰম সুখী হ'লহেঁতেন।

কৰিমগঞ্জত দীৰ্ঘদিন থকাৰ আপাহতে (প্ৰায় আঠ বছৰ) তাৰ যাত্ৰা-দল 'শিল্পী-তীৰ্থ'ৰ সৈতে মই একাত্ম হৈ পৰো আৰু সেই দলৰ সৈতে মই এটা বছৰতে তিনিখন যাত্ৰা কৰিলো— 'সিৰাজদৌল্লা, কেৰী চাহেবেৰ মুন্সী আৰু ঘুম ভাঙ্গাৰ গান' উল্লেখনীয়। জুবিনে বৰ উৎসাহেৰে এই নাটকবোৰত সঙ্গ দিছিল। পৰিয়ালৰ বাকী কিজনেও। প্ৰান্তিক স্কুলৰ বছৰেকীয়া উৎসৱত জুবিনে তবলা বাদন কৰিছিল।

এইদৰেই শ্ৰীৰবীন বানাৰ্জীৰ শিক্ষণত জুবিনে তবলাৰ বিশাৰদ শ্ৰেণীলৈকে সম্পূৰ্ণ কৰিলে। সেই দিনবোৰত আমাৰ ঘৰত প্ৰায়ে গানৰ আচৰ হৈছিল। যোগ দিওঁতা সকলৰ ভিতৰত প্ৰধান আছিল দীপঙ্কৰ দাস (কৰিমগঞ্জ), অৰুণ দাস (তিতাবৰ) আৰু দীপক ৰুদ্ৰ (জলপাইগুৰি)। এওঁলোক তিনিও সঙ্গীতপ্ৰেমী। তাৰ ভিতৰত অৰুণ দাস সু-গায়ক। এতিয়াও গান গাই আছে। বৰষুণৰ বতৰ হ'লে তেওঁলোক আমাৰ ঘৰতে থাকিও গৈছিল। তিনিও কৃষি বিভাগৰ সম্প্ৰসাৰণ বিষয়া আছিল। অৰুণ দাসে তেওঁৰ গীটাৰখন লৈ আহিছিল।

ইতিমধ্যে বহুদিনৰ মূৰত মোলৈ বদলিৰ হুকুম আহিল— বিজনীলৈ। তেতিয়া কোকৰাঝাৰ জিলাত। এতিয়া বাক্‌চা জিলাত। দীৰ্ঘদিনীয়া সূত্ৰে এখন জেগাত থকাৰ পাছত হঠাতে এৰি আহিব লগা হোৱাত কিছুমান অসুবিধাৰ মুখামুখি হ'ব লগা হ'ল। জুবিনেও লগ-সঙ্গবোৰ এৰি আহিব লগা হোৱাত মনত বৰ কষ্ট পাইছিল।

যাই হওক, কৰিমগঞ্জৰ পৰা ওভতাৰ প্ৰস্তুতি কৰিলোঁ। অচিন দেশলৈ।

বিজনী —

ইংৰাজ শাসন কালত লৰ্ড ডেলহাউছীৰ দিনত প্ৰৱৰ্তিত হোৱা চিৰস্থায়ী বন্দবস্তৰ অধীনত অভয়াপুৰীৰ ৰজাৰ আমোলত অভয়াপুৰী, চিদলি-চিৰাং আৰু

বিজনী তিনিটা ৰাজহ চক্ৰ আছিল। সেয়ে আন দুখন ঠাইৰ দৰে বিজনীতো ৰজাৰ কাছাৰি আৰু ৰাজহ কাৰ্যালয় আছিল। জমিদাৰী বিলুপ্তিৰ পাছত এইসকলো চৰকাৰৰ হাতলৈ আহে। বৰ্তমান ৰাজহ বিষয়াৰ কাৰ্যালয়টো সেই তেতিয়াৰ ৰজা তথা জমিদাৰৰ কাছাৰিটোৱেই। কেৰাণী মহৰীৰ কাৰ্যালয়টোও সেই ৰজা দিনৰে। চিদলি চক্ৰত আমাৰ দিনলৈকে ঘোঁৰাৰ বাবে অস্তাবল আছিল। পূৰ্বৰ বিষয়াসকলে ঘোঁৰাত উঠি ফুৰিছিল। মই এৰি অহা কৰিমগঞ্জতো একেই জমিদাৰী আৰু একেই ব্যৱস্থা আছিল।

এসময়ত ৰজাৰ অধীনত থকা হেতুকেই বাসিন্দসকলৰো কিছু অভিমানী ভাব আছিল। বিজনী নগৰখনৰ সৰহভাগ বাসিন্দাই বৰপেটাৰ অসমীয়া, পূৰ্ব বঙ্গৰ বাঙালী আৰু পশ্চিমৰ মাৰোৱাৰী আছিল। বিজনী চক্ৰৰ উৰ্বৰ মাটিৰ ফচলেৰেই তেওঁলোকে জীৱিকা আৰু ব্যৱসায় চলাইছিল। আমি যোৱা দিনলৈকে তাত কোনো ইণ্ডাষ্ট্ৰী নাছিল। একমাত্ৰ জুইশলা কাঠী বনোৱা ফেক্টৰীটোৰ বাদে। ই ধুবুৰীৰ জুইশলা কাৰখানাৰ উপাঙ্গ আছিল। এতিয়া হয়তো নাই। গাঁও অঞ্চলৰ বেছিভাগ অধিবাসীয়েই বড়ো আৰু পাকিস্তানৰ পৰা অহা মুছলমান লোক। তেওঁলোকৰ কৃষি ভিত্তিৰ উৎপাদনেই বিজনী আৰু মাণিকপুৰৰ বজাৰ উভৈনদী হৈ আছিল। মাছ তাৰ ভিতৰত অন্যতম। নগৰখনৰ বাসিন্দাসকল ধৰ্মপ্ৰাণ আৰু সংস্কৃতিবান আছিল। নাটক আৰু সঙ্গীতৰ চৰ্চা কিছু পৰিমাণে হৈছিল।

জুবিন আহিয়েই বিজনী বান্ধৱ হাইস্কুলত অষ্টম শ্ৰেণীত নাম লিখিলে। জঙ্কি আৰু মমনেও যোগ্যতা অনুসৰি ভিন্ন স্কুলত নাম লিখিলে। মই কামত যোগ দিয়েই বিজনীৰ আটাইতকৈ ডাঙৰ বানপানী পালো আৰু কৰ্মব্যস্ত হৈ থাকিব লগা হ'ল। জুবিনৰ গানৰ চৰ্চাই ধীমা গতি ল'বলৈ ধৰিলে। মানাহ আৰু আইনদীৰ সেই প্ৰবল বানপানী শান্ত হোৱাৰ পাছত মাকৰ নিৰ্দেশতেই জুবিনহঁতক কিছু লোকগীত শিকাবলৈ স্থানীয় শিক্ষক শ্ৰীৰমণী ৰায়ক নিয়োগ কৰা হ'ল। এই ৰায় জন্মাবধি পঙ্গু আৰু এখন হাতেৰে পেডেল কৰা তিনিচকীয়া বহা চাইকেলত উঠি ঘূৰি ফুৰে। নিষ্ঠাবান, সহজ-সৰল শ্ৰীৰায় আছিল প্ৰশংসনীয় গৃহ শিক্ষক। গানৰ মাষ্টৰক লগত লৈ গৈ বঙাইগাঁৱৰ পৰা এখন সুলভ চাই সুন্দৰ হাৰমনিয়াম কিনি আনিলো। তেতিয়াৰ পৰা নিয়মিতভাবে জুবিনৰ লোকগীতৰ অনুশীলন চলিল, লগতে জঙ্কিৰো, সৰুটি মমন গীত-মাত নহয় নৃত্যৰ আগ্ৰহী

হৈ উঠিল। পাছলৈ তেওঁ ভাৰত নাট্যমৰ শিল্পী আৰু চিত্ৰকৰ হিচাপে জনাজাত হৈছিল। জুবিনৰ আনুষ্ঠানিক গান শিক্ষা এয়ে প্ৰথম আৰু শেষ। মেট্ৰিক পাছ কৰাৰ পাছত গান তেওঁ নিজেই নিজৰ পৰা শিকিছিল। এতিয়াও সেই ধাৰা অব্যাহত আছে। তেওঁৰ পিছৰকালৰ ঘটনা এটা এইখিনিতে কৈ থওঁ। সেইগানৰ ছাৰ ৰায় কিছুদিনৰ আগতে হৃদৰোগত আক্ৰান্ত হৈ শয্যাগত হ'ল, বিজনীৰ নিজৰ ঘৰত। জুবিনে খবৰ পাই গুৱাহাটীলৈ অনায় নাৰ্চিংহোমত ৰাখি, সকলো চিকিৎসাৰ খৰচ বহন কৰি সুস্থ কৰি এমাহৰ পাছত পুনৰ বিজনীত থৈ আহিলগৈ। নিজ স্বাৰ্থৰ কথা কোনোদিনে নভবা এইটো জুবিনৰ মনোবৃত্তি। উদাহৰণ, স্থান বিশেষে আৰু আহিব।

কি সূত্ৰত এতিয়া পাহৰিলো। এবাৰ গুৱাহাটীত এটা চেমনীয়াৰ সঙ্গীত অনুষ্ঠানত লোকগীত গাবলৈ আমি জুবিন আৰু গানৰ ছাৰক গুৱাহাটীলৈ আনিছিলো। অনুষ্ঠানটো জিলা-পুথিভঁৰালত হৈছিল আৰু তাত মুনমি বৰায়ো গান গাইছিল। এওঁ পাছলৈ কেবাখনো হিন্দী চিনেমাত গান গাই জনাজাত হৈছিল। সেইবাৰেই গুৱাহাটীত কি বৰ্ড দেখি জুবিনৰ মন খালে আৰু মই ভূটানৰ থানড্ৰুপ ঝঙ্খাৰ নামৰ আমাৰ সীমামূৰিয়লি নগৰখনৰ পৰা এখন মধ্যমীয়া কি-বৰ্ড কিনি দিলো। বিদেশী বস্তুৰ কাৰণে এই বজাৰখন বিখ্যাত। বিজনী বা বঙ্গাইগাঁৱৰ পৰা সহজেই যোৱা-অহা কৰিব পাৰি। হাৰমনিয়ামত তেওঁ সহজেই গানবোৰ উঠাব পাৰিছিল। সুৰ কণ্ঠত আৰু তাল-মান আঙুলিত আছিলেই। কি-বৰ্ডত তেওঁৰ আঙুলি নাচিছিল। পাছলৈ তেওঁ প্ৰায় সকলোবোৰ পৰিচিত বাদ্য-যন্ত্ৰ ভালকৈ বজাব পৰা হৈছিল। ২০০১ চনত কটন কলেজৰ শতবাৰ্ষিকী উৎসৱৰ জজফিল্ডৰ সঙ্গীত সন্ধিয়াত জুবিনে তেৰটা বাদ্য-যন্ত্ৰ বজাই গীত পৰিবেশন কৰিছিল। নামঘৰৰ দবা আৰু বৰতাল সমন্বিতে।

বিজনীত থাকোতে ৰেডিঅ' আৰু গানৰ কেছেট বজাব পৰা টু-ইন-ওৱান প্লেয়াৰ ওলাল আৰু টিভি সুলভ হৈ পৰিল। কমাৰ্চিয়েল চেনেলবোৰ অৱশ্যে ওলোৱা নাছিল। এই দুইটি যন্ত্ৰই আমাক গান আৰু চিনেমা জগতত অবাধ বিচৰণ কৰালে। চিনেমাৰ কেছেটবোৰো ওলাল। গান আৰু ভাল চিনেমাৰ প্ৰতি মোৰো যথেষ্ট ৰাপ আছে। সেয়ে বাছকবনীয়া গান আৰু ছবিবোৰ আমাৰ ঘৰলৈ আহিবলৈ ধৰিলে। সেই সময়তেই জুবিনে অসম তথা ভাৰতৰ প্ৰায় সকলো

প্ৰসিদ্ধ গায়ক-গায়িকাক জানিব পাৰিলে। পশ্চিমীয়া ধ্ৰুপদী আৰু সমকালীন সঙ্গীতৰ লগত পৰিচিত হ'ল। নিজৰ প্ৰিয় গায়ক-গায়িকাক তেতিয়াই বাছি ল'লে আৰু হয়তো তেওঁৰ অৱচেতন মনে এইটো থিৰাং কৰি লৈছিল যে তেওঁ যদি কেতিয়াবা গান গায় তেন্তে সেই সকল প্ৰতিষ্ঠিত বা খ্যাতিমান কোনো গায়কৰ গায়কী অনুসৰণ নকৰে। তেওঁৰ সমকালীন আৰু ধ্ৰুপদী গীত পৰিবেশন শুনিলে কথাটো চাফাকৈ বুজা যায়। আমিও তেওঁক বুজাবলৈ চেষ্টা কৰিছিলো যে অন্যৰ গায়কী আৰু কণ্ঠেৰে গীত গালে সফল কাম হোৱা টান। গায়ক হ'বলৈ হ'লে নিজস্ব এটা কণ্ঠ আৰু শৈলী তৈয়াৰ কৰি ল'ব লাগিব সাধনাৰে।

তামুলপুৰ —

এইবাৰ মোৰ বদলি তামুলপুৰলৈ হ'ল। জুবিন তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ। জঙ্কি পঞ্চমমানত আৰু মমন (পামি) তাৰেই পাঠশালাত। ভূটান সীমান্তৰ নগৰখন আৰু ওচৰত হ'ল আৰু গুৱাহাটীৰ পৰা ওচৰত হোৱা হেতুকে বন্ধু আৰু আত্মীয়সকল প্ৰায়েই তালৈ গৈ আমাৰ কোৱাৰ্টাৰতে থাকিছিলগৈ। আকৰ্ষণ আছিল ভূটানৰ বজাৰত বিদেশী সামগ্ৰীৰ প্ৰচুৰতা।

বিজনী এৰাৰ লগে লগে গানৰ ছাৰ শ্ৰীৰমণী ৰায়ৰ লগত সম্বন্ধ হেৰাল। পাছত জুবিনে গায়ক হোৱাৰ কিছুদিন পাছতেই সেই গানৰ ছাৰক এখন গীটাৰ উপহাৰ দি আহিছিলগৈ। নিজে পঢ়া স্কুল বিজনী বান্ধৰলৈ গৈ শ্ৰদ্ধাৰ শিক্ষকসকল আৰু বন্ধুসকলক বন্ধুত্বৰ কৃতজ্ঞতাৰে স্বীকাৰ কৰি আহিলগৈ।

তামুলপুৰত তেওঁৰ চৰ্চা শিক্ষা বিভাগতে চলি থাকিল। সঙ্গীত খুব ব্যক্তিগত আৰু মন গ'লে হাতত তুলি লোৱা অৱসৰ বিনোদন হৈ পৰিল। আমাৰ কিতাপ পঢ়াত আৰু কিতাপ সংগ্ৰহ কৰাত অদ্যাবধি খুব ৰাপ। জুবিনো তাৰ ব্যতিক্ৰম নহ'ল। তেওঁ পৃথিবীৰ বহুত ভাল ভাল কিতাপ— ইংৰাজী আৰু বিশেষকৈ বঙলা অনুবাদবোৰো পঢ়ি পেলালে। কিছু কিতাপ অসমীয়াতো পঢ়িলে। আমি তেওঁ অধ্যয়নত বেছি ৰাপ দিয়াটো বিচাৰিছিলো যদিও তেওঁ ভূটানৰ পৰা এখন আগৰখনতকৈ ডাঙৰ কি-বৰ্ড কিনি আনিলে। তেতিয়া তেওঁ বৰ নিপুণতাৰে বাদ্যযন্ত্ৰটো বজাব পৰা হৈছিল। কি-বৰ্ডটো বজাই বৰ উচ্চ গ্ৰামত গীত গাব পৰা হৈছিল। এই আপাহতে স্বৰ্গীয় ভবেন্দ্ৰনাথ শইকীয়াৰ এষাৰ কথা মনত পৰিছে।

তেখেতে জুবিনক কৈছিল— "তুমি বৰ উচ্চাঙ্গ সুৰত গোৱা। তোমাৰ গানবোৰ গুণগুণাবলৈ অসুবিধা।" এই কথাষাৰ আজিও সত্য বুলি মই ভাবো।

তামুলপুৰতেই তেওঁৰ সহপাঠী ৰজনী ৰাজবংশীৰ লগত হাৰ্দিক বন্ধুত্ব হ'ল। ল'ৰাজন খুব দৰিদ্ৰ পৰিয়ালৰ আছিল আৰু স্কুলৰ এজন সাধাৰণ ল'ৰা আছিল। দুৰ্ভাগ্যবশতঃ জুবিন গায়ক হোৱাৰ কিছুদিন পাছতেই ল'ৰাজন কিবা দুৰাৰোগ্য ৰোগত অথবা চিকিৎসাৰ অভাৱতেই ঢুকাল। জুবিন গৈ তামুলপুৰত সেই বন্ধুৰ ঘৰত প্ৰিয় বন্ধুৰ কাৰ্যৰ বাবদ অৰ্থ-সাহায্য কৰি আহিছিলগৈ। বন্ধুজনৰ পঢ়ি থকা ভায়েকটোৰ এতিয়াও অৰ্থ-সাহায্য কৰি থাকে। মাকে আহি সংগ্ৰহ কৰি নিয়ে।

জুবিনৰ মেট্ৰিক পৰীক্ষা শেষ হোৱাৰ পাছতেই মোৰ বদলি হ'ল সৰুপথাৰলৈ। ইতিমধ্যে যোৰহাটৰ বঙলাপুখুৰীত আমাৰ পুৰণি মাটি টুকুৰাত এটা মজলীয়া অসম টাইপৰ ঘাৰ হৈ উঠিছিল। পৰিয়ালটো তাতে থৈ, মই সৰু পথাৰত কামত যোগ দিলোগৈ। বন্ধত ঘৰলৈ আহোঁ।

তেতিয়া প্ৰবেশিকা পৰীক্ষাৰ ফলাফল ওলাল। জুবিনে প্ৰথম বিভাগত পাছ কৰিলে। এই সুখবৰে পৰিয়াল-পৰিজন সকলোকে বহুত সুখ আৰু উৎসাহ দিলে। তেতিয়া পিতা-মাতা হিচাপে আমাৰ এটা চিন্তা হ'ল। ল'ৰাটোক কি পঢ়ুৱাম! জুবিনৰ ওপৰতেই সিদ্ধান্তৰ ভাৰ দি নিশ্চিন্ত হ'লো। তেওঁ যোৰহাটৰেই জে-বি কলেজত বিজ্ঞান শাখাত নাম লিখিলে। এইখিনিতে এষাৰ কথা উনুকিয়াই থোৱা ভাল যে, মই সদায় ৰমণ মহৰ্ষিৰ এটা কথা সত্য বুলি মানি আহিছো, Do not be this, do not be that but BE। এই দৰ্শনতেই মই আজীৱন কটাইছো। জুবিনকো আমি হ'বলৈ দিলো। ল'ৰা ডাক্তৰ বা ইঞ্জিনিয়াৰ হওক এনে আশা আমি কোনোদিন কৰা নাছিলো। জুবিনৰ অন্তৰালত যদি কিবা শক্তি নিহিত হৈ আছে, তাক আমি মুকলি হোৱাটো বিচাৰিছিলো।

এই প্ৰসঙ্গৰ পৰা আঁতৰি গৈ এটা সৰু ঘটনাৰ কথা ক'বলৈ ওলাইছো। ঘটনাটো তেওঁৰ সাহসী স্বভাৱৰ কিঞ্চিৎ আভাস। তেতিয়া তেওঁ যোৰহাটৰ জে-বি কলেজৰ ছাত্ৰ আৰু আমাৰ ঘৰ তেতিয়া আছিল বঙ্গালপুখুৰীত। এদিন ৰাতি ঘৰলৈ ফোন আহিল যে ৰিচাৰ্চ লেবৰেটৰীত থকা মাহীয়েক ইৰাৰ (কুণী) অসুখ। এই মাহীয়েকেই জুবিনক কেঁচুৱা কালৰ পৰাই মাতৃবৎ পালন কৰিছিল।

জুবিনেও তেওঁক মাতৃসম স্নেহ আদৰ কৰে। অসুখৰ খবৰ পায়েই তেওঁ মাকৰ কথাও নুশুনি তেওঁৰ স্পৰ্টছ চাইকেলখন আৰু জেপত এখন সৰু খুকুৰি লৈ, চাইকেল চলাই ঘৰৰ পৰা ছয়মাইল দূৰৰ ৰিচাৰ্চ লেবচ্ পালেগৈ। সেই ৰাতিখন। সেই স্বভাৱৰ বাবেই এতিয়াও চাগৈ তেওঁ কাৰোবাক সহানুভূতি জনাব লগা হ'লে পোনছাটেই গৈ উপস্থিত হয়গৈ। ইয়াৰ উদাহৰণ আগলৈ আমি বহু পাম।

পুনৰ যোৰহাট-গুৱাহাটী মাদ্ৰাজ ইত্যাদি—

যোৰহাটতেই আমাৰ বেছি ভাগ সম্বন্ধী আৰু বন্ধুসব থাকে। ভাই-ভনীবোৰে তাতেই ঘৰ-দুৱাৰ কৰিলে। তাতোকৈও ডাঙৰ কথা মোৰ শহুৰৰ ঘৰ তাতেই। সেই সকলোৰে সাহচৰ্য আৰু শুভ ইচ্ছাত আমাৰ পৰিয়ালটো শান্তিৰেই থাকিলে। মই বন্ধ পালেই আহোঁ। জঙ্কি আৰু মমনৰ তাতে স্কুলত নাম লগাই দিলো। জুবিনৰো এচাম নতুন বন্ধু গঢ়ি উঠিল দেৱ, দাদু (অতনু, পবিত্ৰ, গৌতম গীটাৰ বাদক), মানস, নিয়ৰ ইত্যাদি ইত্যাদি। মেট্ৰিক পৰীক্ষাৰ পাছত তিনিমহীয়া বন্ধ পাই জুবিন বন্ধুতাৰ মাজেৰে সঙ্গীতত হাত ফুৰাই থাকিল। আমাৰ নিজৰ মানুহবোৰৰ মাজতে নহয়, চহৰৰ বহুতেই জানি উঠিল যে জুবিনে গাব আৰু বজাব পাৰে। তেওঁৰ ওপৰত নিৰ্ভৰ কৰা যায়।

কলেজৰ ক্লাছ কৰাৰ উপৰিও জুবিনে সঙ্গীতৰ চৰ্চা কৰি থাকিল। লগে লগে জঙ্কিও সেই পথৰেই যাত্ৰী হ'ল। জঙ্কিয়ে গীত পৰিৱেশনৰ উপৰিও মঞ্চত অভিনয় কৰিবলৈ ল'লে। যোৰহাটৰ জিলা পুথিভঁৰালত অন্যান্য নাটকৰ উপৰি 'কমলা কুঁৱৰী' নাটকত কৰা কমলা কুঁৱৰীৰ অভিনয়ৰ কথা থিয়েটাৰপ্ৰেমীসকলে এতিয়াও সোঁৱৰে। উদীয়মান সীমান্ত ফুকনে সেই নাটক পৰিচালনা কৰি সুনাম আৰ্জিছিল। এই অভিনয় প্ৰতিভাই জঙ্কিক গুৱাহাটীলৈ আনিলে। ইয়াতে ভাস্কৰ নাট্য মঞ্চ, জিলা পুথিভঁৰাল, কলাক্ষেত্ৰ আদিত সুযশ বুটলি টি ভি আৰু চিনেমা জগতত প্ৰবেশ কৰি অতীব জনপ্ৰিয় নায়িকা হৈ পৰিল। পাছলৈ জুবিনৰ লগত পেশাদাৰী মঞ্চত গীত পৰিবেশন কৰি জনপ্ৰিয়তাৰ আৰু এঢাপ ওপৰলৈ উঠিল।

সেই প্ৰথম কলেজীয়া দিনবোৰতেই যোৰহাটৰ আকাশবাণীৰ সৈতে জুবিনৰ কেনেবাকৈ সংযোগ ঘটিল। তেতিয়া তাত শ্ৰীনিলু চক্ৰৱৰ্তীয়ে (আকাশবাণীৰেই সু-অভিনেতা) ষ্টেচন ডাইৰেক্টৰ হিচাপে কাম কৰিছিল। জুবিনে আকাশবাণীৰ যুৱ-বাণী অনুষ্ঠানত নিজে সুৰ দিয়া কেইবাটাও গান গাইছিল। তেতিয়ালৈকে

তেওঁ গান লিখা নাছিল। ময়ে দুই-চাৰিটা গান লিখি দিছিলো, তেওঁ সুৰ দি গাইছিল। তাৰে ভিতৰত **'কাজল বৰণী হৰিণী'** গানটো শ্ৰোতাৰ মনত খুব জনপ্ৰিয় হৈছিল। শ্ৰীচক্ৰৱৰ্তীয়ে তেওঁক ৰেডিঅ'ত গাবৰ বাবে দৰ্খাস্ত কৰিবলৈ কৈছিল। সেই কাম আৰু কৰা নহ'ল।

জে.বি কলেজত পঢ়ি থাকোতে দ্বিতীয় বৰ্ষত কোনোবা প্ৰবক্তাৰ সৈতে কিবা মনোমালিন্য হোৱাত তেওঁ সাউৎ কৰে গুৱাহাটীৰ বি-বৰুৱা কলেজলৈ গুচি আহে। কৰবাত ৰুম এটা লৈ থাকিল। নিজে ৰান্ধি খাব নোৱৰাত হোটেলতে যেনে তেনে খোৱাটো চলাই নিলে। দুই-এক মিতিৰ কুটুম্বয়ো সেই দিশত যথেষ্ট সহায় কৰিলে। তাৰ ভিতৰত উজান বজাৰ পানী টেংকিত বসতি কৰা দূৰ-সম্পৰ্কীয় মোমায়েক শ্ৰী প্ৰতুল বৰঠাকুৰ (টুটু) অন্যতম। জুবিনৰ বাদ্য-যন্ত্ৰত নিপুণতা দেখি জিতুল সোণোৱালেও এটা ছিজন তেওঁৰ কি বৰ্ড প্লেয়াৰ হিচাপে ৰাখিলে। জুবিনে অসন্তুষ্ট হৈ সেই কাম এৰি দি নিজেই গান গাব বুলি থিৰাং কৰিলে।

ইতিমধ্যে মাদ্ৰাজত থকা অসম ছাত্ৰ সন্মিলন কিবা এক উপলক্ষ্যত অসমৰ তেতিয়াৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় হিতেশ্বৰ শইকীয়া নিমন্ত্ৰিত হৈ তালৈ যাবলৈ ওলাল। ছাত্ৰ সন্মিলনৰ কথা সেয়ে তেখেতে ঠিক কৰিলে যে অসমৰ ছাত্ৰসকলৰ ভিতৰৰ দুজন গায়ক ছাত্ৰ-ছাত্ৰীক লগত লৈ যাব। কোনে তেখেতক পৰামৰ্শ দিলে নাজানো, মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ পৰা জুবিন আৰু নগাঁৱৰ পৰা শ্ৰীমতী কৃষ্ণা শইকীয়াক মাদ্ৰাজলৈ লৈ গ'ল। মাদ্ৰাজত জুবিনে গৈয়েই সুবিধা কৰি তামিল গান দুটামান শিকি ল'লে। কোৱা বাহুল্য যে, আমাৰ সাহিত্য চৰ্চাৰ যোগেদি ল'ৰা-ছোৱালী কেইটাই অসমীয়াৰ উপৰি বঙলা আৰু হিন্দী তথা ইংৰাজীত সহজ হৈ পৰিছিল। সেয়ে বোধ হয় জুবিনে দুদিনতে তামিল গান শিকি ল'ব পাৰিলে। তেওঁ তাত দুদিনৰ অনুষ্ঠানত অসমীয়া, তামিল আৰু ইংৰাজী গীত পৰিবেশন কৰিছিল। ইয়াত তেওঁৰ লগত জন পেট্ৰিকৰ দলটোৱে বাদ্য-সঙ্গত কৰিছিল। উল্লেখ্য জন নিজে অন্ধ আৰু তেওঁৰ দলটোৱে উষা উথুপৰ লগত বজায়। এই যাত্ৰাত জুবিনে এক বুজন পৰিমাণৰ-মাননিও পালে।

১৯৮৯-৯০ চনৰ এই ঘটনাই জুবিনৰ মন সঙ্গীতৰ প্ৰতি আৰু তীব্ৰ কৰি তুলিলে। জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ আহৰি নহ'ল। সঙ্গীতেই তেওঁক বম্বে অভিমুখে টানি নিলে। অনিশ্চিত আৰু অতীৱ কষ্টকৰ যাত্ৰাত বি বৰুৱা কলেজৰ

ক্লাছ তাতে পৰি থাকিল।

বম্বেত আগতে গৈ পোৱা কেইটামান অসমীয়া ল'ৰাৰ সতে লগলাগি জুহুত ইউনিটি কম্পাউণ্ডৰ এটা অংশ ভাৰা লৈ আটাইকেইটাই অনিশ্চিত জীৱন আৰু লক্ষ্য সন্ধান আৰম্ভ কৰিলে। ভীষণ প্ৰতিযোগিতাৰ দেশ বম্বে মহানগৰী। তাত টিকি থকাই টান। ল'ৰাহঁতে ষ্টুডিঅ'বোৰত বা মিউজিক এচিষ্টেণ্ট ডাইৰেক্টৰ বোৰৰ লগত সৰু-সুৰা কাম কৰি জীৱিকা নিৰ্বাহ কৰে। হাতৰ পইচা জুবিনৰো অন্ত পৰিল। কৃচ্ছ্ৰসাধনাৰ জীৱন আৰম্ভ হ'ল, আন ল'ৰাহঁতৰ দৰে? বাদ্যযন্ত্ৰৰ নিপুণ হাতখনে তেওঁক যথেষ্ট সহায় কৰিলে। মাজতে এবাৰ গুৱাহাটীলৈ আহোঁতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ এক অনুষ্ঠানত ইংৰাজী গীত গাই সোণৰ মেডেল লাভ কৰিলে। তেতিয়া আমাৰ ঘৰ যোৰহাটহে আছিল।

বম্বেত প্ৰথম জীৱনৰ সেই কষ্টকৰ দিনবোৰত তেওঁ আমাৰ পৰা কাহানিও পইচা বিচৰা নাছিল। এই বিশেষ গুণটো অন্য ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত দেখা নাযায়। আমাৰ কষ্ট হ'ব বুলিয়ে তেওঁ ফোনত কথা পাতোতেও সকলো ঠিক আছে বুলি কয়। আমাক চিন্তা নকৰিবলৈ কয়। সেই কষ্টময় দিনবোৰতে দিন-ৰাতি খাটি টকা ধাৰ কৰি তেওঁ এটা আধুনিক গীতৰ কেছেট উলিয়ালে। তাত তেওঁ নিজে কণ্ঠ নিদি উৎপল শৰ্মা (মোৰ ডাঙৰ ভাগিন, বম্বে নিবাসী সঙ্গীতকাৰ) আৰু অনুৰাধা পাড়োৱালক গোৱালে। কেছেটটোৰ নাম 'অনুৰাধা'। যাই হওক, কেছেটটো চলিল কিন্তু ভবাৰ দৰে ব্যৱসায় নাপালে। জুবিনৰ হয়তো তেতিয়ালৈকে নিজৰ কণ্ঠৰ ওপৰত ব্যৱসায়িক বিশ্বাস অহা নাছিল।

তেতিয়াই জুবিনে নিজৰ কণ্ঠত কেছেট বনাবলৈ সংকল্প কৰি গীত ৰচনা কৰিবলৈ ল'লে। তেতিয়াহে মাত্ৰ ঘৰৰ পৰা দহ হেজাৰ টকা খুজি পঠাইছিল। তেনেকৈয়ে কেছেট তৈয়াৰী কাম চলি থাকিল।

তেনেতে, এক সংযোগ ঘটিল। যি ঘটনাই জুবিন আৰু দেৱৰ জীৱনৰ গতি সলনি কৰি দিলে। শ্ৰীদেৱ বৰকটকী, যোৰহাটৰ বৰকটকী ইলেক্ট্ৰনিকছৰ স্বত্বাধিকাৰী আৰু কেছেটৰ প্ৰডিউচাৰ। তেওঁলোকৰ ঘৰ যোৰহাটত আমাৰ ঘৰৰ কাষতে, কিন্তু চিনা পৰিচয় নাছিল। জুবিনে যিটো ষ্টুডিঅ'ত গান ৰেকৰ্ডিং কৰি আছিল তাতে দেৱয়ো এটা কেছেটৰ ৰেকৰ্ডিং কৰিবলৈ গৈছিল। জুবিনে গান গাই থাকোতে তেওঁ শুনিলে। ইমান মোহিত হ'ল যে, চিনাকি হৈ ল'লে। জুবিনৰ

কেছেটৰ প্ৰকাশৰ সকলো ভাৰ কান্ধ পাতি ল'লে। কেছেট ওলাল, নাম 'অনামিকা' আৰু তাৰ লগে লগে আহিল 'মায়া' যি আজিলৈকে মানে প্ৰায় বিশ বছৰ সৰ্বাধিক বিক্ৰীত গানৰ কেছেট হিচাপে চিহ্নিত হৈ আছে। এই সুঘটনাই জুবিন আৰু দেৱ দুয়োৰে জীৱনৰ সাফল্য আৰু গতিৰ তীব্ৰতা আনি দিলে।

ফলস্বৰূপে, গুৱাহাটীত অস্থায়ী বাহৰ পাতি পেশাদাৰী শিল্পী হ'ব লগা হ'ল। উজান বজাৰৰ পানী টেংকি অঞ্চলত এটা ৰুম ভাৰা কৰি বান্ধৱসকলৰ সৈতে থাকিবলৈ ল'লে। ৰন্ধা-বঢ়াৰ কোনো ব্যৱস্থা নাই, হোটেলই গতি। দিনে নিশাই অসম্ভৱ কষ্ট কৰি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ গান গালে। গাঁৱৰ এগৰাকী বুঢ়ীমায়ে কোৱাৰ দৰে — "সেই গান গাই ফুৰা ল'ৰাটো।" এইদৰেই নগৰ-চহৰৰ মানুহৰ কথা বাদেই গাঁওভূঁইতো গৰখীয়াৰ পৰা বুঢ়ী আইতালৈ সকলোৰে বাবে জুবিন ঘৰুৱা নাম হৈ পৰিল। হেৰোৱা আঁত বিচাৰি বম্বেলৈ আহ-যাহ চলি থাকিল। সেই এৰা ধৰা বম্বেৰ জীৱনৰ মাজতেই দুখন হিন্দী ছবিত তাল (ধ্ৰুপদী আলাপ খিনি) আৰু ফিজাত (এটা সম্পূৰ্ণ গীত) গাবলৈ সুবিধা পালে। অসমত সঙ্গীত যাত্ৰা চলি থাকিল।

১৯৯৫ চনৰ কোনোবা এদিনা জুবিনৰ গৰিমাৰ লগত জনা শুনা হয়।তেতিয়া গৰিমা বম্বে ছ'ফিয়া কলেজৰ বি. এ (ইংলিছ) ক্লাছৰ ছাত্ৰী আছিল। ২০০২ চনৰ ফেব্ৰুৱাৰী মাহত তেওঁ আমাৰ ঘৰলৈ বোৱাৰী হৈ আহে। যোৰহাট আৰু গুৱাহাটীত ধুমধামেৰে, ৰাইজৰ আশীৰ্বাদেৰে শুভ-বিবাহ সম্পন্ন কৰা হ'ল। তাৰ আগৰ ডেৰবছৰৰ ভিতৰত আমাৰ পৰিয়ালত আটাইতকৈ ডাঙৰ আৰু শোকাবহ দুৰ্ঘটনা ঘটিল। এই দুইটা ঘটনাই আমাৰ হৃদয় জৰ্জৰিত কৰি পেলালে। জুবিন বুজাব নোৱৰাকৈ ব্যথিত হ'ল। হেপাটাইটিছ ৰোগত ভুগা মাকক জুবিনে বম্বেলৈ নি তাৰ লীলাৱতী হাস্পতালত চিকিৎসা কৰাইছিল। তাতে ৩ ছেপ্টেম্বৰ ২০০০ চনৰ পুৱতি নিশা ইলিয়ে শেষ নিশ্বাস তাগ কৰে। কাষত জুবিন আৰু আমাৰ সৰু ছোৱালী মমন আৰু আমাৰ ভাবী-বোৱাৰী গৰিমা আছিল।

দ্বিতীয় ঘটনা ঘটে ২০০২ চনৰ ১৬ জানুৱাৰীৰ সন্ধ্যা ৬ মান বজাত জুবিনহঁত চতিয়াত প্ৰগ্ৰেম কৰিবলৈ যাওতে। জুবিন হেন্দছ্‌বোৰৰ সৈতে বাছখনত গৈছিল। তেওঁৰ নতুন ফৰ্ড আইকন গাড়ীত জঙ্কি, ষ্টিয়েৰিঙত জয়ন্ত পাত্ৰ, যি তেতিয়ালৈকে জুবিনৰ প্ৰিয়তম বন্ধু, ড্ৰাইভাৰ আৰু মেনেজাৰ আছিল। পাছৰ

ছিটত লিখক ৰবছন বৰুৱা আছিল। এৰেঁই জুবিনৰ বন্ধৈত প্ৰথমছোৱা জীৱনক লৈ "ইউনিটি কম্পাউণ্ড" নামেৰে এখন গ্ৰন্থ লিখিছিল। আনফালৰ পৰা অহা তীব্ৰবেগী ট্ৰাকএখনৰ খুন্দাত জঙ্কিহঁত যোৱা ফৰ্ডখন চূৰ্ণীকৃত হয়। জঙ্কি আৰু জয়ন্তৰ থিতাতে মৃত্যু ঘটে। ৰবছন জি-এন-আৰ. চি.ত গম্ভীৰভাৱে আঘাতপ্ৰাপ্ত হৈ পৰি থাকিব লগা হয়। এই ৰবছনৰ লগতেই জঙ্কিৰ বিবাহৰ কথা হৈছিল।

জুবিন প্ৰায় অস্থিৰ হৈ পৰিল। তাতে তেওঁৰ লগৰ কিছু বন্ধু-বান্ধৱৰ কিছুমান ব্যৱহাৰে আমাক আৰু জুবিনৰ শুভাকাংক্ষীসকলক গভীৰ চিন্তাত পেলালে। তেতিয়া উপায়ান্তৰ হৈ আমি সকলোৱে আলোচনা কৰি সোনকালেই জুবিন আৰু গৰিমাৰ বিয়া সম্পন্ন কৰি দিলো। সহযাত্ৰীৰ সৎসঙ্গই জীৱনৰ বেদনা শান্ত কৰাৰ আশাত।

ইতিমধ্যে মোৰ চাকৰিৰ খাতিৰত আৰু আমাৰ প্ৰিয় দুজনৰ অকাল মৃত্যুৰ হেতু আমি সকলো মোৰ চাকৰি স্থল গুৱাহাটীৰ 'অসম প্ৰশাসনিক প্ৰশিক্ষণ কলেজ' খানাপাৰালৈ উঠি আহোঁ। জঙ্কিয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ইগনু'ত অসমীয়া এম.এ. ক্লাছত আৰু মমনে কটন কলেজৰ ভূগোল বিষয়ত এম.এ. ক্লাছত নাম লিখিলে। জঙ্কিৰ এম. এ. পাছ কৰা নহ'লগৈ। চিনেমা, থিয়েটাৰ আৰু গানত ব্যস্ত থাকিব লগাৰ হেতু তেওঁ 'কৰেছ্‌পণ্ডেন্স কৰ্চ'ত নাম লিখিছিল। মমনে তেওঁৰ বান্ধৱী চুমিৰে (ইংলিছত) সৈতে দুবছৰৰ পাছত এম. এ. কৰিলে। পাছলৈ সেই চুমিৰে ককায়েক সুমনৰ সৈতে মমনৰ বিবাহ হয় ২০০৩ চনত। মমন নিজে ভাৰত নৃত্যম আৰু সত্ৰীয়া নৃত্যত পটিয়সী আছিল। যোৰহাটৰ উপৰি গুৱাহাটীতো কেইবাটাও অনুষ্ঠান কৰিছিল। এতিয়া স্বামী আৰু জীয়ৰী সঞ্জীৱনী (প্ৰিয়ম) আৰু প্ৰিয়দৰ্শনী (পৰী)ৰ সৈতে শহুৰ-শাহুৰ লগত সংসাৰত ব্যস্ত। বোৱাৰী গৰিমাই এম.এ.পাছ কৰাৰ পাছত টেক্সটাইল ডিজাইনিং শিকে। এতিয়াও মুম্বাইত তেওঁৰ সেই পেশা চলি আছে। প্ৰথমবাৰ জুবিন লণ্ডনলৈ যাওতে গৰিমাও লগত গৈ তাৰ নিবাসী অসমীয়া সুহৃদসকলৰ চেষ্টাত এখন অসমীয়া কাপোৰ আৰু সাজৰ প্ৰদৰ্শনী পাতেগৈ। এইদৰেই জুবিনৰ সৈতে গৈ বহুকেইখন বিদেশী চহৰত বস্ত্ৰ প্ৰদৰ্শনী আৰু বিক্ৰী কেন্দ্ৰ কৃতকাৰ্যতাৰে সম্পন্ন কৰি আহিছে।

গীত পৰিবেশন কৰিবলৈ জুবিনে প্ৰথম অৱস্থাত ভাৰতকৈ বিদেশলৈ বেছি অহা-যোৱা কৰিলে। তাৰ পাছত অসমত সঘনাই প্ৰগ্ৰেম হ'বলৈ ধৰিলে।

ফলস্বৰূপে পৰিয়াল-পৰিজনৰ সৈতে সংস্পৰ্শ বৰ কমি আহিল। ঘৰত আহি শান্তিৰে কেইটামান নিশা কটোৱাটো অসম্ভৱ হৈ উঠিল। ঘৰলৈ আহিলেও লগে লগে এসোপা মানুহ সোমাই আছে। খাবলৈও সময় নোহোৱা হ'ল। মানুহৰ লগতে ওলাই যায়। খোৱা শোৱাৰ নিয়ম নোহোৱা হ'ল। মানুহৰ দাবীৰ আগত আমি বা কোনেও একো কৰিব নোৱৰা হ'লো। অৱশ্যে মৰমৰ দাবী।

২০০৬ চনত হিন্দী ছবি 'গেংষ্টাৰ'ত গোৱা 'ইয়া আলি' গানটোৱে ভাৰতত আলোড়ন তুলিলে। বছৰৰ শ্ৰেষ্ঠ গায়ক হিচাপে গ্ল'বেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ডটো কুৱালালামপুৰত গ্ৰহণ কৰাৰ পাছত ৰাইজৰ মৰমৰ দাবী ভাৰতৰ বিভিন্ন ঠাইৰ পৰা আহিবলৈ ধৰিলে। জুবিন আৰু ব্যস্ত হৈ পৰিল। এই ধৰণৰ অসম্ভৱ তীব্ৰগতিৰ জীৱন আৰু শাৰীৰিক শ্ৰমে তেওঁৰ শৰীৰ আৰু মনত বৰ্ণাব নোৱৰা চাপ আৰু উৎকণ্ঠাৰ সৃষ্টি কৰিলে। এই বিক্ৰিয়াবোৰে তেওঁৰ শৰীৰ আৰু মনত কিবা অশুভ প্ৰতিক্ৰিয়া পৰে বুলি আমি সদায় শংকিত হৈ থাকো। পিছে শ্ৰীঠাকুৰৰ কৃপা আৰু শুভাকাংক্ষী ৰাইজৰ আশীৰ্বাদত তেওঁ গান গাই আছে। তেওঁৰ খবৰ আমি সাধাৰণতে মানুহৰ মুখৰ পৰা নহ'লে বাতৰি কাকত, আলোচনী আদিৰ পৰাহে আজিও ল'ব লাগে।

আগৰ দৰেই এতিয়াও ইমান ব্যস্ততাৰ মাজতো জুবিনে পুৰণা প্ৰিয় বন্ধু আৰু আত্মীয় পৰিজনৰ ঘৰত টৌতে খৰ মাৰি দেখা এটা দি সকলোৰে মনত ৰং সানি আহে। এই অভাৱনীয় ব্যস্ততাৰ মাজতে ২০০০ চনত তেওঁ "তুমি মোৰ মাথো মোৰ" নামৰ এখন ৰোমাণ্টিক সামাজিক কথাছবি পৰিচালনা কৰিবলৈ লয়। ছবিখন প্ৰযোজনা কৰিছিল জুবিনৰ বন্ধু আৰু তেওঁৰ বহুবোৰ শ্ৰাব্য কেছেটৰ প্ৰযোজক, জি-জি মিউজিকৰ স্বত্বাধিকাৰী শ্ৰীদেৱ কুমাৰ বৰ কটকীয়ে। ছবিখনৰ মুখ্য অভিনেতা, গায়ক, সঙ্গীত পৰিচালক, কাহিনীকাৰ, সংলাপ ৰচয়িতা সকলো জুবিন গাৰ্গ আছিল। ছবিখন চলিল কিন্তু কাহিনীৰ দুৰ্বলতাৰ হেতু কোনো আলোড়ন তুলিব নোৱাৰিলে। এই কথাছবিখনৰ সন্দৰ্ভত জুবিনৰ এটা সন্তুষ্টিৰ কাৰণ হ'ল যে স্বৰ্গীয়া মাকে যোৱাৰ আগতে এই ছবিখন দেখি যাবলৈ পালে। ভনীয়েক জঙ্কিয়েও দেখি গ'ল।

এই একবিংশ শতিকাৰ প্ৰথম ভাগতেই পৰিচালক, নাট্যকাৰ শ্ৰীমুনিন বৰুৱাই স্বৰ্গীয় ভবেন্দ্ৰনাথ শইকীয়া ৰচিত আৰু স্ক্ৰীপ্ত লিখিত 'দীনবন্ধু' নামৰ

ছবিখন কৰিবলৈ লয়। স্বৰ্গীয় শইকীয়াই মধ্যবিত্তৰ অভাৱৰ ভাব গধুৰ আৰু অন্তৰ চুই যোৱাকৈ লিখা দীনবন্ধু অসমীয়া পাঠক আৰু দৰ্শকৰ হৃদয়ৰ পাহৰিব নোৱৰা সম্পদ। এই ছবিখনতো জুবিন একাধাৰে অভিনেতা, সঙ্গীত পৰিচালক আৰু গায়ক আছিল। ছবিখনত জুবিনে কৰা চৰিত্ৰটো এটা অৰ্থনৈতিকভাৱে দুৰ্বল সমাজৰ গানৰ মাষ্টৰৰ। এই চৰিত্ৰৰ সাৱলীল আৰু স্বাভাৱিকভাৱে মনত ৰৈ যোৱা অভিনয়ে জুবিনক নিৰ্ভৰযোগ্য অভিনেতা হিচাপে প্ৰতিষ্ঠা কৰিলে। আৰু কথাছবিখনৰ বৰষুণ বিষয়ক গান দুটাৰ সুৰৰ নিৰ্মাণ আৰু গায়কীয়ে সমাজৰ হৃদয়ৰ তৃণ কৰিলেই গান দুটাক অসমীয়া জগতত দুটা বিশিষ্ট গানৰ মান্যতা দিলে। উল্লেখ্য গান দুটাৰ গীতিকাৰ স্বয়ং স্বৰ্গীয় শইকীয়াদেৱ। সেই বছৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ 'ৰজত কমল' পালে।

বৰ্তমান যুগৰ কৰ্মহীন, বেকাৰ যুৱকসকলৰ সমস্যাক লৈ মণিপুৰৰ এম. মদিৰামে এখন অসমীয়া ছবি 'মন যায়' কৰিবলৈ ল'লে। ছবিখনত দেখুওৱা হৈছে নিবনুৱা যুৱকসকলৰ কৰ্মস্পৃহা, আলস্যই অনা বদঅভ্যাসবোৰ, অন্যায়ৰ অস্ত্ৰ হাতত তুলি লোৱা, নিঃসহায়তা, সৰ্বশেষত বিবেক দংশন, অসহ্য মানসিক বেদনা আৰু শেষত মোহ মুক্তি। এই ছবিত জুবিনে মুখ্য চৰিত্ৰ ৰূপায়ণ কৰাৰ উপৰিও সঙ্গীত পৰিচালক আৰু মুখ্য গায়কৰ ৰূপত অৱতীৰ্ণ হ'ল। এইখন ছবিয়েও ৰাষ্ট্ৰীয় পুৰস্কাৰ ৰজত কমল পালে। সমালোচকসকলৰ মতে এই ছবিখনত জুবিনৰ হৃদয় বিদাৰক অভিনয় আৰু শীৰ্ষক গীত 'মন যায়, মোৰো মন যায়' য়ে অভিনয় আৰু কথাছবিৰ সঙ্গীতত দুটা নতুন মাত্ৰা যোগ দিলে।

এই গ্ৰন্থ লিখাৰ ক্ষণত জুবিন আৰু এখন নতুন ছবি "ইউ আৰ নট্ মাই জুলি"ত অভিনেতা, সঙ্গীত পৰিচালক আৰু গায়ক হিচাপে লিপ্ত হৈ শ্বুটিঙত ব্যস্ত আছে। এই চিনেমাখনৰো পৰিচালক সেই তীক্ষ্ণ দৃষ্টিৰ এম. মণিৰামেই। আৰু এখন কথাছবিৰ কথা নক'লে অসম্পূৰ্ণ হ'ব। খাচী আৰু ইংৰাজী ভাষাত নিৰ্মিত, খাচীয়া পাহাৰৰ পটভূমিৰে "ইক অৱ চাইলেন্স" নামৰ ছবিখনে জুবিনলৈ শ্ৰেষ্ঠ সংঙ্গীত পৰিচালক (তথ্যচিত্ৰ শাখাত) ৰাষ্ট্ৰীয় পদক কঢ়িয়াই আনে। তেওঁৰ সঙ্গীতময় জীৱনৰ আৰু এক উল্লেখনীয় ঘটনা হ'ল কবীৰ বেডীৰ পুতেক আদাম বেডী অভিনিত ইংলিছ-হিন্দী কথাছবি 'ষ্ট্ৰিং'। আদাম বেডী নিজে আমেৰিকাৰ নাগৰিক। 'বিদেশীৰ চকুত ভাৰত' এনে ভাবৰ ওপৰত লিখা কাহিনী এটাৰ তেওঁ

চিত্ৰ-ৰূপ দিছিল। সঙ্গীত পৰিচালক আৰু মুখ্য গায়ক আছিল জুবিন। গায়ক ৰূপে তাত তেওঁ দেখাও দিছিল। এই ছবিতেই বৰগীত 'ৰাম ৰাম ৰাম'ক হিন্দীলৈ ভাঙনি কৰি পৰিবেশন কৰিছিল।

এনেতে জুবিনৰ গানৰ বিষয়ে কেইটামান কথা মনত পৰিল। বহুতে সন্দেহ কৰে জুবিনৰ গানবোৰ মই লিখি দিয়া বুলি। কথাটো অমূলক। কাৰণ মই কবিতাৰ দৰে গানো লিখো মাজে-সময়ে। কিন্তু মোৰ গানবোৰ কবিতা হৈ যায়। গতিকে সুৰ দি গোৱাত অসুবিধা হয়। প্ৰকৃততে জুবিনে মই লিখা গান দুটাহে শ্ৰোতাৰ আগত গাইছে। 'মায়া' কেছেটত 'জোনাক গলা জাৰৰ নিশা' আৰু যোৰহাট আকাশবাণীত 'কাজল বৰণী হৰিণী' আৰু সেই সময়ৰ দুটামান গান আছিল যি মোৰ মনত পৰা নাই বা তাৰ নকলো মোৰ হাতত নাই, দিনলিপি লিখা বা জৰুৰী কাগজ আদি ফাইল কৰি ৰখা অভ্যাস তেওঁ নকৰিলেই। সেয়ে মই লিখি দিয়া কেইবাটাও গানৰ কপি তেওঁ হেৰুৱাই পেলাইছে বা ক'ত থ'লে ক'ব নোৱাৰে। এতিয়াও যি কাগজ পত্ৰ ৰাখিছে তাক আমাৰ বোৱাৰী গৰিমাইহে ৰাখিছে।

এদিন কথা প্ৰসঙ্গত মই কৈছিলো, ল'ৰাকালৰ বিষয়ে এটা গান লিখিলে কেনে হয়? যেনে — 'অ' সময় ল'ৰালি ঘূৰাই দে মোক'? কথাটো তেওঁৰ মনত থাকিল। কিছুদিনৰ পাছত দেখিলো তেওঁৰ অন্যতম জনপ্ৰিয় কেছেট 'পাখি'য়ে মুক্তি লভিলে। আৰু শীৰ্ষক গানটো 'পাখি পাখি পাখি মন, পাখি লগা মোৰ মন, পাখি মেলি যা উৰি' শুনি শ্ৰোতাই একাত্ম নহৈ নোৱাৰিলে। সকলোৰে নিজৰ নিজৰ শৈশৱ যেন সশৰীৰে সমুখত থিয় দিলেহি। নিজৰ ল'ৰালি কালৰ প্ৰতি, গাঁৱৰ প্ৰতি জুবিনৰ এই আদৰ বহুকেইটা গানত শক্তিশালীভাৱে ভুমুকি মাৰিছে। কোৱা বাহুল্য , সৰল ভাৱেৰে, পোনপটীয়া উপমা আৰু বেথাৰ ব্যঞ্জনাৰে জুবিনে লিখা গানটো, মোৰ কল্পনাতকৈ বহুত গুণে বেছি হৃদয়গ্ৰাহী হ'ল। গাঁও জীৱন যে আমি এৰিব নোৱাৰো ইয়ো এক প্ৰমাণ।

'মায়া' কেছেট নিৰ্মাণৰ সময়ত কোনোবা এজন তথাকথিত ওস্তাদে কৈছিল— 'কি নাম ৰাখিলা এইটো?' 'মায়া' — কিবা বৰগীত যেনহে লাগিছে।' ভাৰতীয় দৰ্শনৰ 'মায়া'যে চিৰন্তন তাক তেখেতে নুবুজিলে। সঁচাকৈয়ে সকলো মায়া, বাসনা অমূলক। অকালতে মাতৃহাৰা পুত্ৰৰ কৰুণ বিননি 'গুপুতে গুপুতে' গানটো। কলিজা সামৰা এই গীতটো জুবিনৰ মাতৃৰ প্ৰতি সৰ্বোত্তম আৰু অচলা

ভক্তিৰ শ্ৰদ্ধাঞ্জলি। ভগ্নীহাৰা 'শিশু'য়েও আমাক কন্দুৱালে।

জুবিনক মই যেনেকৈ জানো —

এই ক্ষীণকায় গ্ৰন্থখনৰ এইটো শেষৰ অধ্যায়। শেষ বুলিনো কেনেকৈ কম? জুবিনৰ কবিতা পুথি 'শব্দ অনুভূতি'ত এফাকি কবিতা আছে—

'শেষ বুলিলেইতো শেষ নহয়
আকৌ আৰম্ভ হয়
শেষ নহয়.......'

জুবিনৰ বিষয়ে লিখিবলৈ লৈও মই সেই কথাই ভাবিছো। তেওঁৰ বিষয়ে। কেঁচুৱাৰ পৰা তুলি ডাঙৰ কৰিলোঁ। পিতা-মাতাক, ভনী দুজনীক কোনো দিনে দুখ দিয়া নাই। যৌৱনত দেখিলো গানৰ প্ৰতি প্ৰাণতকৈও অধিক ভালপোৱাৰে, অদমনীয় সাহসেৰে, যৌৱনৰ শুদ্ধতাৰে অকলেই আন্ধাৰৰ দিনবোৰৰ মাজেৰে গুৱাহাটী আৰু মুম্বাইৰ অসহায় আৰু অনিশ্চিত দিনবোৰৰ মাজেৰে এই বৰ্তমানৰ ফালে আগুৱাই আহিল। বিপৰীত অৱস্থাৰ লগত হাঁহিমুখেৰে যুঁজ দিয়াতো তেওঁ সৰুতেই পঢ়া মাৰ্জাৰী কিনান ৰলিংছৰ 'ইয়াৰ্লিঙ' নামৰ উপন্যাসখনৰ পৰাই শিকিছিল বোধহয়। সেইখন কিতাপ তেওঁৰ বৰ প্ৰিয় আছিল। ইয়াৰ্লিঙৰ কথা তেওঁৰ মুখত বহুত শুনিছিলো। জুবিনৰ কৈশোৰৰ গঠনমূলক সময়ছোৱাতও তেওঁ নিষ্ঠাৰে বহুত বাংলা আৰু ইংৰাজী কিতাপ পঢ়িছিল। কাৰণ তাত, তাত অৰ্থাৎ কৰিমগঞ্জত অসমীয়া কিতাপৰ অভাৱ আছিল। মেট্ৰিক পাছ কৰাৰ পাছত তেওঁ আৰু এখন কিতাপ পঢ়িছিল মনত ৰখাকৈ— চাৰ্লি চেপ্‌লিনৰ আত্ম-জীৱনী। তেওঁৰ মুখৰ পৰা শুনা মতে এই কিতাপখনেই তেওঁক আটাইতকৈ বেছি প্ৰভাৱান্বিত কৰিছিল। ভাল কিতাপ পঢ়াটো তেওঁৰ আজীৱন অভ্যাস। খুব নাম কৰা গ্ৰন্থ পালে মোকো আনি দিয়ে। অলপতে তেওঁ মোক ডেন ব্ৰাউনৰ 'ডা-ভিন্সি কোড' আৰু অৰহান পামুকৰ 'স্নো' উপন্যাসখন আনি দিছিল। তুৰস্কৰ আভ্যন্তৰীণ জীৱন আৰু সমাজৰ ওপৰত লিখা ন'বেল বঁটা বিজয়ী পামুকৰ এইখন বৰ সুখপাঠ্য উপন্যাস।

এই লিখকৰ কিতাপৰ প্ৰকাশক 'চন্দ্ৰ প্ৰকাশ'ৰ স্বত্বাধিকাৰী শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা আৰু ভায়েক শ্ৰীৰবীন্দ্ৰ মোহন শৰ্মাই আৰ্চনি কৰিলে যে মোৰ নতুন

কাব্যগ্ৰন্থ 'কল্পতৰু বৰ্ণমালা' জুবিনৰ হতুৱাই উন্মোচন কৰাব। জুবিনে তাৰিখ দিব নোৱৰাৰ হেতু তেওঁলোক প্ৰায় তিনিমাহ ৰৈ থাকিল। কথামতেই জুবিনে ৬ ডিচেম্বৰ, ২০০৯ চনত গুৱাহাটী প্ৰেছ ক্লাবত সুধী সমাজৰ আগত এই পুথি উন্মোচন কৰি পৰিবাৰ গৰিমাৰ সৈতে কিতাপখনৰ পৰা এটা কবিতা পাঠ কৰিও উপস্থিত সমাজক শুনালে। এই কাৰ্যৰ দ্বাৰা চন্দ্ৰ প্ৰকাশে এটা কতো নোহোৱা নোপজা দৃষ্টান্ত ৰাখিলে। পুত্ৰৰ দ্বাৰা পিতৃৰ গ্ৰন্থ উন্মোচন। পৃথিৱীত এনে দৃষ্টান্ত নাই বোধহয়।

তেওঁৰ সঙ্গীতময় জীৱনৰ প্ৰথমৰ পৰাই লক্ষ্য কৰিছিলো তেওঁৰ নিৰহঙ্কাৰী স্বভাৱ। তেওঁ নিজৰ সফলতা বা কীৰ্তিৰ বিষয়ে কেতিয়াও কথা নাপাতে। অসংখ্য সাফল্য গানৰ স্ৰষ্টা হৈয়ো তেওঁ কোনোদিন, কেতিয়াও কাকো সেই গানবোৰৰ বিষয়ে নোসোধে। গানৰ বিষয়ে কোনো মতামত নিবিচাৰে। মই সাহিত্য জগতৰ লগত জড়িত কাৰণে ইয়াত এক অসহ্য ব্যৱহাৰ দেখিছো। নতুন লিখক চামে আৰু কিছু বয়স্ক লেখকেও এখন সাহিত্য মেলৰ ছবি কাগজত ওলালে ফোন কৰিও কয়— "আমাৰ ফটো ওলাইছে। নামটোও দিছে।" লগ পালেতো সেই বিশেষ কবিতা বা গল্পটোৰ বিষয়ে বকলা মেলে। জুবিনে ফিল্মফেয়াৰ এৱাৰ্ড বা স্বয়ং ৰাষ্ট্ৰপতিৰ পৰা পুৰস্কাৰ লৈ আহিও ইয়াত একোৱেই কোৱাহি নাই। মাথো সুধিলে কয় — "অ' প্ৰাইজটো লৈ আহিলো"। বহ্ সিমানেই, তেওঁৰ চিন্তাত কিবা আধ্যাত্মিক ভাব আছেনে নাই, ক'ব নোৱাৰো। সেই বিষয়ে কোনো দিন কথা পতাও নাই। কিন্তু মই বুজিছো তেওঁ গীতাৰ 'কৰ্মত অধিকাৰ ফলত নহয়' — এই নীতি কায়মনোবাক্যে অনুসৰণ কৰে।

কাপোৰ কানিৰ বিষয়তো উদাসীন। চখ কৰি পিন্ধে, পিছদিনাই সেই চখৰ কাপোৰ জোতা, কৰবাত, কাৰোবাৰ ঘৰত এৰি থৈ আহে। সেই বিষয়ে কেতিয়াও টুঁ শব্দটি কৰা শুনা নাই। টকা-পইচাৰ বিষয়ত জুবিন উদাসীন হয়, কিন্তু বেছি ভাগ ক্ষেত্ৰতে বাধ্য হৈ সহকৰ্মী বন্ধু -বান্ধৱ, বান্ধৱী, আত্মীয় অনেকেই ঋণ লৈ তেওঁক ঘূৰাই দিয়া নাই। ফলস্বৰূপে উপৰোক্ত বৰ্গবোৰৰ যথেষ্ট সংখ্যক মানুহ জুবিনৰ ওচৰত চিৰঋণী। তেওঁৰো তাগিদা দি ফুৰিবলৈ সময় নাই। সেইসকলৰ মনোবেদনা নাই আৰু তেওঁলোকেই জুবিনৰ বদনামত শতমুখ। তদুপৰি তেওঁলোক লগতে থাকি জুবিনক বিপথে চালিত কৰাত সদায় সচেষ্ট।

এইটো সাধাৰণ ধাৰণা যে জুবিনে বিহুৱে-পূজাই সঙ্গীত পৰিবেশন কৰি ক'তো উপাৰ্জন কৰে। কিন্তু জানিও কোনেও নকয় যে — বহুলাংশে সঙ্গীত অনুষ্ঠানৰ কৰ্ম-কৰ্তাসকলে পণৰ ধন আধাহে দিয়ে। দুই-এক ব্যতিক্ৰমী অনুষ্ঠানৰ বাদে। 'টকা নুঠিলে, উঠাই আছো, অহা দেওবাৰলৈ দি আহিমগৈ'— এইবোৰ বচন মাতি ফুচুলাই পঠায় দিয়ে। তেওঁলোকে ভাবি নাচায় যে জুবিনৰ লগতে প্ৰায় কুৰিজন মানুহ জীৱিকাৰ পৰা বঞ্চিত হয়। কিন্তু কোনো কোনো কৰ্ম-কৰ্তাক অনুষ্ঠানৰ পাছত ভোজ-ভাত খাই মটৰ বাইক কিনাও দেখা গৈছে। এইবোৰ পোনে পোনে বে-আইনী কাৰ্য। দান-বৰঙণি দিয়া ৰাইজ সচেতন নহ'লে এই ধৰণৰ শোষণ চলি থাকিব। আৰু সৰুপথাৰৰ ঘটনাৰ পুনৰাবৃত্তি নহ'ব বুলি কেনেকৈ ক'ব? আমাৰ ধাৰণা কৰা মতে টকা-পইচাবোৰ পোৱা হ'লে জুবিনৰ দৰে উদাৰ হৃদয়ৰ মানুহে আৰু অনেক জনহিতকৰ কাম কৰিব পাৰিলেহেঁতেন। সেয়ে শেষলৈ জুবিনে গীত পৰিবেশন পেশাটো সঠিক প্ৰোফেচনেল লাইনলৈ আনিবলৈ বাধ্য হ'ল।

তেওঁৰ আৰু এটা লক্ষণীয় কথা নকৈ নোৱাৰো। তেওঁৰ স্বভাৱ ফকীৰৰ দৰে। মানুহক মুক্ত হস্তে দান কৰে। তাৰ পাছ মুহূৰ্ততে কিছু টকাৰ প্ৰয়োজন পৰিলে দেখা যায় তেওঁৰ হাতত টকা নাই। এই কথাটোৱে মোকো প্ৰায়েই বিস্মিত কৰে। তেওঁ অতীত বা ভৱিষ্যত ভাবি মূৰ কামোৰণি নলয়। বুদ্ধদেৱৰ দৰে গুৰুসকলে কোৱা — 'বৰ্তমানত জীয়াই থাকা' কথাষাৰ তেওঁ নিত্যেই পালন কৰে। কথাষাৰ সঁচা। অতীত ভৱিষ্যৎ সকলো বৰ্তমান। পাৰ হৈ যোৱা বৰ্তমান আৰু আহিবলৈ ধৰা বৰ্তমান। বৰ্তমানত জীয়াই থকা আৰু কৰ্ম কৰা মানুহৰ ভীষণ একাগ্ৰতা থাকে।

তেওঁৰ ৰাশি বৃশ্চিক পশ্চিমীয়া আৰু ভাৰতীয় দুই দিশৰ জ্যোতিষ শাস্ত্ৰৰ মতে। মানুহৰ জীৱনত কি প্ৰত্যক্ষ প্ৰভাৱ থাকে নাজানো কিন্তু বহুত ডাঙৰ মানুহেও দেখিছো জ্যোতিষত বিশ্বাসী। যাই হওক, জুবিনক দেখিছো যিটো ইচ্ছা হয়, সেইটো কাম কৰে। বাধা দি লাভ নহয়। ধৰক, কিবা এটা মন গ'ল কিনিলে, পাছতহে আহি কবহি। ক'বলৈ তাৰো ঠিকনা নাই। তেতিয়া বস্তুটোৰ কামটোৰ সদ্যহতে নিষ্প্ৰয়োজনৰ কথা কোৱাটো কোনো অৰ্থ নাই। ঘৰৰ মাৰুতি

গাড়ীখন বিক্ৰী কৰাৰ পাছতহে আমাক জনাইছে। যিটো তেওঁৰ মন মেজাজে ভাল বুলি জানে তাকেই কৰে।

আমি তামুলপুৰত চাকৰি কৰোতে, জুবিনৰ জন্তু জানোৱাৰৰ প্ৰতি প্ৰীতি দেখি চৰকাৰী কোৱাৰ্টাৰতে এখন মিনি-জু খুলিছিলো। অৱশ্যে আমাৰো যে হেঁপাহ নাছিল তেনে নহয়। ভূটান পাহাৰ কাষতে হোৱাৰ হেতুকে বন্য-প্ৰাণীবোৰ তাত অলপ যত্ন কৰিলেই আহৰণ কৰিব পাৰি। বিজনীৰো একেই কথা। বিজনীত আমাৰ ঘৰত এজনে হৰিণা পোৱালি এটা দিলেহি। যৎপৰোনাস্তি চেষ্টা আৰু মৰম কৰা সত্ত্বেও পোৱালিটো জীয়াই ৰাখিব নোৱাৰিলে। হয়তো হৰিণা পোহাৰ উপযুক্ত প্ৰশিক্ষণ নথকাৰ বাবেই তেনে হ'ল। তাতে আমাৰ অফিচৰ আন এজনে এটা ময়ূৰৰ পোৱালি দিলেহি। যত্নেৰে তাক তুলি-তালি ডাঙৰ কৰিলোঁ। পূৰ্ণবয়স্ক ময়ূৰৰ শৰীৰটো অতিকায় হোৱাৰ বাবে লৈ ফুৰিবলৈ বৰ অসুবিধা। সেয়ে তামুলপুৰলৈ বদলি হৈ আহোঁতে ময়ূৰটো বিজনীৰ শিব-মন্দিৰত গতাই থৈ আহিলো। মন্দিৰ কৰ্তৃপক্ষই তাক যতন কৰি পোহপাল দিলে। তামুলপুৰত নিজৰ বাসভৱনতে এটা মিনি জু খুলিলো। তাতো হৰিণা, তিতৰ, এটা বাঘ পোৱালি, হাইঁথা, বনৰীয়া চৰাই, দুটা ভূটীয়া কুকুৰ পুহিছিলোঁ। হাইথা মাটিত নপৰে। কিন্তু এদিন এটা হাইঠা ধপ্ কৰে আমাৰ বাৰীত পৰিলহি। বাৰীৰ চুকতে এজোপা আহঁত গছ আছিল। গুটি ধৰাৰ দিনত তাত হাজাৰ হাজাৰ হাইঠা, ভাটো আৰু নাম নজনা চৰায়ে দিনটো কোঁহাল কৰি গুটি খাই আনন্দ কৰি থাকে। তাতে কোনোবা দুষ্ট ল'ৰাই কেটেপাৰ গুটিৰে সেই হাইঠাটো আঘাত কৰিলে। শুশ্ৰূষাৰে তাক আমি সুস্থ কৰিলো। জুবিন আৰু ভনীয়েক দুজনীৰ কাম হ'ল একমাত্ৰ হাইঠাটোৰ লগত খেলি থকা। সি ভাটৌ বা মইনা চৰাইৰ দৰে ঘৰচীয়া হৈ পৰিল। বহু দৰ্শক অহা হ'ল আমাৰ ঘৰলৈ। জুবিনে এদিন তাক পেণ্টৰ জেপত ভৰাই স্কুললৈয়ো লৈ গ'ল। স্কুলত এটা হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হ'ল। শিক্ষকে তাক ওভতাই চৰাইটো ঘৰত থোৱাই দিলে? তেতিয়াহে ৰক্ষা তামুলপুৰ এৰিব লগা হোৱাত সেই চিৰিয়াখানাকো ভাঙি পেলোৱা হ'ল কয়দীবোৰক মুক্তি দিয়া হ'ল। আৰু এটা বিশেষ কথা জুবিনৰ গায়কীৰ বিষয়ে সোধে। জুবিনে উচ্চাঙ্গ সঙ্গীত ক'ত শিকিলে? আগতেই কৈ আহিছোঁ আৰু এই বিষয়ে অনেক লিখাও হৈছে যে জুবিনে অনুষ্ঠানিকভাৱে কোনো গুৰুৰ ওচৰত ৰাগপ্ৰধান সঙ্গীত শিকা

নাই। ঘৰতে হাৰমনিয়ামখন লৈ ৰেৱাজ কৰি থাকে আৰু প্ৰচলিত হিন্দী, অসমীয়া আৰু বাংলা গানবোৰ সাধন কৰি থাকে। তেনেতে এটা ঘটনা ঘটিল। তেওঁ প্ৰথমবাৰ মুম্বাইৰপৰা অহাৰ পিছত শেখৰ কাপুৰৰ আলোড়নকাৰী ছবি ‘বেন্দিত কুইনে’ মুক্তি পালে। গানৰ কেছেটটো যোগাৰ কৰিলে। জুবিন ঘৰলৈ আহি কেছেটটো বজাবলৈ ধৰিলে। সঙ্গীত দিছিল আৰু গানকেইটা গাইছিল ওস্তাদ ফটেহ্ আলি খানে। জুবিনে সেই গানকিটা শুনি ইমান মুগ্ধ আৰু মোহিত হ’ল যে তেওঁ কান্দি পেলালে আৰু সেই গোটেই নিশা সেই কেছেটটো উৰাই ঘূৰাই শুনি থাকিলে। বাৰে বাৰে কোৱা স্বত্বেও শুবলৈ নগ’ল। সেয়ে প্ৰথম মই জুবিনক কন্দা দেখিলো।

সেই নিশা বোধহয় তেওঁ খান চাহাবৰ গায়ক শৈলী আয়ত্ত কৰিবলৈ উপৰ্যুপৰি গানকেইটা শুনিলে। তেওঁৰ কষ্ট ফলবতীও হ’ল। তাৰ পাছত তেওঁৰ কণ্ঠত সুৰৰ উচ্চ, নিম্ন গ্ৰামৰ ভাঁজবোৰ সলনি হ’বলৈ ধৰিলে। হিন্দী চিনেমাত ‘য়া-আলি’কে ধৰি কেইবাটাও ৰাগ-প্ৰধান চুফী গীত সফলতাৰে পৰিবেশন কৰিলে। মোৰ বোধেৰে সেই ‘বেন্দিত কুইন’ৰ গান শুনা নিশাই জুবিনে ফতেহ্ আলি খান চাহাবক মনে মনে গুৰুৰ আসনত অভিষেক কৰিলে। সেয়ে খান চাহাবেই জুবিনৰ উচ্চাঙ্গ সঙ্গীতৰ গুৰু। ঘটনাটো একলব্যই দ্ৰোণাচাৰ্যক গুৰু মানি লোৱাৰ দৰে। সিদিনা তেওঁৰ আকাংক্ষা, যৌৱনৰ শুদ্ধতা আৰু গানৰ সত্যতা তেওঁৰ আত্মাত একাকাৰ হৈ গৈছিল।

আৰু এটা বিশেষত্ব লক্ষ্য কৰিছিলো যে বৰগীত ৰেকৰ্ডিং কৰোতে তেওঁ ধুতী পিন্ধি কান্ধত গামোচা লৈ মাটিত বহি গাইছিল। এই কথাটোতও হয়তো পৰম্পৰাগত ভক্তিৰ এটা প্ৰকাশ ঘটিছিল। কিন্তু আমি ভাবো কথাটোত Method Acting বোলা প্ৰণালীটো নিহিত হৈ আছিল। এই পদ্ধতিৰ নিৰ্দেশ হ’ল যে অভিনেতা বা গায়কজন অভীষ্ট চৰিত্ৰটোহে ল’ব লাগে অন্তৰে-বাহিৰে। এইদৰে সৰ্বান্তঃকৰণে নিজে ভক্ত নহ’লে ভক্তি নিসিজে, বৰগীতটো গাওঁতে প্ৰয়োজনীয় আন্তৰিক পৰশ দিব নোৱাৰি। জুবিনে ‘মন যায়’ কথাছবিখনত নায়কৰ ভাওটো কৰোতে সেই পদ্ধতিকে অনুসৰণ কৰিছিল। সেয়ে দৰ্শকে ছবিখন চাওতে নায়ক জনকহে দেখি আছিল, জুবিন গাৰ্গক নহয়।

এবাৰ আমাৰ এজন সম্বন্ধীয়া ভায়ে, দিল্লীত এখন হোটেলত আহাৰ কৰি

থাকোতে প্লেয়াৰত 'য়া আলি' গানটো বাজি আছিল। আমাৰ ভাইজনে হোটেল মেনেজাৰক সেই গানটো কোনে গাইআছিল সুধিলে। মেনেজাৰজনে ক'লে 'একপাঞ্জাৱী লেড়কা'। গাৰ্গ উপাধিটোৱেই এই বিভ্ৰম সৃষ্টি কৰিলে। একে ধৰণৰ বিভ্ৰম সুগায়িকা অনুৰাধা পাড়োৱালৰ লগতো হৈছিল। বম্বেত প্ৰথম কেছেটটো ৰেকিৰ্ডং কৰোতে অনুৰাধাই সেই কেছেটত গান গাইছিল। জুবিন অসমৰ বুলি অনুৰাধাই কেতিয়াও নামানে।

"তুম আছামিজ হো হি নহী সকতে হো" — অনুৰাধাই কয়।

"I am hundred percent Assamese"— জুবিনৰ উত্তৰ, অনুৰাধা পাড়োৱালে এতিয়া চাগৈ মানিছে।

এজন ব্যস্ত শিল্পী হোৱাৰ হেতুকে কৰ্মস্থলী গুৱাহাটী, মুম্বাই আৰু কলকাতা হোৱাৰ হেতুকে জুবিনক আমাৰ সহিত তেওঁৰ বন্ধু-বান্ধৱ, শুভাকাঙ্ক্ষী আৰু আমাৰ আত্মীয় কুটুম্বই তেওঁক সঘনে লগ পাব নোৱৰা হ'লো। সকলোৱেই তেওঁক সঘনে লগ পাবলৈ বিচৰা হ'ল। হকে যিনহকে নিজকে জুবিনৰ আত্মীয়, সহপাঠী বা ঘৰৰ মানুহ বুলি ভবা হ'ল। এই ভগবন্তৰ কৃপা আৰু ৰাইজৰ শুভইচ্ছা। এই অৱস্থাত অনেকেই আমাক জুবিনৰ 'হোৱেৰ-এবাউটছ'ৰ বিষয়ে সোধে। কাগজত ওলায় কথাবোৰত সন্তুষ্ট নহয়। কিন্তু অসুবিধাটো আমাৰ হয়। কাৰণ তেওঁলোকে কিমান খিনি জানে, আমিও সিমানখিনিহে জানো। আমি একো নাজানো বুলি ক'লে— তেওঁলোক ক্ষুণ্ণ হয়। আমি খবৰ দিয়াত টানি ধৰিছো বুলি ভাবে। মোক বুজাবলৈ চেষ্টা কৰে। তেওঁলোকৰ পৰা জুবিনৰ কোনো ক্ষতি নহয়। কথা সেইবোৰ নহয় বুলি মই তেওঁলোকক বুজাব নোৱৰা হ'লো। নিয়মিতভাৱে কথা-বাৰ্তা অৰ্থাৎ ফোন কল নোপোৱাত আমিও অসন্তুষ্ট নোহোৱা নহয়। মাজে মাজে কেতিয়াবা এটা কল পালে আকৌ সেই ক্ষোভ ৰ'দত শীতৰ কুঁৱলী মাৰ যোৱাৰ দৰে অন্তৰ্ধান হয়। কেতিয়াবা ভাবো মাক নোহোৱাৰ বাবে হয়তো ল'ৰাৰ ঘৰৰ প্ৰতি আকৰ্ষণ কমিছে। কিন্তু আদিৰেপৰা তেওঁৰ জীৱনটো অনুধাৱন কৰিলে দেখা যায় যে তেওঁ সদায়েই উদাসীন, কিছু সংসাৰ বিৰাগী। ল'ৰাটো এতিয়াও একেদৰেই আছে। গছৰ শিপাই মাটি খামুছি ধৰাৰ দৰে তেওঁ কেতিয়া শিপাব কব নোৱাৰো। কিন্তু এইটোও বুজো যে তেওঁৰ সঙ্গীত আৰু কথাছবিৰ জীৱনে তেওঁক সংসাৰৰ প্ৰতি নিৰ্মোহ কৰি ৰাখে।

২০০০ আৰু ২০০২ চনৰ মাজৰ মাত্ৰ ডেৰ বছৰৰ ব্যৱধানত আমাৰ দুই প্ৰিয়তম এই সংসাৰ ত্যাগ কৰাৰ পাছত কিবা কোনো কাৰণ নোহোৱা অজুহাতত মই বৰ ভয় খালো। মোৰ ভয়টো শাৰীৰিকতকৈও মানসিকহে আছিল। মই অত্যন্ত ভীত হৈ পৰিছিলো আৰু মুজুৰা পৰি গৈছিলো। মই নিজেই নিজৰ কাৰণে এক সমস্যা হৈ পৰিছিলো। জীৱনৰ অন্যান্য সংকট ক্ষণতো দেখিছো মোক বৰ সহজে ভয়ে আক্ৰমণে কৰে। পিছত চালি জাৰি চাই, দুই এক শুভাকাঙ্ক্ষীৰ উপদেশত, জুবিন আৰু মমনৰো সৈতে আলোচনা কৰি নিৰ্ভয় হ'বলৈ থিৰাং কৰিলো। দৰ্শনৰ চিন্তা ধাৰাৰে পুষ্ট এখন কিতাপ লিখিলো— "ভয়, মৃত্যু আৰু সুন্দৰতা" (বাণী প্ৰকাশ, গুৱাহাটী) আৰু নিজে বহুত সুস্থ অনুভৱ কৰিলো আৰু জীৱনটো পুনৰীক্ষণ কৰি দেখিলো মোৰ ভীতিগ্ৰস্ততাৰ কাৰণ মোৰ শৈশৱতে সোমাই আছে। সেইবোৰ কথা যাই হওক, এতিয়া আচল কথালৈ আহোঁ। জুবিনে এবাৰ মোক ডেন ব্ৰাউনৰ "দা-ভিঞ্চি কোড" নামৰ সুবিখ্যাত কিতাপখন পঢ়িবলৈ দিছিল। এই কিতাপ পঢ়ি যাওঁতে শেষৰ ফালে মোৰ খুব ভয় লাগিছিল। একেই অজান ভয়। এনে ধৰণৰ আতঙ্কই সকলো মানুহকে জীৱনত একোবাৰ জোকাৰি যায় নেকি!

জুবিনৰ জন্ম হৈছিল তুৰাত কিন্তু পাছত মনত পেলালে তেওঁৰ আঁঠুৰ ধূলি মোহাৰি উঠি অহা ল'ৰালিৰ দিনবোৰ কাটিছিল কৰিমগঞ্জত। নিজে খুটি খাব পৰা হোৱাৰ পাছত এবাৰ জীৱনৰ সেই দুখন তীৰ্থপ্ৰতিম জেগালৈ যোৱাৰ খুব হেঁপাহ আছিল। আন সকলোৰে দৰে জন্মস্থানৰ মোহে তেওঁকো আমনি দিছিল। যোৱা বছৰ (২০০৯ চন) গান পৰিবেশনৰ আমন্ত্ৰণ পাই, দুয়ো জেগাত দুই-চাৰিটা দিন কটাই আহিলোগৈ। এই পুৰণা বন্ধু-বান্ধবক নেপাহৰা চৰিত্ৰটো তেওঁৰ কৰ্মৰ অন্য এটা দিশলৈ গম পোৱা যায়। মুম্বাইত অসমীয়া শিল্পীক প্ৰতিষ্ঠা কৰোৱাত জুবিনৰ অক্লান্ত প্ৰচেষ্টা শুনা যায়। তেওঁৰ আগতে অসমৰ শিল্পীক সেই সপোন চহৰত থিয় দিবলৈ কোনো শিল্পীয়ে কোনো চেষ্টা কৰা নাই। তাৰ দৃষ্টান্ত নাই। গুৱাহাটীতো কথাই নাই। এতিয়া অসমত প্ৰতিষ্ঠিত কেইবাজনো শিল্পী জুবিনৰ সহযোগত ধন্য হৈছে। আমাৰ ই এক আনন্দৰ কাৰণ। ইয়াৰ উপৰি জুবিন গায়ক হিচাপে প্ৰতিষ্ঠিত হোৱাৰ পাছতে অসমৰ অনেক ল'ৰা-ছোৱালী সঙ্গীতৰ পথাৰত নামিল নতুন উদ্যমেৰে আৰু তেওঁলোকেও এতিয়া কণ্ঠকে

হাথিয়াৰ কৰি জীৱন-নিৰ্বাহ কৰি আছে। জুবিনৰ সঙ্গীত জগতত একান্ত অভিযানৰ এইটো অত্যন্ত গুৰুত্বপূৰ্ণ ধনাত্মক প্ৰভাৱ যে তেওঁ সঙ্গীতক এটা 'ইণ্ডাষ্ট্ৰি' বা 'ফুল-ফ্লেজেদ এম্প্লয়মেণ্ট' হিচাপে প্ৰতিষ্ঠা কৰিলে। জুবিনৰ সকলো কৰ্মতেই আমি মাউখে উটিম এই ধৰ্মটো লক্ষ্য কৰা যায়।

চাকৰি জীৱনতে আমি কেইবাটাও উচ্চমানৰ প্ৰশিক্ষণ লৈ National level faculty of management হৈছিলো আৰু মোৰ বিষয়টো আছিল Behavioural Science সেই সুবাদতেই খানাপাৰা স্থিত Assam Administrative Staff College ত আমাৰ চাকৰিৰ শেষৰ ফালে Faculty of Management হিচাপে সেৱা আগবঢ়াইছিলো। তেতিয়া Sey Development হিচাপে সেৱা আগবঢ়াইছিলো। তেতিয়া Sey Development ৰ অনেক অমূল্য গ্ৰন্থ পঢ়িবলৈ পাইছিলো। তাৰে এখন আছিল Think Big -- এই কিতাপখন পঢ়ি জুবিন পূৰামাত্ৰাই প্ৰণোদিত হৈছিল। ময়ো কিছু লেকচাৰ দিছিলো। পাছলৈ দেখিলো জুবিনে সকলো কথাকে ডাঙৰকৈ ভবা হ'ল। কৰ্মও তেনেকুৱা হ'ল। গীত পৰিবেশন কৰিবলৈ হ'লে ডাঙৰ আয়োজন, গাড়ীখন ল'বলৈ হ'লেও ডাঙৰ গাড়ী। এই কামটোৰ অৱশ্যে নিজক প্ৰয়োজন আছিল কিয়নো তেওঁৰ কী-বৰ্ডখন বেচ ডাঙৰ। গতিকে লৈ ফুৰিবৰ সময়ত সৰু গাড়ীত নোসোমায়। তেনেকৈ গান এটা লিখিবৰ সময়তো কল্পনাৰ প্ৰসাৰতা। এই মনোবৃত্তিয়ে তেওঁক অৱশ্যে উপকৃত কৰিছে।

নিজৰ বিশ-একৈশ বছৰতে এখন পূৰ্ণাঙ্গ ছবি পৰিচালনা কৰিবলৈ লোৱাটোও উপৰোক্ত ডাঙৰ চিন্তাধাৰাৰেই ফচল। কথাছবিখনৰ নাম আছিল 'তুমিমোৰ মাথো মোৰ'। হিন্দী ছবিত ৰাজকাপুৰে বাইশ বছৰ বয়সতে তেওঁৰ প্ৰথম ছবিখন পৰিচালনা কৰিছিল। সেই একেই উছাহতে তেওঁ অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ কেইটামান অমৰ গীতৰ বাণীবদ্ধ কৰিলে। তাত অন্তৰ্ভুক্ত কেইটামান চিৰসুন্দৰ গীত হ'ল— মোৰ কল্পনা মণ্ডিত হিয়াৰ তলিত, কি সুখ লভিছা সখি অকলে অকলে গাই, কাৰ নূপুৰ বাজে ইত্যাদি। এই ছেগতে তেওঁ বৰ্তমানৰ অসমৰ জনপ্ৰিয় গায়ক সকলৰ এমুঠি মিঠা গীত 'মোৰ প্ৰিয় গীত' নামেৰে বাণীবদ্ধ কৰি আগৰ প্ৰজন্মৰ গায়কসকলৰ বহুত সুৰীয়া গান পুনৰ প্ৰচাৰ কৰিলে।

উপৰোক্ত দুইটা কামেই মোৰ ধাৰণাত জুবিনৰ ডাঙৰ কথা চিন্তা কৰাৰ ফল।

****

২০০১ চনৰ ত্ৰিশ ছেপ্টেম্বৰ তাৰিখ। জুবিনৰ দুলীয়াজানৰ তেলনগৰীত গানৰ কাৰ্যক্ৰম আছিল। ব্যস্ততাৰ মাজতো সুৰুঙা উলিয়াই জুবিন আৰু গৰিমাই 'অনুৰাধাৰ দেশ'ৰ লিখক স্বনামধন্য শ্ৰীফণীন্দ্ৰকুমাৰ দেৱ চৌধুৰীক দেখা কৰি আশিস বিচাৰি গ'ল। শ্ৰীচৌধুৰীদেৱ অতিশয় হৰষিত হ'ল। আপ্যায়নৰ শেষত তেখেতে তেখেতৰেই সম্পাদিত 'এশ বছৰৰ অসমীয়া গদ্য সাহিত্য'ৰ বিৰাটখণ্ডটো জুবিনৰ হাতত তুলি দিলে। ভিতৰৰ পৃষ্ঠাত লিখি দিলে— "জুবিনৰ সৈতে দেখা হোৱা মানে এটা মহাসমুদ্ৰৰ সৈতে মুখামুখী হোৱা। সমুদ্ৰৰ বিশালতাই একমাত্ৰ পৰিচয় নহয়, তাৰ গৰ্ভৰ গভীৰতাত লুকাইথাকে অজস্ৰ অমূল্য সম্পদ। জুবিনৰো পৰিচয় বৰ্তমানৰ জনপ্ৰিয়তাই নহয় জুবিনৰো গভীৰ অনুভৱেৰে ভৰা শিল্পী মনত লুকাই আছে এতিয়াও উন্মোচনৰ অপেক্ষাত ৰোৱা অজস্ৰ সম্পদ সেই উন্মোচনৰ অপেক্ষাত— ফনীন্দ্ৰকুমাৰ দেৱ চৌধুৰী ৩০-৯-২০০১.'

জীৱন আগবঢ়াৰ লগে লগে জুবিনৰ বন্ধুমহল, সহকৰ্মী, গুৰুস্থানীয় সঙ্গীতজ্ঞ সকলৰ সংখ্যা দেশ আৰু বিদেশতো দিনক দিনে প্ৰসাৰ লাভ কৰিছে। জীৱন বৃত্তৰ পৰিধিৰ লগে লগে সেই সকলৰো পৰিধি বাঢ়িছে। ইমান মানুহৰ হদীশ ৰখা দুৰুহ কাম। ইফালে আমাৰ নিজৰ জীৱন-বৃত্ত গাৰ চালৰ দৰে সঙ্কুচিত হৈ আহিছে। যাই হওক, জুবিনৰ যিখিনি বন্ধু স্থানীয় আৰু সহকৰ্ম্মীক লগ পাইছিলো আৰু আলাপ-আলোচনা হৈছিল সেই সকলৰ কিছু অভিমত ডাঙি ধৰো। হীৰুদা, জৰ্জবেকাৰ, বিদ্যুৎ কটকী, এম, মণিৰাম ইত্যাদি।

'ইউ আৰু নট মাই জুলি' নামৰ জুবিনৰ নতুন চিনেমাখনৰ চুটিঙৰ অৱসৰত আমাৰ লগত আলাপ হওঁতে জৰ্জবেকাৰে কৈছিল— 'হি ইজ মাই চান অলছো। হি ইজ মাৰ্ভেলছ আণ্ড চো ওৱেল ৰেড।' আৰু কৈছিল জুবিনৰ আগামী হিন্দী ছবিখনত তেওঁ স্ব-ইচ্ছাই এটা ৰোল কৰিব। জৰ্জবেকাৰে সুন্দৰ অসমীয়াও কয়। বিদুৎ কটকী (As the River Flows চিনেমাৰ পৰিচালক য'ত ভিক্টৰ বানাৰ্জিয়েও অভিনয় কৰিছে, জুবিন সঙ্গীত পৰিচালক) এদিন সন্ধ্যা আমাৰ

গৃহত চাহ খাবলৈ আহিল। আমাৰ লগত সাহিত্য-চৰ্চা চলাই থাকোতে জুবিনৰ বিষয়ে কৈছিল— 'জুবিন নোহোৱা হ'লে মই এই চিনেমা নকৰিলোহেঁতেন।' এম, মণিৰামে (হিউ আৰু নট মাই জুলিৰ পৰিচালক) কৈছিল— 'মই যদি আৰু ছবি কৰোঁ, জুবিনেহে সঙ্গীত দিব'। হীৰুদাৰ মতে 'সঙ্গীত জগতত জুবিন এক জোকাৰণি তেওঁ অসমীয়া গানৰ ট্ৰেণ্ডটো সলনি কৰি দিলে। জুবিনে যোগ্যতাৰ ভিত্তিত জনপ্ৰিয়তা পাইছে নিঃসন্দেহে। জুবিনৰ ওচৰত কিবা এটা আছে নিশ্চয় — নহলে মানুহে ইমান নিবিচাৰিলেহেঁতেন।' ধ্ৰুপদী সঙ্গীতৰ ওস্তাদ আৰু চুফীগানৰ ওজা ইছমাইল দৰবাৰৰ মতে'—ৱহ কুদৰতকা দেন হায়।'

এই আপাহতে ওপৰত এৰি অহা শ্ৰী ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীৰ শেহতীয়া কথা কেইটামান হাতত পৰাত উদ্ধৃতি নকৰি নোৱাৰিলো। "কিন্তু এটা সময়ত এচাম নতুন প্ৰজন্মৰ অসমীয়া গীতৰ প্ৰতি অনিহাই যেন শঙ্কিত কৰি তুলিছিল .... সেই সময়তে এক আশাৰ বতৰালৈ উপস্থিত হৈছিল জুবিন। জুবিনে কিমান কালজয়ী গীত সৃষ্টি কৰিব, সেইবোৰ হিচাপ লোৱাৰ সময় এতিয়াও হোৱা নাই। কিন্তু এটা কথা আমি নিঃসন্দেহে এতিয়া কব পৰা হৈছো যে অসমৰ সঙ্গীত জগতত জুবিনে ইতিমধ্যে অতি প্ৰয়োজনীয় ঐতিহাসিক দায়িত্ব পালন কৰিছে আৰু সেয়া হ'ল নতুন প্ৰজন্মৰ যি সকল তৰুণ-তৰুণী অসমীয়া গীতৰ জগতৰ পৰা আঁতৰি যোৱাৰ উপক্ৰম হৈছিল সেই সকল তৰুণ-তৰুণীৰ পুনৰ অসমীয়া গীতৰ শ্ৰোতাৰ ৰূপত ওভতাই আনিছে। যি সকলে অসমীয়া গীতৰ যাদু খেল শেষ হৈ যাব বুলি হতাশাত ভূগিবলৈ আৰম্ভ কৰিছিল, সেইসকলৰ অসমীয়া গীতৰ মাজত যে এতিয়াও অনাবিস্কৃত, অপ্ৰদৰ্শিত এক ৰহস্যময় যাদুৰ ভৰাল আছে সেই সন্দৰ্ভত প্ৰশস্ত কৰিছে। অসমীয়া গীতৰ সন্ধিক্ষণত এই অতি প্ৰয়োজনীয় ঐতিহাসিক দায়িত্ব সুৰনমে পালন কৰি জুবিনে আমাৰ সকলোৰে মনত এনে এক উচ্চাকাংক্ষাৰ সঞ্চাৰ কৰিছে যি পূৰণ কৰা যোগ্যতা অৰ্জনৰ বাবে জুবিন আৰু অধিক গভীৰ, প্ৰণালীবদ্ধ আৰু কোনো ধৰণৰ তৰলতাক প্ৰশ্ৰয় নিদিয়া এক কঠোৰ নিষ্ঠাবান, সংগীত সাধক হৈ উঠিব লাগিব আৰু মোৰ মনত অকণো সন্দেহ নাই যে বয়সৰ কিছু তাৰল্য আৰু চঞ্চলতা অতিক্ৰম কৰি জুবিনে আমাৰ এই সন্মিলিত উচ্চাকাংক্ষা এদিন সুকলমে পূৰণ কৰিব। জুবিনলৈ আন্তৰিক শুভ কামনাৰে—"

কথাছবিৰ সুযোগ্য সমালোচক, ছবিৰ সমস্ত খবৰ ৰাখোতা পৱিত্ৰ কুমাৰ ডেকা আজি আমাৰ মাজত নাই। তেওঁৰ অকাল বিয়োগে অসমৰ কথাছবি সমালোচকৰ সন্মানিত আসনখন খালী কৰি থৈ গ'ল। যিখন আসন হয়তো বহুদিনলৈ অধিকাৰী নোহোৱাকৈ ৰ'ব। তেওঁ জুবিনৰ বিষয়ে মন্তব্য কৰিছিল— "....এওঁলোকৰ উপৰিও আগৰ সকলকো চেৰ পেলাই জনপ্ৰিয়তাৰ ক্ষেত্ৰত সকলোৰে সমুখত থিয় হৈ গ'ল জিতুলৰ পিছতে অহা তৰুণ কণ্ঠ শিল্পী জুবিন গাৰ্গ। এইটো বাস্তব ঘটনা।.... ভিনি ভিডি ভিচি, জুবিনৰ ক্ষেত্ৰতো সেয়ে হ'ল। মই আহিলো, গান গালো, জয় কৰিলো। 'অনামিকা' শ্ৰব্য কেছেটটি ওলোৱাৰ লগে লগে নতুন কণ্ঠশিল্পী জুবিন গাৰ্গৰ গীতকলৈ সকলোৰে কৌতুহল হ'ল। লগে লগে জনপ্ৰিয়ও হ'ল আৰু এটা দশকৰো অধিক কাল বহু সুনাম আৰু বহু দুৰ্নাম কঢ়িয়াইয়ো জুবিন গাৰ্গ আজিও সৰ্বাধিক জনপ্ৰিয় কণ্ঠ শিল্পী। এই কথা শত্ৰুৱেও স্বীকাৰ কৰিব।" জুবিনৰ গীতৰ effect ৰ বিষয়ে স্বৰ্গীয় ডেকাই কৈছিল— "তেওঁৰ বহুগীতেই মনোযোগেৰে শুনিব পাৰি। তেওঁৰ বহুগীততেই একোটা মেছেজ বা বক্তব্য থাকে। সেই কথাটো শ্ৰোতাক বৰ স্পষ্ট ভাবে জনোৱাৰ বাবে তেওঁ গীতৰ প্ৰতিটো শব্দ সচেতন হৈ উচ্চাৰণ কৰে। শুদ্ধ উচ্চাৰণেৰে বিশেষ কোনোবা শব্দত জোৰ দিয়ে। হয়তো সিয়েই শ্ৰোতাৰ অন্তৰত টোকৰ দিয়ে। তেওঁৰ কণ্ঠততো সুৰ, তাল, বিশেষ এক গায়কী আছেই। আকৌ ইয়াৰ লগত থাকে দেশীয় আৰু পাশ্চাত্য সুৰ আৰু সঙ্গীত সজ্জাৰ পৰীক্ষা-নিৰীক্ষা— ৰিডম্ অৰ্থাৎ লয়ৰ কথা আছে।.... জুবিনৰ গায়কীত এনে কিবা এটা মাদকতা আছে যে জুবিনে গোৱা লোকগীত, বিহুগীত আৰু ভক্তিগীতো অসমীয়া শ্ৰোতাৰ মাজত জনপ্ৰিয় হ'ল। গায়ক হিচাপে এইবোৰ জুবিনৰ ধনাত্মক দিশ।"

স্বৰ্গীয় ডেকাই আৰু সুন্দৰ আলোচনাৰে কৈছে যে— এইখিনিতেই জনসাধাৰণৰ আপোন শিল্পীৰ দায়বদ্ধতাৰ কথাটো আহি যায়। তেতিয়াই জুবিন গাৰ্গৰ দৰে ৰাইজৰ অতি মৰমৰ শিল্পীৰ দায়িত্ব বাঢ়ে। নিজৰ প্ৰতিটো কৰ্মৰ প্ৰতি সতৰ্ক হোৱাৰ বৰ প্ৰয়োজন হৈ পৰে, আনকি ব্যক্তিগত হলেও। ধনাত্মক আৰু ঋণাত্মক এই দুয়োটা দিশ লৈয়েই মানুহ। জুবিনৰ ঋণাত্মক দিশটোৰ বিষয়ে কব নোখোজো, সেয়া তেওঁৰ ব্যক্তিগত, ব্যক্তিগত ভাবেই তেওঁ তাৰ সমাধা কৰিব। তেওঁৰ ধনাত্মক আন দিশো আমাৰ চকুত পৰিছে। নানান সামাজিক আৰু মানবীয়

কৰ্ম্মৰ প্ৰতি তেওঁ বৰ উৎসাহী। এই উৎসাহ তেওঁৰ অটুট থাকক। দীৰ্ঘায়ু হৈ সুৰেৰে সকলোকে সন্তোষ দিয়ক। পুনশ্চ— “২০০৪ চনত যেতিয়া দীনবন্ধু চালো, তেতিয়া অনুভৱ হ'ল, জুবিনে অভিনয়ো কৰিব জানে। ২০০৮ চনত যেতিয়া মন যায় চালো, তেতিয়া অনুভৱ হ'ল, জুবিন এজন ভাল অভিনেতাই নহয়, সমাজ সচেতক শিল্পী, যাৰ অন্তৰত অন্যায়ৰ বিৰুদ্ধে ক্ষোভ আছে। সেয়েহে ইমান স্বাভাৱিক অভিনয় ওলাইছে। এয়া জুবিন গাৰ্গৰ আন এটা দিশ।”

ডাঃ অজিত বৰুৱা গোলাঘাটৰ এজন সদাশয়, আপোন কৰ্মত মগ্ন কিন্তু সমাজ সচেতন অধ্যয়ন প্ৰিয় ব্যক্তি, বয়স্ক, সংসাৰী। তেখেতে সঙ্গীতৰ হুলস্থূলীয়া হিন্দী আৰু ইংৰাজী গানৰ মাজত থাকি এতিয়া উপলব্ধি কৰিছে যে— “মোৰ ল'ৰা-ছোৱালীয়ে এতিয়া জুবিনৰ গানৰ মাজেদি অসমীয়া গানক ভাল পাবলৈ লৈছে, অধিক কি আমি ভাল পোৱা আগৰ অসমীয়া গানবোৰো ভাল পাবলৈ লৈছে। তেওঁলোক সকলোটি ইংৰাজী মাধ্যমত পঢ়া ল'ৰা-ছোৱালী।” “এই যে পৰিবৰ্তনটো— অকল মোৰ ল'ৰা-ছোৱালীকেইটাৰ ক্ষেত্ৰতে নহয়, সকলো আজিৰ দিনৰ ল'ৰা-ছোৱালীৰ গাতে দেখিবলৈ পাইছো।.... আমাৰ ডেকাহঁতে এতিয়া টোকাৰী গীত আদি বিচাৰি বিচাৰি শুনাতো, ভাবিলে আচৰিত হ'ব লগা কথা নহয়নে?” — “জুবিনে উত্তৰ পুৰুষক অসমীয়া গানৰ জগতখনলৈ অন্ততঃ ওভোতাই আনিছে।” পুনৰ তেখেতৰ অভিজ্ঞতা এইভাবে ব্যক্ত কৰিছে— “হয়বৰ গাঁৱত চাহ খাবলৈ বুলি খন্তেক ৰৈছিলো। তেতিয়া জুবিনৰ অ' মোৰ আপোনাৰ দেশ'ৰ বিতৰ্ক তুংগত চলি আছিল। কেছেটত জাতীয় সঙ্গীতটো বাজি আছিল আৰু দুজন চৰবাসী মূলৰ ল'ৰাই লগতে তাল মিলাই গাই আছিল। গানটো শেষ হ'লত এটাই নিজৰ উপ-ভাষাতে ক'লে— ‘গানটো বৰ ভাল লাগে। কিবা ভুল আছে বুলি হেনো কাগজত লিখিছে, কি ভুল কব নোৱাৰো — গানটো কিন্তু বৰ মজা যেন লাগে দেই।’ তেওঁলোক দুজন ৭১'ৰ ২৫ মাৰ্চৰ আগৰ নে পিছৰ অৱশ্যে নাজানো। কোনোবাই আকৌ মিঞাঁই ‘অ মোৰ আপোনাৰ দেশ’ ভালপোৱাৰ অপপ্ৰচাৰ কৰি ৰাজনীতি কৰিছো বুলি ক'ব পাৰে আৰু কথাটো জনাই থলো। জুবিনৰ গানত কি ভুল ভ্ৰান্তি আছে, সুৰত কি গণ্ডগোল আছে — এইবোৰ মই বুজি নাপাওঁ।.... পিছে এটা জাতিৰ, এটা ভাষাৰ স্বকীয় ৰূপটো

কোনেও মাৰিবও নোৱাৰে, বিকৃতও কৰিব নোৱাৰে— ইচ্ছা কৰিলেও বা নকৰিলেও। ৪০ বছৰ পঢ়াশালি, আদালতৰ পৰা আঁতৰাই ৰখা এটা ভাষা যদি নমৰি জীয়াই থাকিব পাৰে, আমেৰিকান মিছনেৰিয়ে যদি সাত সাগৰ পাৰ হৈ আহি হেনা-হুচা ভাষাৰেই যদি ভাষাটো ৰক্ষা কৰিব পাৰে— জুবিনে কি অসমীয়া গানৰ জাত মাৰিব? এইলৈ চিন্তা কৰা সকলৰ বাবে কথাযাৰ কৈ থলে।”

এইখিনিতে অপ্ৰাসঙ্গিক হয় যদিও কব নোৱাৰো — এযাৰ কথা নিলিখি নোৱাৰিলো। জুবিন ব্ৰাহ্মণ কুলত জন্ম লোৱাৰ হেতু অহেতুক বিৰূপ অভিমত দিয়ে। সমাজৰ সামান্য লোকৰ মুখতো এনে কটু কথা শুনা যায়। জন্মস্থানৰ বিষয়ে মানুহৰ কোনো বাচনি থাকিব নোৱাৰে। হিন্দু শাস্ত্ৰয়ো তাকে কয়। অন্য ধৰ্মৰ শাস্ত্ৰয়ো একে কথাকে কয়। অসমীয়া সমাজৰ পৰা অচিৰেই এনে অভিমত নিৰ্মূল হওক এই আশাৰে।

****

সৰুকালৰপৰাই জুবিনৰ এটা অভ্যাস আমি লক্ষ্য কৰিছিলো। কিবা এটা কাম তেওঁ কৰো বুলি পাঙিলে তাক কৰিবই আৰু তাক নিজৰ সময়ত কৰিব। এই প্ৰায় আকোঁৰ গোজ স্বভাৱটোৱে আমাক কেতিয়াবা বাৰুকৈয়ে অস্বস্তিত পেলাইছিল। আনকি শ্ৰীমুনিন বৰুৱা, কথাছবিৰ নামজ্বলা পৰিচালক যাৰ আঁঠখন ছবি জুবিনে সঙ্গীত পৰিচালনা আৰু কণ্ঠেৰে সমৃদ্ধ কৰিছে। তেখেতেও সঙ্গীতৰ কাৰণে অনাহকত বৈ থাকিব লগা হৈ বহুবাৰ কষ্ট পাইছে। ‘হিয়া দিয়া নিয়া’ জুবিনৰ প্ৰথম ব্ৰেক সঙ্গীত পৰিচালক হিচাপে। তেওঁ অকণো তৎপৰ নহয়। শ্ৰীবৰুৱাৰ খঙেই উঠিছিল। তেনেতে.... “মোৰ ল’ৰাইক’লে— ‘তই এনেয়ে খং কৰি নাথাকিবি আগতে মিউজকটো শুন’— শুনিলো। তেতিয়া কোৱা নাছিলো যদিও আজি কওঁ—অভিভূত হৈছিলো আৰু এটা কথা বুজিলো জুবিনক তাগিদা দি লাভ নাই— নিজৰমতে কাম কৰিবলৈ দিব লাগে— ফলাফল ভাল হয়।

শ্ৰীমুনিন বৰুৱাই যেতিয়া ‘দীনবন্ধু’ কৰিবলৈ যো-জা কৰিছিল তেতিয়া তেখেতে সেইবাৰ এজন প্ৰবীন পৰিচালকৰ কথা চিন্তা কৰিছিল। জুবিনে কৰবাত

গম পায় এদিন পুৱা শ্ৰীবৰুৱাৰ ঘৰ ওলালগৈ, ক'লে— 'মিউজিক মই কৰিম?' সেই মতেই কাম হ'ল। স্বৰ্গীয় ভবেন্দ্ৰ নাথ শইকীয়াৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁ এই ছবিৰ সঙ্গীত পৰিচালনা আৰু কণ্ঠৰ বাবে কোনো পাৰিশ্ৰমিক নল'লে? 'দীনবন্ধু'ত জুবিনে এটা গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয়ো কৰিলে?। মোৰ বিশ্বাস তেওঁৰ অভিনয় মোৰ দৰে দৰ্শক সকলৰো ভাল লাগিছিল।'

"শেষত জুবিনক কব বিচাৰো ডি-জি মিউজিকত গভীৰ ৰাতি তুমি 'দাগ'ৰ বেকগ্ৰাউণ্ড মিউজিক কৰোতে তোমাৰ কাষত প্ৰায় ডেৰ/দুই ঘণ্টা বহি আছিলো। সুৰ-সৃষ্টিত বিভোৰ হৈ থকা তোমাৰ সেই ৰূপ মই সদায় মনত ৰাখিবলৈ বিচাৰো। আৰু বহুতো সুন্দৰ সুন্দৰ গীত তোমাৰ পৰা 'আমি' শুনিবলৈ বিচাৰো।"

জুবিনৰ গানৰ উৰ্দ্ধমুখী জনপ্ৰিয়তাই তেওঁৰ অনেক শত্ৰুৰ সৃষ্টি কৰিলে। আধুনিক গীত গোৱা জুবিনে লোকগীত-বৰগীত-বিহুগীত গাব নোৱাৰে বুলি ডাঠি কৈ বহুতে অপপ্ৰচাৰত লাগিল। কিন্তু জুবিনে নিজৰ ধৈৰ্য্য আৰু ইতিবাচক ভঙ্গীৰে লোকগীত-বিহুগীত-বৰগীত লেছাৰি এনেকৈ আয়ত্ত কৰিলে যে আধুনিক গীতৰ গায়কসকলৰ বাদেই, বিহুগীত-বৰগীত গোৱা সকলো জুবিনৰ শত্ৰু শিবিৰত সোমাল। অসমৰ জনতাই পিছে বিহুগীত-বৰগীত জুবিনে গালেহে ভাল পোৱা হ'ল। ডেকাচাম বিশেষকৈ পুৰণি চামে সমানেই উপভোগ কৰিবলৈ ধৰিলে, কিন্তু মুখেৰে নকয়। শত্ৰু শিবিৰৰ বেছি ভাগেই জুবিনৰ লগত শঠা মিতিৰালি কৰি উঠা-বহা কৰিবলৈ ধৰিলে।

জুবিনৰ প্ৰথম হিন্দী কেছেট 'চান্দনি ৰাত' মুক্তি দিওঁতে এখন হোটেলত প্ৰেছ মিত দিয়া হৈছিল। সাংবাদিকসকলে জুবিনক কলজেত অশোভনীয় ৰেগিং কৰাৰ দৰে অসভ্য ব্যৱহাৰ কৰিবলৈ ধৰিলে। জুবিনে খঙত একেকোবেই হোটেল এৰি গুচি আহিল। এই কাৰ্য কাৰণৰ প্ৰচাৰ বাহিৰত কেনেদৰে হৈছিল মই ক'ব নোৱাৰো। সাংবাদিক বিদ্যুৎ ভূঞাঁই (যি জুবিনৰ 'অনামিকা' কেছেতৰ মুক্তি পাওঁতেই ততাতৈয়াকৈ এটি সমালোচনা 'দৈনিক অসম'ত লিখিছিল) কয় — "আজুৰি নমাব নোৱাৰা সকলে পৰৱৰ্ত্তী সময়ত সাতোটা গান নিজে গাই এটা গান জুবিনক গোৱাই কেছেটৰ কভাৰত জুবিনৰ ফটো আৰু নাম দি বজাৰ লোৱাৰ বুদ্ধিৰে জুবিনক বিচাৰি ঘূৰ্মুটিয়াই ফুৰাও দেখা পাইছিলো।" আনকি জুবিনৰ বম্বেৰ ঘৰত গৈয়ো এই সকলে হানা দিয়েগৈ।

বিদ্যুৎ কুমাৰ ভূঁঞাৰ আৰু এষাৰ ....“এতিয়া জুবিন অসমৰে নহয়, ভাৰতৰে এগৰাকি জনপ্ৰিয় গায়ক। কিন্তু অত্যন্ত বিশ্বাসেৰে ক'ব পাৰো—জুবিনৰ সম্ভাৱনা এতিয়াও পোহৰলৈ আহিবলৈ বাকী। এইপৰ্যন্ত জুবিনে সঙ্গীতৰ ক্ষেত্ৰত কি কৰিছে, সেয়া সকলোৱে জানে, কিন্তু নাজানে এই ঠাই পাবৰ বাবে জুবিনে কিমান কষ্ট কৰিছে। মই সেই কষ্টৰ কথা জানো বাবেই জুবিনে কি কৰিব পাৰে, সেইলৈহে আশাবাদী আৰু অপেক্ষাৰত।”

****

জুবিনৰ বেছিভাগ গানেই গাঁও আৰু চহৰ জীৱনৰ কথকতা। সুৰতো সেয়ে ঠায়ে ঠায়ে পশ্চিমীয়া সঙ্গীতৰ প্ৰভাৱ আছে। কিন্তু তেওঁৰ সৃষ্টিৰ শিপাই অসমকে খামুচি ধৰি আছে। অসম মানে আগৰ বৃহত্তৰ অসম। সৰ্বাধিক ভাষাৰ গীত নিজ কণ্ঠত বাণীবদ্ধ কৰা শিল্পীজনেই হ'ল জুবিন গাৰ্গ। নিজ মাতৃভাষাৰ উপৰি বড়ো, মিচিং, চাহ জনগোষ্ঠীকে ধৰি অন্যান্য জনগোষ্ঠী, তথা বাংলা, আৰু অন্যান্য প্ৰান্তিয় ভাষাত গীত বাণীবদ্ধ কৰিছে— নিজ মাতৃভাষাৰ দৰেই সাবলিল উচ্চাৰণত। এই বিভিন্ন ভাষা, সুৰ আৰু বাদ্যযন্ত্ৰৰ বৈশিষ্ট্যই তেওঁৰ গানত বিচিত্ৰতা আৰু নতুনৰ সোৱাদ আনিছে। সঙ্গীতৰ সুৰ আৰু সূক্ষ্ম কৌশলৰ খুঁটিনাতি এই লেখকৰ অজ্ঞাত। সেয়ে পাঠকৰ অৱগতিৰ বাবে জনাও জুবিনৰ গীতৰ সুৰৰ দিশটোৰ Technicality ৰ বিষয়ে যথেষ্ট সমালোচনা আগবঢ়াইছে, সঙ্গীত সমালোচক মণি মহন্তই “জুবিন গাৰ্গৰ জীৱনৰ পৰা গানলৈ” (চন্দ্ৰ প্ৰকাশ) নামৰ গ্ৰন্থখনিত। অনুসন্ধিৎসু পাঠকে সেই প্ৰবন্ধটি পঢ়ি চাব পাৰে। এই আপাহতে মণি মহন্তৰ পৰা কেইষাৰ মান কথা উদ্ধৃত কৰিব পাৰি.... “জুবিন গাৰ্গৰ গায়ন শৈলী, শব্দ উচ্চাৰণৰ স্পষ্টতা, শব্দৰ ব্যঞ্জনা সিক্ত আবেদনময় কণ্ঠ, সুৰৰ নতুনত্ব, সঙ্গীত ব্যৱস্থাপনাৰ স্বকীয় ৰীতি আৰু আধুনিক ৰূপত লোক সঙ্গীতৰ সুৰ আৰু থলুৱা বাদ্যযন্ত্ৰৰ প্ৰয়োগ — এই সকলো খিনিৰে সঙ্গম হৈছে শিল্পীজনৰ গান। বিশেষকৈ কুৰি শতিকাৰ শেষ দশকটো জুবিন গাৰ্গৰ গায়ন শৈলী অসমীয়া গীতৰ শ্ৰোতাৰ বাবে হৈ পৰিল এক নতুন অভিজ্ঞতা। বহু কণ্ঠশিল্পীৰ বাবে উচ্চ স্বৰগম স্পৰ্শ কৰাটো কঠিন, দুঃসাধ্যপ্ৰায় যদিও “তাৰ সপ্তক (Soprano) জুবিন গাৰ্গৰ প্ৰগলাভ বিচৰণে অসমীয়া গানৰ শ্ৰোতাক দিলে এক নতুন স্বাদ”। “জুবিন

গার্গে সুখ, দুখ, প্রেম, বিষাদ, ভক্তিৰস, সমাজ চেতনা, মানবীয় চিন্তা ইত্যাদি বিচিত্র ভাব আৰু বিষয়বস্তুক লৈ যেতিয়া গীত লিখিছে, তাৰ ভাব খিনিকো তেওঁৰ কণ্ঠত চমকপ্রদভাবে ফুটাই তুলিছে।”

জুবিনে কৰা প্রথমখন সাংস্কৃতিক অনুষ্ঠানৰ পৰা প্রায় পাঁচশ অনুষ্ঠানত বিভিন্ন পদত পৱিত্র মার্ঘেৰিটা জড়িত হৈ আছে। বন্ধু হিচাপেতো আছেই। তেওঁৰ পৰাই জুবিনৰ বিষয়ে আমি প্রায় নজনা বহুত খবৰ সংগ্রহ কৰা হ'ল। প্রথম আখৰটোৰ পৰা পূর্ণাঙ্গ ৰূপ পোৱালৈকে বহু গীতৰ জন্ম যন্ত্রনা তেওঁ দেখিছে আৰু বহু কথা লক্ষ্য কৰিছে। জুবিন এজন গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, বাদ্যযন্ত্রী, সঙ্গীত ব্যৱস্থাপক, ৰিডম্ আৰু মেলডি এৰেঞ্জাৰ আৰু শব্দযন্ত্রী। গীত লিখি গোৱাৰ পৰা ৰেকর্ডিং কৰি কেছেট উলিওৱালৈকে সকলো কাম জুবিনে অকল কৰিব পাৰে। প্রয়োজন দেখিলে সকলো কাম নিজেই কৰে। অর্থাৎ ষ্টুডিওত কৰিব লগা সকলো কামত “যিটো সর্বভাৰতীয় ক্ষেত্রতে বিৰল।”

অসমৰ বহু শিল্পীয়ে জনগোষ্ঠীয় ভাষা-উপভাষা, আৰু দোৱানৰ ৰূপকথা বা শব্দ ব্যৱস্থাৰ কৰি সুন্দৰ গীত ৰচনা কৰি গাইছে। “আমাৰ বোধেৰে জুবিনেই একমাত্র শিল্পী যি উত্তৰ পূবৰ প্রায় আটাইকেউটা ভাষা উপভাষাত কণ্ঠদান কৰিছে। তাতোকৈ ডাঙৰ কথা হ'ল ইবিলাকত তেওঁৰ উচ্চাৰণ আৰু প্রক্ষেপন শৈলীৰ শুদ্ধতা আৰু প্রতিটো গীতৰেই আকাশলঙঘী জনপ্রিয়তা।”

‘পানৈ-জংকি’ নামৰ মিচিং ছৱিখনৰ গীতটো বাণীবদ্ধ কৰোতে শুনি থকা মিচিং প্রযোজক আৰু লগত অহা মানুহবোৰে কান্দি পেলাইছিল। এইটো জুবিনে গোৱা প্রথম মিচিংগীত। তেওঁৰ প্রথম কেছেট ‘অনামিকা’ৰ ভয়চ ডাবিং কৰোতে সময় লাগিছিল মাত্র চল্লিশ মিনিট। গীত এটা আয়ত্ত কৰি লবলৈ (Internalise) তেওঁৰ অতি কম সময় লাগে।

পৱিত্রৰ পৰাই হিচাপ পোৱা গৈছে যে .... “সংস্কৃত, হিন্দী, পাঞ্জাৱী, বঙালী, গুজৰাটী, তামিল, তেলেগু আৰু অসমীয়া ভাষাৰ উপৰিও জুবিনে কণ্ঠদান কৰা অন্যান্য ভাষা-উপভাষাৰ ভিতৰত অন্যতম হ'ল— বড়ো, কার্বি, দেউৰী, মিচিং, চাদ্রী, চাহ জনগোষ্ঠীয়, নেপালী, ৰাজবংশী, তিৱা, গাৰো, আদি, নিছি, আপতানি আদি।” .... সুৰ-সংগীতৰ অপূর্ব মিশ্রনেৰে এক নতুন ধাৰাৰ সৃষ্টি কৰা জুবিনে গাইছে বৰগীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত,

ঝুমুইৰ, বিহুনাম, নাগাৰা নাম, ঐনিতম, জিকিৰ-জাৰি আদিৰ প্ৰায় পাঁচ সহস্ৰাধিক গীত। জুবিনৰ জৰিয়তে আজিৰ নৱ জন্মই সোৱাদ পালে অসমৰ লোক সংগীতৰ অমিয়া সুৰৰ। সদাশয় পাঠক সকলে জানি আচৰিত হ'ব যে জুবিনে আয়াসতে এদিনত বিছৰ পৰা পাঁচশটা পৰ্যন্ত গীত নিঁখুত ভাবে গাই বাণীবদ্ধ কৰিব পাৰে। সিও এক অভিলেখ।”

****

প্ৰিণ্ট মিডিয়া অথবা ইলেক্ট্ৰনিক মিডিয়াৰ বহুলোকে আমাক জুবিন 'ব্যক্তি' জনৰ বিষয়ে বহুত প্ৰশ্ন কৰে। যিমান জানো বা বুজো সিমান খিনিৰ উত্তৰ দিওঁ। এতিয়া তেওঁৰ বিষয়ে লিখিবৰ সময়ত ভাবিছো সেই খবৰবোৰ শেষ পৃষ্ঠাত সন্নিবিষ্ট কৰিম। এতিয়া জুবিনক অন্তৰঙ্গ ভাবে জনা সহকৰ্মী বা বন্ধুসকলৰ কথা লিপিবদ্ধ কৰো। তেওঁৰ সঙ্গীত জীৱনৰ আৰম্ভণিৰে পৰা একেলগে থকা শ্ৰীদেৱ বৰকটকী। ডি-জি মিউজিকৰ স্বত্বাধিকাৰী। একেই যোৰহটীয়া। দেৱই কয় — 'জুবিন বহুত বেছি দয়ালু। দুস্থজন দেখিলে পাৰ্চ খুলি যিমান আছে সিমানেই দি দিয়ে। আনৰ দুখ দেখিলে সহ্য কৰিব নোৱাৰে। ৰাষ্টাত গাড়ীৰ খুন্দা খাই পৰি থকা মানুহক তুলি নি হস্পিতেল পোৱাইগৈ। পাছত পুলিচৰ জেৰাৰ সন্মুখীন হ'ব লগা হয়। SOS 'শিশুগ্ৰাম'ৰ দুটা শিশুক তেওঁ তুলি লৈছে আৰু সিহঁতৰ খৰচ তেওঁ নিজে বহন কৰি আছে। মেট্ৰিকত এক নম্বৰৰ কাৰণে ষ্টেণ্ড কৰিব নোৱৰা এটা দুখীয়া ল'ৰাক পঢ়াৰ খৰছ জুবিনে যোগায় আছে। মুম্বাইৰ পৰা গুৱাহাটীত নামি পোনছাটেই হস্পিতেললৈ গৈ আহত-নিহতসকলৰ খবৰ লয়। প্ৰলয়ঙ্কাৰী বানপীড়িতসকলৰ সাহায্য বিচাৰি খাদ্য-বস্তু, পানী বিতৰণ কৰি আহে। কেতিয়াবা দুনিশা পৰ্যন্ত নোশোৱাকৈ তেওঁক নিজে ৰাজপথত নামি পৰে। কেতিয়াবা দুনিশা পৰ্যন্ত নোশোৱাকৈ তেওঁক কৰ্ত্তব্যত ব্যস্ত থকা দেখিছো। আমি জুবিনৰ পিতৃ-মাতৃ বুলি নহয়, সকলো শুভাকাঙ্ক্ষীয়েই ক'ব যে এই ধৰণৰ কৰ্মপটুতা মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ বাবে শেহত ক্ষতিকাৰক হবলৈ পাৰে — কিন্তু তেওঁক আমি বুজাব পৰা নাই। তেওঁক তেওঁৰ গ্লেমাৰেও অনেক সময়ত অতিব্যস্ত হবলৈ বাধ্য কৰে। এটা চাইড-লাইট ভনীয়েক জংকি আৰু বন্ধু জয়ন্ত পাত্ৰৰ মৃতদেহ নৱগ্ৰহ চিতাত তোলাৰ

সময়তো অটগ্ৰাফ হাণ্টাৰে তেওঁক খেদিছিল। তেতিয়া তেওঁৰ গ্লেমাৰৰ ওপৰতেই ধিক্কাৰ জন্মিছিল। দেবৰ ভাষাতে— "মোৰ ধাৰণাত জুবিনৰ কোনো ডাৰ্ক-চাইড নাই। আমি এনেকুৱা এক প্ৰতিভা আকৌ পোৱাটো বিচাৰোঁ। কিন্তু এনে প্ৰতিভা এশবছৰত এটাহে জন্ম হয়। জুবিনৰ এই প্ৰতিভা সম্পূৰ্ণ ঈশ্বৰ প্ৰদত্ত। জুবিন নিজৰ প্ৰতিভা আৰু জনপ্ৰিয়তাৰ সদায় শীৰ্ষস্থানত থাকিব।"

****

জুবিনৰ আঁশীৰ দশকৰ সঙ্গীত চৰ্চ্চাৰ যোৰহাটৰ দিনবোৰৰ অন্যতম লগৰীয়া আছিল— সঙ্গীত শিল্পী আৰু অভিনেতা ভগৱৎ প্ৰিতম। যাৰ ফলত জুবিন আৰু অতনুৰ (এতিয়া মুম্বাইস্থিত গীটাৰিষ্ট) অহৰহ সঙ্গীত চৰ্চা চলিছিল। সংগীত আমাৰ ঘৰতেই, কেতিয়াবা অতনুহঁতৰ ঘৰত, কেতিয়াবা আন বন্ধুৰ ঘৰত, নহলে ৰাষ্টাৰ দাঁতিৰ পুলত বহি। আমাৰ ঘৰত হ'লে জঙ্কি মমনেও যোগ দিছিল। মাকে সদায় পৰঠা বনাই খুৱাইছিল। নিজেও গানত বহিছিল। সেই সময়ৰ পৰাই সকলোৱে জুবিনৰ সংগীতৰ প্ৰতি অগাধ প্ৰেম, ভক্তি আৰু অধ্যয়নৰ প্ৰতি স্পৃহা লক্ষ্য কৰিছিল। ইলায়া ৰাজাৰ ভক্ত জুবিন এ-আৰ-ৰহমানৰ 'ৰোজা' ছবিৰ তামিল গীতখিনি শুনি ইমান আপ্লুত হ'ল যে তেওঁৰ অৱচেতনত ৰহমান বিৰাজ কৰিবলৈ ধৰিলে। এ-আৰ-ৰহমানৰ সফলতাৰ ইন্সপিৰেচনে তেওঁৰ মনত প্ৰচণ্ড শক্তিৰ খুঁটি পুতিলে আৰু নিজে ইউকেলিপ্টাছ গছৰ দৰে ওখ হোৱাৰ স্বপ্ন দেখিলে। তেতিয়াই তেওঁ সংগীতৰ পথাৰত দৃপ্ত খোজ দিব পাৰিলেহেঁতেন— কিন্তু মধ্যবিত্তৰ অসুবিধাৰ বাবে নোৱাৰিলে। আমি কিবা কষ্ট পাওঁ বুলি আমাকো সেইবোৰ ইচ্ছাৰ কথা সদৰি নকৰিলে। লণ্ডনত ট্ৰিনিটি কলেজত সঙ্গীত শিক্ষা লোৱাৰ বাবে ফৰ্ম আৰু প্ৰচপেক্টাছ অনালে। যোৱা নহ'ল। হয়তো সেই বিদেশলৈ যোৱাৰ কথাটোত আমিও যোৰ দিব নোৱাৰিলো বা নকৰিলো। কিন্তু তেওঁৰ প্ৰকাশ বিচাৰি হাবাথুৰি খোৱা গানৰ হেঁপাহ আৰু চৰ্চা অব্যাহত আছিল। ভগৱৎ প্ৰিতমৰ পৰা শুনা যায়— "সেইসময় খিনিতেই জুবিনৰ সঙ্গীতৰ ক্ষেত্ৰখনত থকা জ্ঞান অনুশীলন তথা কী-বৰ্ড হিচাপে থকা প্ৰতিভাৰ কথা অসমৰ বিভিন্ন অঞ্চলত প্ৰচাৰ হৈছিল। ...জুবিনে অতি শুদ্ধ ভাবে কী-বৰ্ড সংগত কৰিব পাৰিছিল। তেতিয়াই সি এটা পৰিপক্ক কী-বৰ্ডিষ্ট, তেতিয়া প্ৰায় সকলো শিল্পীয়ে

জুবিনক Accompanist হিচাপে পাব বিচাৰে। আমাৰ তেতিয়াই বিশ্বাস হৈছিল জুবিন এদিন আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন সংগীত পৰিচালক তথা Instrumantalist হ'ব।.... সেই কম বয়সতেই জুবিনৰ সৃষ্টিশীল মনত Western classical ৰ প্ৰায়ভাগ শিল্পীৰেই Inspiration ৰ চাপ বহিছিল। বিশেষকৈ ম'জাৰ্ট আৰু বিটলছ্ আদি মহান শিল্পী সকলক খুব শুনিছিল আৰু অধ্যয়ন কৰিছিল। .... জুবিনৰ প্ৰথম এলবাম 'অনামিকা'ৰ বহুগীত জুবিনে নিচেই কম বয়সতেই সৃষ্টি কৰিছিল। আশীৰ দশকতেই বিভিন্ন ফাংশ্যনত জুবিনৰ সেই গীতৰ বাবে শ্ৰোতাই আগ্ৰহেৰে বাট চাইছিল, 'গান কি আনে' তেতিয়াই হিট্ ছং। এলবামত স্থান পাইছে নব্বৈ দশকৰ প্ৰথম অংশত। প্ৰথম অৱস্থাত কেছেট কৰিব নোৱৰি সি বিমুখ বা নিৰাশ হোৱা নাছিল। এটাৰ পিছত এটা গীত সৃষ্টি কৰিছিল। অসমৰ লোক সংঙ্গীত তথা শাস্ত্ৰীয় সঙ্গীতৰ ফিউচন্ জুবিনে তেতিয়াই কৰিছিল। বিশেষকৈ Pentatonic Scale ত মাজতে এটা বৰ গুৰুত্বপূৰ্ণ ঘটনা ঘটিল। প্ৰীতমে কয় — 'সি বি-বৰুৱা কলেজতো সঙ্গীতৰ বিভিন্ন শাখাত যোগদান কৰি প্ৰথম হৈছে। এনেতে আহিল গুৱাহাটী বিশ্ববিদ্যালয়ত সঙ্গীতৰ সেইদিনা Western song ৰ প্ৰতিযোগিতা। তাক সকলোৱে ক'লে— 'জুবিন তুমি গাই দিয়া।' আচৰিত কথা সি অতি কম সময়তে 'গানে কি আনে' গীতটো ইংৰাজীলৈ অনুবাদ কৰি গাই দিলে আৰু Western Song ত Gold Medal লাভ কৰে। বিচাৰকৰ ভিতৰত এজন আছিল ৰিদীপ দত্ত। ৰিদীপদাই মাতি আনি পৰিচয় লৈছিল আৰু ভূয়সী প্ৰশংসা যাঁচিছিল।... জুবিন এনিশাতে তাৰকা হোৱা শিল্পী নহয়। বহুত ধুমুহা অতিক্ৰম কৰিছে সি। 'ধুমুহাৰ সতে মোৰ বহু যুগৰে নাচোন' শীৰ্ষক গীতটোৱে সেই তপত চকুলোৰ কথাকে দোহাৰে।'

জুবিনৰ বিষয়ে কৈ থাকিলেও শেষ কৰিব নোৱাৰে ভগ্নৰৎ প্ৰীতমে। লিখিও শেষ কৰিব নোৱাৰি। শেষত প্ৰীতমে কয় —'আজি আমাৰ জুবিন আন্তঃৰাষ্ট্ৰীয়শিল্পী, জুবিন আমাৰ গৌৰৱ তথা Inspiration ৰ উৎস। সকলো নতুন প্ৰজন্মৰ শিল্পীৰ বাবে। 'অনামিকা'ৰ পাছতেই মই ছবি জগতলৈ আহিলো। তথাপি আমি লগ হওঁ। লগ পালেই আকৌ সঙ্গীতৰ কথা। মোক সি আকৌ উৎসাহ দিয়ে পুনৰ গীটাৰলৈ ষ্টেজলৈ আহিবলৈ। .... সফলতাৰ উচ্চ শিখৰত উঠিলেও আজিও সি সহজ সৰল সৰু জুবিনটো হৈয়ে আছে। সমাজৰ সকলো

স্তৰৰ মানুহৰ বিপদৰ বন্ধু সি। কায়িক, মানসিক, আৰ্থিক ভাবে সকলোকে বিপদত সহায় কৰাৰ বহু উদাহৰণো জুবিনৰ আছে। মোৰ বাবে জুবিন গণশিল্পী। আজিও জুবিনৰ শিশু সুলভ ব্যক্তিত্বত যি এবাৰ হ'লেও চুই চাইচে তেওঁ কেতিয়াও জুবিনৰ চুম্বকীয় ক্ষেত্ৰৰ পৰা ওলাই আহিব পৰা নাই। নিজেই এটা অনুষ্ঠানলৈ পৰিণত হোৱা জুবিনলৈ বুকুত বহুত মৰম আৰু শুভাশিষৰ টোপোলা গাঠি মই ক'ব বিচাৰিছো ইউকেলিপ্টাছ গছৰ দৰে থিয় হৈ তুমি চুই চাবা আকাশখন। এতিয়া আমাক লাগে তুমি দুহাত মেলি আজুঁৰি আনা ৰাঙলী সুৰুযটো — যিয়ে উজলাই তুলিব অসমী আইৰ সংস্কৃতিৰ বৰ পথাৰখন।"

জুবিনৰ বাবে কিছু গানৰ গীতিকাৰ দিগন্ত ভাৰতী। এখন চিনেমাত সহ-গায়ক হিচাপে লৈ জুবিনে এওঁক গায়ক কৰি পেলালে। তেওঁৰ অনুভৱৰ পৰা জুবিনৰ বিষয়ে মই যেন বহুত নতুন কথা শিকিলো। সোঁৱৰণি খুচৰি দিগন্তই লিখিলে — "স্থিতদীৰ্ঘ পৰিশ্ৰমে গঢ়া সুশোভিত উদ্যান। জুবিনৰ কথা ক'বলৈ কৈ হীৰুদাৰ এই কবিতা ফাঁকি মনত পৰিল। সঁচাই জুবিন স্থিতদীৰ্ঘ পৰিশ্ৰমৰ বলত ফুলি উঠা এখনি বিশাল গানৰ উদ্যান। য'ত তেওঁ লগাইছে কোনোবাটো চুকত প্ৰেম সুবাসী গোলাপৰ গান, বন্ধুত্বৰ অনুৰাগ, সিক্ত মাধবী লতাৰ গান, দুখত কাতৰ খৰিকাজাঁই, সোৰৰা বুটলি অনা বকুল কোমল গীত, উৎসৱ কৰি অনা শেৱালিৰ সুৰ।"

নিঃসঙ্গ কেকটাছৰ উষ্ণ শুকান গুণ্‌গুণনি, ফাগুনৰ শিমলু পলাশৰ ৰঙীন ছন্দ আৰু যে ক'ত কিমান সুৰীয়া উদ্ভিদ। কোনো কামকেই না নোবোলা জুবিন, তেওঁৰ সান্নিধ্যলৈ অহা প্ৰতিজনে বিচাৰি চায় আৰু পায় এটি ৰোমান্তিক আবেদন, যিটো বিদ্যমান তেওঁৰ কথাত, কামত, সুৰত, গানত, আন বহুজন কলাকাৰৰ তুলনাত বেছি কৰ্ম্মসঞ্জীৱনী দেখিবলৈ পোৱা যায় জুবিন গাৰ্গৰ গাত। একে লেথাৰিয়ে নোখোৱাকৈ, টোপনি নমৰাকৈ কাম কৰি থাকিব পাৰে তেওঁ। কাম বুলি .... নতুন সুৰ সৃষ্টিও হব পাৰে। চিনেমা চোৱা বা গান শুনাও হব পাৰে। আকৌ কিতাপ পঢ়াৰ ক্ষেত্ৰত লক্ষ্য কৰিলে একেই গুণখিনিকে দেখা যায়। এই কৰ্ম সঞ্জীৱনী (working spirit) ৰ আঁৰৰ ৰহস্যটো হ'ব পাৰে এটি যোগাযোগ, কিছু কথোপকথন, বিশ্লেষণ, অধ্যয়ন কেতিয়াবা অজ্ঞাত। এই যোগাযোগ বা আড্ডা বিভিন্ন বিষয়ৰ প্ৰতিভাধৰ সকলৰ লগত। শিল্পীৰ মজিয়াত প্ৰতিভাধৰৰ

পয়োভৰ। কেতিয়াবা কোনো অনুভৱী কবিৰ লগত, কোনো দিনা নিপুণ খেলুৱৈৰ লগত, কোনো সময়ত গীতিকাৰ সংগীত শিল্পীৰ লগত. কেতিয়াবা আকৌ সংস্কৃতি হৃদয় কঢ়িয়াই ফুৰা কোনো আৰক্ষী বিষয়াৰ লগত। জ্ঞানবোধৰ লক্ষ্যত উপনিত হবলৈ তাৰ উৎস, সেই ব্যক্তি বিশেষৰ লগত ৰখা যোগা যোগ দহোপুথিগত জ্ঞানকো চেৰ পেলায়। লাগিলে ব্যক্তিজন শত্ৰুৱেই হওক— 'মূৰ্খ বন্ধুৰ মিতিৰালিতকৈ জ্ঞানী শত্ৰুৰ লগত কৰা তৰ্ক কাজিয়া অধিক লাভজনক— কথাটো জুবিনে মাজে মাজে আওৰায়। জুবিন গাৰ্গৰ লগত বিভিন্ন ক্ষেত্ৰৰ প্ৰতিভা ধৰৰ যোগাযোগ বিশ্লেষণ আড্ডাৰ এইনদীখন খৰসোঁতে বৈ থাকক। ই গৈ জ্ঞান প্ৰশান্ত হওক আৰু বিস্তাৰক।" দিগন্তৰ শুভ ইচ্ছাই জুবিনক সহায় কৰক, আমাৰো ইচ্ছা।

জুবিনৰ দৈনন্দিন জীৱনৰ কিছু আমোদজনক ঘটনা ছবি পৰিচালক ৰাজেশ ভূঞাঁৰ পৰা পোৱা যায়। হাজোৰ পৰা এবাৰ আহি থাকোতে শলাৰে খুচি বজাৰত বেচিবলৈ লৈ যোৱা কাছটো দেখি ১৮০০ টকাত কিনি আনি তেওঁ সোণাপুৰৰ স্প্ৰিং ভেলি ৰিজৰ্টত থকা পুখুৰীটোত মেলি দিয়েহি। সেইটো এতিয়াও তাতে আছে। অকল আঘাট প্ৰাপ্ত জীৱ-জন্তুকেই নহয়, তেওঁ ৰাস্তাত হোৱা দুৰ্ঘটনাত পতিত বহু মানুহক গাড়ীত উঠাই নি হস্পিতেলত থৈছে গৈ। গাড়ীয়ে আঘাট কৰা মুৰ্গী পোৱালী উঠাই আনি সুস্থ কৰি বহুদিন তাক কোটৰ জেপত লৈ ফুৰিছিল। পাছত এটা মুৰ্গীৰ পোৱালীৰ জাকত তাক মেলি দিছিল। এই মৰমৰ বিপৰীতে তেওৰঁ খঙৰ ভমকটোও বৰ তেজাল। খং উঠিলে তেওঁৰ পঞ্চাশ কেজি ওজনৰ দেহাটোত কৰবাৰ অদম্য জোৰ আহি পৰে। তেতিয়া তেওঁক শান্ত কৰা বৰ কঠিন। বস্তু বাহানি ভাঙি নিজৰ হাত, শৰীৰ এইবোৰ ক্ষতি, খুন কৰে। এই খংবোৰ অৱশ্যে স্থায়ী নহয়।

নিতান্তই বেয়া কথা আৰু ক্ষতিকাৰক দুঃসাহসিক কাম। জুঁকি কেতিয়াও ল'ব নালাগে। কিন্তু জুবিনক কেতিয়াও মনাব নোৱাৰি। ৰাজেশ ভূঞাঁৰ পৰা দুটামান কাহিনী শুনক। "গাড়ী চলাই ভালপোৱাৰ দৰেই তেওঁ নিশা অ'ত ত'ত ফুৰিবলৈ ভাল পায়। ফাংচন আৰু শুটিঙৰ সময়ত বহু যাত্ৰা আমি নিশাই কৰিছিলো। 'পাকিজা' নামৰ হিন্দী গীতৰ এলবামটিৰ শুটিংৰ সময়তো বহু যাত্ৰা আমি নিশাই কৰিছিলো। বিপদতো পৰিছিলো। আমি ভয় খাইছিলো কিন্তু জুবিনে

ৰং পাইছিল। নিমাতিঘাটৈহে আমি মাজুলীলৈ যাত্ৰা কৰিছিলো। জানুৱাৰী মাহৰ ঠাণ্ডা দিন। নদীৰ ওপৰত কুঁৱলীৰ বাহিৰে একো দেখা নাছিলো। দিশহাৰা হৈ আমাৰ নাওঁ গৈ লাগিছিল কোনো এক অচিন ঠাইত। সহায় বিচাৰি আমি সকলোৱে ফোন কৰিছিলো বিভিন্ন ঠাইলৈ। কিন্তু জুবিনে ভয় খোৱা নাছিল। তেওঁ কৈছিল—‘আজি গোটেই নিশা আমি ইয়াতেই থাকিম। ব্ৰহ্মপুত্ৰৰ বুকুত মানে দেউতাৰ বুকুত। স্ফূৰ্ত্তিতে তেওঁ ব্ৰহ্মপুত্ৰত জপিয়াই দিছিল। তেতিয়া দুপৰ নিশা। ভাগ্য ভাল পানী প্ৰায় একাঁঠুমান আছিল। বালিত আমাৰ নাওঁখন লাগি ধৰিছিল। এনেকুৱা ধৰণৰ স্ফূৰ্ত্তি কৰি তেওঁ ভাল পায়। ভাল পায় পানীত সাতুৰি। কেৰেলাৰ এলেপ্পে হ্ৰদত সৰু জাহাজ এখন লৈ আমি পানীৰ মাজে মাজে ফুৰিবলৈ গৈছিলো। হঠাতে তেওঁ মাজপানীত জপিয়াই দি ৰছীত ধৰি বহু সময় সাঁতুৰিছিল। সিদিনা ‘ৰুমাল’ৰ শ্বুটিং চলি থাকোতে হঠাৎ মান্দাকাটাত সৰু নৈ এখন পাৰ হবলৈ নাওঁ এখন বিচাৰি থাকোতে তেওঁ জপিয়াই দিলে। গাত জেকেট, কঁকালত জিন্স, পেণ্ট, মূৰত টুপী আৰু টুপিৰ ওপৰত চছমা। তেনেকৈয়ে তেওঁ নৈখন সাঁতুৰি পাৰ হৈ গুচি গ’ল। সাগৰত সাঁতুৰিবলৈ আমি দুয়ো এৰোপ্লেনৰ পৰা লাইফ জেকেটো চুৰি কৰিছিলো। আমি মুম্বাইৰ পৰা গোৱালৈ ছবি মহোৎসৱলৈ গৈ আছিলো। এৰোপ্লেনখন সাগৰৰ ওপৰেদি গৈ আছিল। হঠাতে জুবিনে ক’লে যে যদি প্লেনখনৰ হঠাতে কিবা হয় তেন্তে আমি সাগৰত পৰিম। সেই সময়ত লাইফ জেকেট বিচাৰি থকাতকৈ আগতে উলিয়াই থোৱা ভাল। ইফালে মই সাঁতুৰিব নাজানো। সেই জেকেট দুটা মানস ৰবীন আৰু পবিত্ৰ মাৰ্ঘেৰিটা নিবেদিত ‘পখিলা’ এলবামটিৰ ভিডিঅ’টিত গায়ত্ৰী মহন্ত আৰু নয়ন নীলিমক পিন্ধাইছো। অ’ পাহৰিছিলোৱেই, আমি গোৱাৰ ছবি মহোৎসৱলৈ গ’লো ঠিকেই পিছে আমাৰ এখনো ছবি চোৱা নহ’ল।”

যোৱা ডেৰ দশক ধৰি জুবিনৰ লগত কী-বৰ্ড বজোৱা শিল্পী ডনী হাজৰিকা, ঘৰ ডিব্ৰুগড়ত, বৰ্ত্তমান মুম্বাইত স্থিত। অনামিকাৰ ৰিলিজৰ পিচৰ পৰাই তেওঁ জুবিনৰ লগত কী-বৰ্ড বজাইছে। জুবিনৰ লগত তেওঁৰ অভিজ্ঞতা তেনেই ওচৰৰ। তেওঁৰ অভিজ্ঞতাই কয় জুবিন এজন ভাল বন্ধু, উপদেষ্ট, ভাল সঙ্গীতজ্ঞ আৰু এক সদাশয়ব্যক্তি। তেওঁৰ প্ৰতিভা অনন্য। গান লিখি সুৰৰ ভাঁজত মনখোৱাকৈ সজোৱা অতুলনীয় ক্ষমতা আৰু দক্ষতা তেওঁৰ আছে, যাৰ ফলত অতি সাধাৰণ

কথা আৰু সুৰো জুবিনৰ কণ্ঠত মনোহৰা হৈ ধৰা দিয়ে। শ্ৰোতাই উৎকৰ্ণ তন্ময় হৈ শুনি থাকে সেই সুৰৰ ঝংকাৰ। জুবিনৰ কামবোৰ অতি মিহি। অন্যবোৰ শিল্পীৰ দৰে তেওঁৰ কামৰ ধৰণ নহয়। He lives the song. নিষ্ঠা, গুৰুত্ব আৰু সচেতনতা নিজে উপলব্ধি নকৰিলে শব্দেৰে বুজোৱা টান। সেয়ে তেওঁ বিনাদ্বিধাই কয়— জুবিন সঁচা অৰ্থত এজন সঙ্গীত পৰিচালক।

পিছে গোটেই ৰাতি কাম কৰি, দিনত শুই থকা কথাটো আমি বা আন বহুতৰ দৰেই ডনীয়েও পছন্দ নকৰে ই যিহেতু প্ৰকৃতি বিৰুদ্ধ আৰু স্বাস্থ্য হানি কাৰক আৰু পছন্দ নকৰে জুবিনে 'খেল খেল মে' অহেতুক জুঁকি লোৱাটো। কাম কৰাৰ বাবে ৰুটিন এখন বনাই লৈ, সেই মতে কামবোৰ শেষ নকৰা কথাটোৱে সকলোকে অশান্তি দিয়ে। আৰু শেহান্তৰত প্ৰয়োজনতকৈ অধিক সময় একোটা সামান্য কামতে খৰচ হৈ যায়। সময়ত এই অভ্যাসবোৰ সলনি হব আৰু চিৰদিন জুবিন অসমৰ আপুৰুগীয়া সম্পদ হৈ ৰ'ব।

****

১৯৮৯ চনৰ কথা। যোৰহাটত তেতিয়া জুবিন বিখ্যাত হৈ পৰিছিল হাৰমণিয়াম, গীটাৰ, কী-বৰ্ড বা তবলা বাদক হিচাপে। সেই বছৰৰ যোৰহাট কছাৰী ফিল্ডৰ বিহুত প্ৰথম দিনা সীমান্ত সন্দিকৈ নামৰ গায়ক জনৰ লগত সংগত কৰিলে। জীৱনৰ প্ৰথম উপাৰ্জন পয়ত্ৰিশ টকা পাইছিল। প্ৰগ্ৰেমৰ পাছত বেচি ৰাতি হোৱাৰ বাবে জুবিনে লগৰে গৌতমক (এতিয়া মুম্বাইত চাউণ্ড ৰেকৰ্ডিষ্ট) টকাটো ৰাখি থবলৈ কৈ ঘৰলৈ গ'লগৈ। পাছদিনা অৰুণ দাসৰ গীত। তাৰ মাজতে জুবিনে গৌতমক আগনিশাৰ টকা কিটা খুজিলে। গৌতম আৰু অৰুণ দাসৰ গীত শুনাৰ বাবে অধৈৰ্য্য, ইফালে জুবিনে টকা খুজিছে। গৌতমে ক'লে— "Everything, will be done to-morrow, you may go now Zubeen" জুবিনৰ কিছু নিশ্চয় ক্ষোভ হ'ল। সীমান্ত সন্দিকৈক ক'লেগৈ— 'মই পয়চা খুজিলো সি মোক ইংৰাজীত দম দিলে।" যি হওক, তৃতীয় দিনা গৌতমে টকা দিলে পঁচিশ টকাহে। তেওঁ বোলে তাৰে দহ টকা খৰচ কৰি পেলালে। আৰু আগদিনাৰ কথাযাৰৰ বাবে ছৰি বুলি ক'লে। জুবিনে ক'লে — 'কোনো কথা নাই' আৰু টকা পচিশটা আনি বেগত সযতনে ভৰাই ৰাখিলে। তাৰ পিছু বছৰৰ পাছত তেওঁ মানিবেগৰ পৰা সেই পঁচিশ টকা উলিয়াই গৌতমক দেখুৱাইছিল।

জীৱনৰ প্ৰথম উপাৰ্জন তেওঁ খৰচ কৰা নাছিল।

তেতিয়ালৈকে তেওঁ যোৰহাটৰ সৰু Music Group নামৰ দলটোত সংগত কৰিছিল। সেই বছৰেই তেওঁ মজলীয়া আকাৰৰ এখন ভাল কী-বৰ্ড কিনিলে। পুৰণা কেইবাজনো বাদককলৈ Gather Symphony নামৰ সুৰ সমদল খুলিলে। জুবিনে দিয়া নামটোও সকলোৰে পছন্দ হ'ল। যোৰহাটৰ প্ৰভৰাজ চিনেমা হলত এবাৰ এটা ফাংশ্বনত তেওঁৰ দলটোৱেও যোগ দিছিল। ঘোষকে আইটেম ঘোষণা কৰোতে তেওঁৰ দলটোৰ নাম ভুলকৈ Gather Company বুলি ঘোষণা কৰিলে। জুবিনে শুদ্ধকৈ ঘোষণা কৰিবলৈ কোৱাটো তেওঁলোকে চিম্ফণী আৰু কোম্পানী একেই কথা বুলি উৰাই দিব খুজিলে। জুবিন কিন্তু নাছোৰবান্দা। ঘোষকে শেষত শুদ্ধকৈ নামটো ঘোষণা কৰাতহে জুবিনে মঞ্চত উঠিলে। এনেকুৱা তেওঁৰ আত্ম সচেতনতা।

গৌতমহঁত জুবিনৰ লগত জুহুৰ Unity Compound নামৰ ঘৰটোত পাঁচ বছৰ কাল অতিবাহিত কৰিলে। গৌতমে জুবিনৰ Development বৰ ওচৰৰ পৰা আৰু বৰ মনোনিবেশ কৰি লক্ষ্য কৰিছিল। জুবিনৰ গানৰ সুৰ দিয়া, তেওঁৰ দীঘল চুলি, Sports Cycle লৈ ফুৰা, মানুহে তেওঁক 'মডেল' বুলি কোৱা, মুম্বাইত ঘৰ সলনি কৰি আন্ধেৰীলৈ অহা, জুবিনে ভাত, আঞ্জা বনোৱা, ভাল চিনেমা চাবলৈ বহু দূৰ লোকেল ট্ৰেইনত যোৱা, তেওঁৰ think and live in the Present ৰ অনুশীলন কৰা, গানৰ আড্ডা বা মেহফিল কৰি গোটেই নিশা কটোৱা, শেহ নিশা পাকঘৰত যি পায় তাকে খাই শুই থকা, পঁচিশ কিলোমিটাৰ দূৰত ছাৰ্‌নি ৰ'দত গৰিমাক লগ কৰিবলৈ লোকেল ট্ৰেইনত যোৱা আৰু "কেতিয়াবা স্বতঃ স্ফূৰ্ত্তভাৱে তেওঁৰ মুখৰ পৰা গীতৰ সুৰ আৰু কথা ওলাই অহা মই বহুবাৰ দেখিছোঁ।" বহু ৰাতিলৈকে কাম কৰি কৰি কেতিয়াবা আন্ধেৰীৰ পৰা আকৌ পঁচিশ কিলোমিটাৰ আঁতৰৰ ক'লাবাত 'বড়ে মিএগ' ধাবাত খাবলৈ যায়। চিকেন তন্দুৰী আৰু ৰুমালী ৰুটিৰ বাবে খুব বিখ্যাত। চিনেমা জগতৰ মানুহৰ বাৰে খুব আকৰ্ষণীয়।

তফজ্জুল আলিৰ গানটোৰ দৰে.... "খেয়ালি মোৰ মনৰ আকাশ, ক্ষণে ক্ষণে বৰণ সলায়" জুবিনো বৰ খেয়ালি। কাপোৰ ধুই কষ্ট পোৱাৰ বাবে হঠাতে

এদিন পুৱাতেই গৈ এটা ৱাছিং মেচিন কিনি আনিলেগৈ। লোকেল ট্ৰেইন আৰু চিটি বাছত বগাই আমনি লগাত এদিন বেঙ্কৰ পৰা ঋণলৈ এখন 'Ford Ikon' কাৰ কিনি আনিলেগৈ। সেই গাড়ীখন এবাৰ অসমলৈ আহোঁতে এৰোপ্লেনত বুক কৰি ঘৰ পোৱালেহি। সেই গাড়ীখনেই শেষত জঙ্কি আৰু জয়ন্তৰ বাবে মৃত্যু বাহন হ'ল, বালিপাৰাৰ সেই সৰ্বনাশীয়া দুৰ্ঘটনাটোত।

ইতিমধ্যে জুবিনে হিন্দী চিনেমাত গান গাবলৈ আৰম্ভ কৰিছিল। ফিজ চিনেমাত 'মেৰে বতন', কাঁটে চিনেমাত দুটি গীত, আৰু কেইবাখনো চিনেমাত ধ্ৰুপদী আলাপ কৰি বিশেষকৈ 'দিল সে' চিনেমাত এ-আৰ-ৰহমানৰ লগত আলাপ কৰি বেছ জনপ্ৰিয় হৈ উঠিল। আলাপ থাকিলেই জুবিনে কল পোৱা হ'ল। হিমেশ ৰেশমিয়াৰ এখন চিনেমাত আলাপ কৰিবলৈ ক'ল পালে। গ'ল, কাম কৰিলে, মাননীও পালে। দুদিনৰ পাছত আকৌ ফোন আহিল, আৰু এটা গানত আলাপ কৰিব লাগে। জুবিনৰ খং উঠি গ'ল। পাছত মাননী দুগুণ কৰি দিয়াত সেইটো আলাপো কৰি দিলে। তৃতীয়টো গানত আলাপ কৰিবলৈ মাতোতে নগ'ল। জুবিনে ক'লে গান ভাল পাইছে যদি গান গাবলৈ দিয়ক, নহলে নাযাওঁ। তেওঁ নগ'ল। এইফালৰ মানুহক সেই ফালৰ প্ৰযোজক সকলে সহজে সুযোগ দিবলৈ আগ্ৰহ নকৰে।

মুম্বাইৰ M.B. Studio ত গৌতম Sound Recordist। প্ৰীতমৰ সঙ্গীত পৰিচালনাত Gangstar ছবিৰ সঙ্গীতৰ কাম চলি আছে। চিনেমা খনৰ মূল গান 'য়া আলি'ৰ ৰেকৰ্ডিং কেইবাজনো গায়কৰ কণ্ঠত ৰেকৰ্ডিং কৰা হ'ল। প্ৰীতমৰ কিন্তু এটাও পছন্দ নহ'ল। পিছত নিজে গালে। এদিন পুৱতি নিশা এইগানৰ ব্যস্ততাৰ মাজতেই প্ৰীতমে গৌতমক ক'লে— য়া আলি ষ্টৈটো বজোৱাচোন, বজোৱা হ'ল। প্ৰীতমৰ নিজৰ কণ্ঠও পছন্দ নহ'ল। গৌতমক সুধিলে— ইয়াতকৈ ভালকৈ গাব পৰা কোনোবা আছে নেকি? গৌতমৰ জুবিনলৈ মনত পৰিল। ভাগ্যক্ৰমে জুবিন তেতিয়া মুম্বাইতে আছিল। পুৱা তিনি বজাত জুবিনলৈ ফোন গ'ল। পিছদিনা আবেলি M.B. Studio ত জুবিনক গানটো শুনোৱা হ'ল। তেওঁ গানটো শুনি ক'লে— "এইটো মোৰ গান। মই ভালকৈ গাব পাৰিম।" জুবিনৰ আত্মবিশ্বাস দেখি সকলো অবাক হ'ল। গানটো শিকি মাথো ডেৰ ঘণ্টাত জুবিনে ৰেকৰ্ডিং সম্পূৰ্ণ কৰিলে। ইয়ো এক অভিলেখ। তাৰ পাছত ইতিহাস

সৰ্বজনবিদিত আৰু সৰ্বজনপ্ৰিয়। গৌতমে কয়— "এটা কথা মই মন কৰিছো যে আজিলৈকে তাক মই বৰ বেছি একো সলনি হোৱা দেখা নাই। আজি জনপ্ৰিয়তাৰ শীৰ্ষত থকা এই জুবিন সেই আগৰ জুবিন হৈয়েই আছে।"

****

জুবিনক মই কেনেকৈ জানো? কোনো সঁজুলি নাই যে এজন মানুহক তাৰ সহায়েৰে অনুবিক্ষণৰ দৰে ছালি জাৰি চাব পাৰি। ব্যক্তিগত ভাবে জনাখিনিৰ বাদে আৰু আছে সহকৰ্ম্মী, সহপাঠীসকলৰ একান্ত অনুভৱ। 'দীনবন্ধু' চিনেমাৰ শ্বুটিংৰ সময়ত ব্যৱসায়ী গোপাল জালানো সহকৰ্ম্মী হৈ ইউনিটটোত আছিল। প্ৰথম দৃষ্টিত বৰ কঠোৰ যেন লগা জুবিনৰ প্ৰতি তেওঁৰ অনুভৱৰ আমূল পৰিবৰ্ত্তন ঘটিল। একাত্মতা বাঢ়ি গ'ল। নিচেই ওচৰত থাকি তেওঁ অনুভৱ কৰিছে যে জুবিনৰ কণ্ঠ যিমান মিঠা, তেওঁৰ আচাৰ ব্যৱহাৰো সিমান মিঠা। মানুহক আপোন কৰি লয়। এইটো তেওঁৰ গভীৰ বিশ্বাসত পৰিণত হৈছেগৈ। নিজৰ কৰ্ম্ম আৰু দায়িত্ব সম্পাদনত যিমান কঠোৰ হব লাগে সেই পৰ্যায়লৈকে যাব পাৰে, খোৱা-শোৱা বাদি দি। টেনছন্ নোলোৱাকৈ নিৰ্দিষ্ট বিষয়ৰ আবৰ্ত্ত বা তাৰ সীমা অতিক্ৰম কৰি হ'লেও কামটো সিদ্ধি কৰিছিল। কোনো অহংকাৰ বা আত্ম অভিমান নথকাৰ কাৰণেই তেওঁ ইমান মানুহৰ প্ৰিয়। সুৰতো তেওঁৰ সন্মোহিনী গুণৰ প্ৰভাৱ পৰে। "গীতৰ মাজেৰে, কথাৰ মাজেৰে, আচৰণৰ মাজেৰে মানুহৰ অন্তৰত দাগ কাটি থব পৰা জুবিন চিৰসেউজ কণ্ঠেৰে জন অৰণ্যৰ সমুজ্জ্বল পলসত উজ্জ্বল ভাস্কৰ ৰূপে প্ৰতিভাত হৈ ৰ'ব।" আজিৰ অসমৰ ব্যতিক্ৰমী সুৰৰ ধাৰাৰ সৃষ্টি কৰ্তা জুবিনে শৈশৱ, কৈশোৰ আৰু যৌৱনৰ প্ৰতিটো পৰিঘটনাৰ দ্বাৰা উদ্বুদ্ধ হৈ গীত লিখে, সুৰৰ সৃষ্টি কৰে। মাতৃৰ প্ৰতি উৎসৰ্গীকৃত 'পাখি' কেছেট তাৰ এটা সামান্য উদাহৰণ। জালানেও উপলব্ধি কৰিছো যে—"জুবিন গাৰ্গ — ব্যক্তিগত জীৱনত সদায় উৎপাত কৰি ভালপোৱা এটা মৰমিয়াল ঘৰুৱা ল'ৰা। পৰিয়ালৰ প্ৰতি সংবেদনশীল জুবিনে ব্যস্ততাৰ মাজতো ঘৰত থাকিলে দেউতাকৰ লগত শুই ভাল পায়। ষ্টুডিঅ'ত কাম কৰি থকাৰ মাজতো ঘৰৰ মানুহে ভালপোৱা খোৱা বস্তুৰ অৰ্ডাৰ দি ঘৰলৈ পঠাবলৈ নাপাহৰে। বৰশিৰে মাছ মাৰি ভাল পোৱা জুবিনে ঘৰৰ মানুহ বা বন্ধু-বান্ধৱৰ সৈতে বৰশী বাবলৈ যায় মাজে মাজে।"

মৰমৰ ভগ্নী, বন্ধু আৰু তেওঁৰ গানৰ প্ৰথম সমালোচক জংকিৰ (মাইনাৰ) মৃত্যুত জুবিন মৰ্মাহত হৈছিল। জংকিৰ তেজ লাগি থকা হাত ঘড়ীটো চেল'টেপ লগাই আজিও সাঁচি থৈছে, কাকো হাত দিবলৈ নিদিয়াকৈ। কেতিয়াবা দুখত ভাগি পৰিলে কৈ উঠে— "মোৰ যদি বহুত পইচা থাকিলেহেঁতেন মোৰ ভন্টিৰ ক্ল'ন বনাই তাইক জীয়াই তুলিলোহেঁতেন।" কেতিয়াবা ৰাতি কাকো নোকোৱাকৈ নৱগ্ৰহ শ্মশানৰ ভণীয়েকৰ চিতা জলোৱা ঠাইত গৈ উচুপি কন্দা জুবিনে কয়— "মাইনা মোৰ বাবে কেতিয়াও নুশুকুৱা এটুকুৰা ঘাঁ....।"

পত্নীৰ লগতো মধুৰ সম্পৰ্ক জুবিনৰ। মাক-ভনীয়েকক হেৰুৱাই মৰ্মন্তু হোৱা জুবিনক সদা-সৰ্বদা সংগ দি জীপাল কৰি ৰাখিবলৈ গৰিমাৰ চেষ্টা আৰু কষ্টৰ অন্ত নাই। সেইবাবেই শুভাকাংক্ষীয়ে কয়— "গৰিমা জুবিনৰ দুখৰ দিনৰ লখিমী।" (এই নামটো বৰ্ত্তমান লিখকৰ প্ৰথম কবিতা সংকলনৰ নাম)।

হিন্দী চিনেমাত সংগীত পৰিচালক হোৱাৰ উপৰিও, অসমৰ চহকী গীত মাতবোৰ বিশ্ব-দৰবাৰলৈ নিয়াৰ হেঁপাহ জুবিনৰ। জুবিনৰ আৰু মহান ইচ্ছা আছে, অসমৰ চুকে কোণে সোমাই থকা সকলো ধৰণৰ সঙ্গীত আৰু সংগীত শিল্পীক একেখন মঞ্চতে সমবেত কৰি এখন 'সংগীত মহাসভা' গঠনৰ কাম। জালানে কয়— "ভগৱন্তই যেন তেওঁৰ আশা পূৰণ কৰে।"

****

স্কুলীয়া সহপাঠী আৰু আজীৱন বন্ধু হেমচন্দ্ৰ পাঠকৰ অনুভৱ বৰ অন্তৰঙ্গ। ১৯৮৮ চনত জুবিন হেমচন্দ্ৰহঁত এৰা এৰি হ'ব লগা হ'ল। তেওঁলোকৰ মেট্ৰিক পৰীক্ষাৰ পাছতেই আমি চাকৰিৰ বদলি হোৱাত যোৰহাটৰ ঘৰলৈ নিগাজিকৈ গুচি আহিলো। জুবিনে বন্ধুৰ অ'টগ্ৰাফত লিখিলে— ৰুবি সিংহৰ সেই গীতটো যিটো জুবিনে নিজেও পাছলৈ কেছেটত গাইছে— "বন্ধু মেলি দে তোৰ দুখৰ দুখনি হাত, এবাৰ জিৰাওঁ তোৰ বুকুৰ শীতল ছাঁত।" কিছুদিন আঁতৰা আতৰি হৈ জুবিন বি-বৰুৱা কলেজত পঢ়িবলৈ অহাত হেমচন্দ্ৰক আকৌ পালে। জুবিনৰ তেতিয়া দীঘল চুলি, নতুন চশমা (এইখিনিতে কৈ থোৱা ভাল জুবিনৰ লেন্সৰ পাওৱাৰ s.s, পাছলৈ Contact lense লৈছিল), হাতত কী-বৰ্ড। তামুলপুৰৰ দৰেই গুৱাহাটীতো পুনৰ সংগীতৰ চৰ্চা আৰম্ভ হ'ল। উজান বজাৰৰ যিজন

মোমায়েকৰ ঘৰত থাকি পঢ়িছিল তেওঁলোকে অনবৰত কী-বৰ্ডখন লৈ ঘূৰি-ফুৰা ল'ৰাটোক দেখি ঠাট্টাও কৰিছিল। একো নহ'বগৈ বুলি কৈছিল— "মিউজিকত লাগি আছা বুলি বুজিছো। কিন্তু কি কৰি আছা?" তেওঁলোকে অন্তৰ আত্মাৰ কথা নাজানিছিল। তেওঁলোকে ভাবিছিল জুবিন গুৱাহাটীত সময় কটাবলৈ অহা লগ। তেতিয়া জুবিনে অন্য শিল্পীৰ লগত কী-বৰ্ড বজায়। এদিন এজন শিল্পীৰ নিৰ্ধাৰিত কাৰ্যসূচীত জুবিন উপস্থিত হব নোৱাৰিলে। কিছু হয়তো পিছত বাক্ বিতণ্ডা হ'ল। জুবিনে সেই শিল্পী এৰিলে। খণ্ডত একো নাই হৈ হেমচন্দ্ৰৰ হোষ্টেল ৰুমলৈ আহি ক'লে— 'দেখুৱাই দিম মই তাক।'

হেমচন্দ্ৰই কৈছিল — "অহঙ্কাৰ নকৰিবি।" সি কৈছিল— "অহংকাৰ নহয় Self Confidence will be the base of my success, within 2000 Zubeen Garg will be the Substance' এই কথাখিনি মই সাজি কোৱা নাই। তাক এতিয়া অকল অসমবাসীয়েই নহয়, সমগ্ৰ দেশেই দেখিছে। .... ১৯৯৩ ৰ পাছতেই যেন জুবিনৰ নতুন পৰিক্ৰমা আৰম্ভ হ'ল। লুইতৰ ঘাটেৰে গাঁৱলীয়া বাটেৰে পৃথিৱী জয় কৰাৰ এক দীঘলীয়া পৰিক্ৰমা। ... আমাৰ শেষ কৈশোৰ আৰু প্ৰাক্ যৌৱনৰ সময় ছোৱাত জুবিনক বন্ধু বা সহপাঠী হিচাপে পোৱাটো আমাৰ বাবে এক অনন্য অভিজ্ঞতা। আজি জুবিনক সমগ্ৰ দেশৰে পৰিচিত শিল্পীৰ আসনত ৰাখি মই এই কথা কোৱা নাই। কৈছো নাতিদীৰ্ঘ জীৱনৰ অভিজ্ঞতাৰ পৰা। মানুহ হিচাপে, শিল্পী হিচাপে জুবিন অনন্য। নিজৰ মতে চলা অভিমানী মানুহ। .... জুবিন এতিয়া একধাৰা। সাংগীতিক ধাৰা, বিশাল সাগৰমুখী ধাৰা, ইমান সন্মান, ইমান খ্যাতি, তথাপি এতিয়াও জুবিন চৰৈৰতী, চৰৈৰতী, !! সেয়ে হয়তো তেওঁৰ বন্ধু-বান্ধৱ, সহকৰ্মী, এবাৰ ওচৰৰ পৰা পোৱা ব্যক্তিসকলে তেওঁৰ সৈতে সদায়েই একেই আত্মীয়তা, একেই সহৃদয়তা অনুভৱ কৰে।

****

কিমান যে ধুমুহা গৈছে জুবিনৰ ভিতৰেদি, জুবিনৰ জীৱনৰ ওপৰেদি। আৰ্থিক, মানসিক, সংগীত বিষয়ক আৰু অনেক। সাধাৰণ মানুহে পৃষ্ঠভঙ্গ দিয়াৰে কথা। কিন্তু ভগৱন্তৰ কৃপাত জুবিনৰ মনোবল অত্যন্ত দৃঢ়। সেয়ে তেওঁৰ জীৱন জয়ৰ সঁচাৰ কাঠি। জংকি আৰু জয়ন্তৰ দুৰ্ঘটনাত মৃত্যু হোৱাৰ দিনা ৰাতি

বালিপাৰাত ৰাষ্টাত থিয় হৈ চিঞঁৰি চিঞঁৰি পাৰ হোৱা গাড়ীবোৰ ৰখাৰ চেষ্টা কৰা, কোনোবা এখন গাড়ী ৰ'লত তাত মৃতদেহ দুটা বোজাই কৰা, গুৱাহাটীৰ ডি-জি-মিউজিক ষ্টুডিঅলৈ অনা, পিছদিনা নৱগ্ৰহত শৱদাহ কৰা, তাৰ পাছত ক্লিষ্ট, অৱসান, ভাঙি যোৱা মন লৈ খানাপাৰাৰ আমাৰ কোৱাৰ্টাৰলৈ ঘুৰি আহি বিছনাত পৰি দিয়ালৈকে তেওঁৰ শৰীৰ ৰিজু হৈ আছিল। অগনন শুভাকাংক্ষীৰ সমবেদনা আৰু চকুৰ পানী দেখিছেহে তেওঁ ভাগি পৰিছিল। আগতে মুম্বাইত মাকক চিকিৎসা, মৃত্যুত যাবতীয়া কৰ্মকাণ্ড সকলো তেওঁ নিজেই সম্পন্ন কৰিছিল। আমি গৈ সৎকাৰৰ আগে আগে পালোগৈ যদিও আমাক শ্মশানলৈ যাবলৈ নিদিলে। কিজানি দুৰ্বল হওঁ, ভাগি পৰোঁ। পাছত তেওঁ সকলোখিনি মাতৃভক্তি আৰু মৰম 'গুপুতে গুপুতে' নামৰ গীতটোত ঢালি দিছিল।

তেওঁৰ অদ্বিতীয় মানসিক দৃঢ়তাৰ চানেকি আৰু পোৱা যায় তেওঁৰে বন্ধু সুশান্ত কোঁৱৰৰ পৰা। "জুবিনৰ লগত এবাৰ মোৱাবাৰীৰ ফাংচন এখনলৈ গৈছিলো। অনুষ্ঠানত ইমানেই মানুহ হৈছিল যে দেখি আচৰিত হৈছিলো। বাছ, ট্ৰাক, সৰু সৰু গাড়ীৰ উপৰি চাইকেল বা খোজকাঢ়িও দৰ্শক আহিছিল। পুৱাই পুৱাই আমি গুৱাহাটীলৈ ঘুৰি আহিছিলো। জুবিন আহিছিল জাগীৰোডৰ এজন বন্ধুৰ লগত। আমি বাকীবোৰ বাছখনত আহি আছিলো। কিন্তু জখলাবন্ধাত জুবিন অহা গাড়ীখন এক্সি'ডেণ্ট হৈ থকা দেখা পালো। গাড়ীখনৰ অৱস্থা ইমানেই বেয়া আছিল যে তাত থকা আৰোহী বিলাকৰ কি হ'ব পাৰে বুলি ভাবি আমাৰ চকুপানী ওলাইছিল। আমি গম পালে যে গাড়ীত থকা মানুহক নগাওঁ হাস্পতাললৈ নিয়া হৈছে. হাস্পতাললৈ গৈ দেখো যে তাত বহুত মানুহ বৈ আছে। আমাৰ আৰু বেয়া লাগিল। কিন্তু আমি সোমাই যোৱাৰ লগে লগে জুবিন হাঁহি মাৰি বাহিৰলৈ ওলায় আহিল। তেতিয়া সকলোৰে মুখত হাঁহি বিৰিঙিছিল। ওপৰত থকা জনক ধন্যবাদ জনাইছিলো। তাক লৈ আমি আমাৰ বাছখনত গুচি আহিলো। ইমান ডাঙৰ এটা ঘটনা হোৱাৰ পাছত যেতিয়া আমি মনে মনে আহি আছিলো তেতিয়া জুবিনে সেই ঘটনাটোক লৈ কৌতুক আৰম্ভ কৰিলে। পাছৰ ছিটত বহি থকা কেইজন কেনেদেৰ আহি আগছিটত পৰিল সেইটোৰেই হাঁহিৰ কাৰণ। সেয়ে জুবিনে কেবল গাড়ীৰ গ্লাছত খুন্দা খাই মুৰত দুখ পাইছিল আৰু ছেলাউৰিৰ ওপৰত ১৪টা চিলাই পৰিছিল সেই দাগ আজিও

আছে। ইয়াত এটা কথা গম পালো যে জুবিন মানসিকভাৱে কিমান দৃঢ়। ই এটা সাংঘাতিক ইতিবাচক দিশ জুবিনৰ।"

জুবিনৰ প্ৰকৃতি প্ৰেমৰ অনেক দৃষ্টান্ত আছে। বহুত কলেজ, অনুষ্ঠান বা নিজৰ ঘৰৰ বাৰীত একেদিনাই দুশ গছ ৰোৱা, বা বছেৰেকত ত্ৰিশ হাজাৰ গছপুলি ৰোৱাৰ লক্ষ্য এইবোৰ তেওঁ ক্ৰমান্বয়ে কৰি আহিছে। জীৱ-জন্তুৰ প্ৰতি মৰমৰ অনেক উদাহৰণ আছে। এবাৰ তেওঁলোকে শিৱসাগৰৰ পৰা প্ৰগ্ৰেম কৰি ঘূৰি আহোঁতে মিছাত চাহ ৰুটি খাবলৈ দোকানত সোমাল। "চাহ খাই থাকোতে দেখো জুবিন নাই। তাক বিচাৰি গ'লো। গৈ দেখো এজন মানুহৰ লগত কথা পাতি আছে। তেওঁৰ কাষত কেইটামান শৰালি হাঁহ। সি আটাইকেইটা কিনি মোৰ হাতত দি বাছত থবলৈ ক'লে। আমি ভাবিলো ক'ৰবাত নিশ্চয় ৰন্ধাৰ বাবে লৈছে। আমি যোৰহাট পালোগৈ। তাত আমি হাঁহকেইটা নি জংকি আৰু পামীৰ হাতত দিলো। দুয়ো খুব স্ফূৰ্ত্তি পালে। মায়ে আমাক চাহ ৰুটি দিয়াৰ পাছত জুবিন, জঙ্কি আৰু পামীয়ে চৰাইকেউটা ঘৰৰ পাছফালে থকা এটা খাৱৈ জাতীয় পুখুৰীত মেলি দিলে। বহু দেৰি জুবিনহঁতে সিহঁতৰ লগতে কটালে। তাৰ পাছত আমি নাজিৰালৈ গুচি আহিলো। বহুদিনলৈকে চৰাইকেইটা তাত থাকিল। এদিন নাইকীয়া হ'ল। কিয়েইবা হ'ল? সেইঘৰখনো বৰ্ত্তমান নাই। এতিয়া জুবিন জঙ্কিহঁতক বিচাৰি আহে যদিও নাজানো। ..... সি যেতিয়া সুৰ নিৰ্মাণ কৰি থাকে তেতিয়া একান্তভাৱে নিজৰ মাজত সোমাই থাকে। এবাৰ বাথৰুমৰ পৰা গা-ধুই কাপোৰ নিপিন্ধাকৈ ওলায় আহিছিল। এজনে চিঞঁৰি দিয়াতহে আকৌ বাথৰুমত সোমাল গৈ।.... ষ্টেজৰ পিছফালে আহি বহুতো ল'ৰা-ছোৱালীয়ে জুবিনৰ ভৰিত ধৰি সেৱা কৰা দেখিছো। মাক-বাপেকে ল'ৰা-ছোৱালী তেওঁৰ নিচিনা হ'বলৈ জুবিনৰ পৰা আশীৰ্বাদ বিচাৰে। মই ভাবিলো জুবিন এতিয়া বহুত উচ্চ খাপৰ শিল্পী। কিন্তু মানুহটো সদায় সৰল, আন্তৰিক। সকলোকে সমানে আদৰ কৰে। পুৰণিৰ শ্ৰদ্ধা, নতুনক আদৰ। জুবিন একেই আছে। আৰু গায়ক নহলে ক্ৰিকেট খেলিম বুলি ভবা জুবিন অহিংসাত বিশ্বাসী। সি দালাই লামাৰ অনুৰাগী।"

****

অসমীয়া ভক্তিগীতৰ সুৰ আৰু শব্দ প্ৰথমবাৰলৈ শুনা গ'ল। হিন্দী, ইংলিছ ছবি, 'ষ্ট্ৰীংছ'ত জুবিনৰ 'ব্ৰহ্মা আদি কৰি য'ত জীৱ, ৰাম ৰাম ৰাম ৰাম' বোলা

প্ৰাৰ্থনাটোত। অসমৰ লোক-সঙ্গীতক এক পৰিমাৰ্জিত ৰূপত বিশ্ব দৰবাৰলৈ নিয়াৰ প্ৰচেষ্টা। অৱশ্যে আগতে তেওঁ ভাৰ্জিন ৰেকৰ্ডছ (লণ্ডন)ৰ ভূমি নামৰ কেছেটটোত শ্ৰীশঙ্কৰদেৱৰ 'শুন শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা ..... ' বৰগীতটো গাইছিল। ষ্ট্ৰিংছ ছবিখনৰ সঙ্গীত পৰিচালনাৰ উপৰিও মুঠ পাঁচটা গীতত কণ্ঠদান আৰু দুটি গীতত অভিনয়ো কৰিছে। গেংষ্টাৰৰ 'য়া আলি'ৰ দৰে। ষ্ট্ৰিংছত জুবিনৰ লগতে অসমৰ অনিন্দিতা পাল, বৃষ্টি আৰু অংগৰাগেও কণ্ঠ দান কৰিছে। বিহাৰৰ বিদ্ৰোহী কবি নাগাৰ্জুনৰ বহু বিতৰ্কিত আৰু নিষিদ্ধ কবিতা 'ওঁম' জুবিনে সুন্দৰকৈ পৰিবেশন কৰিছে। এইছবিখনৰ বিষয়ে জুবিনে কয়— "সঞ্জয় ঝা পৰিচালিত ষ্ট্ৰিংছ মূলতঃ এখন অফ্‌বিট্ ছবি। ভাৰতীয় আধ্যাত্মিক ভাবধাৰা প্ৰতিফলিত কৰা বৃহৎ উৎসৱ কুম্ভমেলাৰ আধাৰতে ছবিখন নিৰ্মাণ কৰা হয়। ছবিখনৰ যোগেদি কুম্ভমেলাৰ লক্ষ্য লক্ষ্য ধৰ্মপ্ৰাণ ভক্তক ভিছুৱেল পৰ্দাত ধৰি ৰখা হয়।" সেয়ে প্ৰেম বিশ্বাস, ধৰ্মীয় পৰম্পৰা আৰু সমন্বয়ৰ বান্ধোন ষ্ট্ৰিংছৰ কাহিনীত বিদ্যমান। প্ৰবন্ধকাৰ মাণিক ৰায়ৰ মতে— "শব্দৰ খনিকৰ, কণ্ঠ-সুৰৰ যাদুকৰ এগৰাকী প্ৰকৃত শিল্পী জুবিন গাৰ্গ আজি বিশ্ব সংগীত জগতৰে এক চিনাকি নাম।" শ্ৰীৰায়ৰ পৰাই সংগৃহিত জুবিনৰ হিন্দী চিনেমাৰ হিচাপটো উল্লেখ কৰিবলৈ মন গ'ল। "জুবিনৰ কণ্ঠত মুক্তিপ্ৰাপ্ত ষষ্ঠখন হিন্দী ছবি 'গেংষ্টাৰ'ৰ পিছতে জনপ্ৰিয় শিল্পী গৰাকীয়ে বৰ্তমানলৈকে প্ৰায় যাঠিখন ছবিত কণ্ঠদান কৰিছে। তাৰ ভিতৰৰ উল্লেখ্য আৰু জনপ্ৰিয়তা লাভ কৰা ছবি কেইখন হ'ল— মণিৰত্নমৰ 'দিল চে', 'আই চি-ইউ' সৌৰভ শুক্লাৰ 'মুদ্দা', প্ৰীতিশ নন্দীৰ 'প্যাৰ কা চাইড এফেক্ট', ছানি দেউলৰ 'বিগ ব্ৰাদাৰ' বিক্ৰম ভাটৰ 'ৰহ লম্‌হে', সুধাংশু পাণ্ডেৰ 'দেখ মিল গয়া', 'হনিমুন ট্ৰেভেলছ প্ৰাঃ লিমিটেড, 'স্মৃতা থাকৰেৰ 'কেইচে কঁহু', হিমেশ ৰেশ্বমিয়াৰ 'নমস্তে লণ্ডন', 'ঝুম বৰাবৰ ঝুম'। তদুপৰি 'বচ একপল, চুবহ চুবহ, জিমি, মৌজ' ইত্যাদি। এ-আৰ-ৰহমান আৰু সুভাষ ঘাইৰ লগতো কাম কৰিছে জুবিনে। ইছমাইল দৰবাৰৰ লগত 'ৰাছিয়া সাজন' —এই ইছমাইল দৰবাৰেই কৈছিল জুবিনৰ বিষয়ে 'বহু কুদৰত কা দেন হ্যায়'। অনুমালিকৰ সঙ্গীত পৰিচালনাতো তেওঁ গীত গাইছে। হিন্দীত এছ-ডি-বৰ্মনৰ ৰিমেক্' এলবাম, জিন্দেগী, পাকিজা, বাংলা ছবি 'শুধু তুমি' আৰু 'মহাৰথী'ৰ কণ্ঠ আৰু সঙ্গীত পৰিচালনা, এলবাম 'তুমি', পুনৰ ছানি দেউলৰ ছবি 'আপনে আপনে'ত পাঞ্জাৰী গীত, হিন্দীৰ সঞ্জীৱ দৰ্শনৰ নতুন

নাম নোহোৱা ছবি খনতো জুবিনে গীত গাইছে। এতিয়ালৈকে দুকুৰিমান ছবিত কাম কৰা জুবিনৰ কেছেটৰ সংখ্যা প্ৰায় পোন্ধৰশ আৰু গীতৰ সংখ্যা দহহাজাৰতকৈ বেছি। ততোধিক বাপ্পী লাহিড়িৰ সংগীত পৰিচালনাত 'দৰ্দ-এ-ডিস্ক' নামৰ ছবি খনত তেওঁ দুটা গীতত কণ্ঠ নিগৰাইছে। আৰু এখন তেলেগু ছবিত। তেওঁৰ নিজৰ সংগীত পৰিচালনাৰ এতিয়া, কেইবাখনো ছবি নিৰ্মিত হৈ আছে— প্ৰখ্যাত কবি ডঃ কুমাৰ বিশ্বাসৰ 'জানিয়া', সুদীপ্ত আচাৰ্য্যৰ নাম স্থিৰ নোহোৱা ছবিখন, ভাস্কৰ শৰ্ম্মাৰ 'ইউ আৰ নট মাই জুলি, বিদ্যুৎ কটকীৰ (As The River Flows)। জুবিনৰ পৰিকল্পনাত আৰু নিজৰ ছবি 'চক্ৰ'— য'ত হিন্দী আৰু অসমীয়া ছবিৰ শিল্পী সকলে কাম কৰিব। .... অগনন যুৱক-যুৱতীৰ 'ৰল-মডেল' জুবিন। তেওঁ নিজে বি-বৰুৱা কেন্সাৰ ইন্সটিটিউটকে ধৰি বহু বিয়াগোম কোম্পানীৰ ব্ৰেণ্ড এম্বেছেডৰ।"

****

'নবৌ ঐ মোলৈ এজনী ছোৱালী চালি নে নাই' — এইটো মানস ৰবিনে লিখা বিহু সুৰীয়া গীত, সেইহে জুবিনে। এই গীতটোৰ জনপ্ৰিয়তাই মানসৰ জীৱন সলনি কৰি দিলে। গীত ৰচনা বা গায়কৰ স্মাৰ্ট আৰু ষ্টাইলিষ্ট প্ৰক্ষেপনৰ আৰ্ট জনা জুবিনৰ বিষয়ে মানসৰবিনৰ অভিমত এনে ধৰণৰ .... 'জুবিন গাৰ্গৰ গীতবোৰ আনতকৈ বহুত বেলেগ। তেখেতে বেলেগ কিবা এটা বিচাৰি ফুৰে, গীতৰ শব্দত, সুৰত, কাপোৰত খাদ্যত সকলোতে। অদ্ভূত তেখেতৰ পছন্দ। তেওঁ খেয়ালী, অন্যমনস্ক, আত্মমগন, স্থিতপ্ৰজ্ঞ ..... তেওঁ এজন জিনিয়াছ। কিছুমান মানুহৰ স্বভাৱ আন কিছুমান মানুহৰ লগত আচৰিত ধৰণেৰে মিলে। মোৰ দেউতাৰ কিছুমান ঢং জুবিনৰ গাতো আছে বাবেই এই খেয়ালী মানুহজনক মই কিছু সহজতে কিছু দূৰৈলে বুজিব পাৰিছিলো। তেখেতৰ অভিমানী মনটোৱে, বহলকৈ মেলি দিব পৰা অন্তৰখনে বহু আৱৰণৰ মাজত ঢাক খাই থাকে যদিও মোৰ দৃষ্টিত ফট্‌ফটিয়াকৈ ধৰা দিছিল। ক্ৰমে ক্ৰমে আমি ওচৰ চাপি গৈছিলো, প্ৰতিটো বিপদ-আপদৰ লগৰী হৈ আজিও দুয়োদুয়োৱে ওচৰত থিয়দি আছো।" কোৱা বাহুল্য যে 'কন্যাদান' ছবিখনৰ "তাই ভাত ৰান্ধিব জানেনে?" গীতটো মুম্বাইৰ ঘৰত জুবিনে নিজে ভাত ৰান্ধোতে সুৰটো ধীৰে ধীৰে গাই গৈছিল

আৰু ৰবিনে সুৰত ৰজিতা খুৰাই শব্দ গাঁঠি গৈছিল। গীতটো চমৎকাৰ হৈছিল, খুব জনপ্রিয়ও।

এই আপাহতে নাট্য পৰিচালক নয়ন প্রসাদৰ পৰা পোৱা দুটি সঁচা অনুভৱ উদ্ধৃত কৰিলো। "…. যশস্বী সংগীত পৰিচালক ৰমেন চৌধুৰীয়ে এবাৰ জুবিনৰ প্রসঙ্গত কৈছিল এইদৰে — 'যি কোনো এটা গীত-সুৰ যিমানেই জটিল নহওক কিয় সিমান সোনকালে আৰু সহজে জুবিনে আয়ত্ত কৰিব পাৰে যে ভাবিলে আচৰিত লাগে। এয়া এক আচৰিত দক্ষতা আৰু সেয়া প্রতিভাবান শিল্পীৰহে থাকে।"

"জুবিনৰ অন্য এটা ৰূপো আছে। সমাজ সচেতন, ৰাইজৰ বাবে কিবা এটা কৰাৰ মন থকা এই জুবিনজন মাজে মাজে দেখা পাওঁ। বিষ্ণুৰাভা শতবার্ষিকীৰ এখন সভা হৈছিল ভাৰতীয় গণনাট্য সংঘৰ পাণবজাৰত থকা কার্যালয়ত। জুবিন আহিল— পুৰণিদিনৰ বিষ্ণুৰাভা আৰু হেমাঙ্গ বিশ্বাসৰ ছবিবোৰ চালে— বিষ্ণু ৰাভাই বজোৱা হাৰমণিয়ামটোত আঙুলি বুলাই চালে আৰু হঠাৎ কৈ উঠিল— বিষ্ণু ৰাভা মোৰ আইডল। পিছদিনা ওৰেটো দিন আৰু নিশা এপৰলৈ জুবিনে ট্রাক এখনত উঠি গুৱাহাটীৰ বিভিন্ন স্থানত অন্য শিল্পীসকলৰ সৈতে, দুই এপদ বাদ্য-যন্ত্রৰ সৈতে খোলা গলাৰে শান্তি সম্প্রীতি ৰক্ষাৰ অর্থে গীত গাই ফুৰিলে। দেৰিকৈ আহে বুলি জুবিনৰ বিৰাট বদনাম— সিদিনা পিছে পুৱা দহবজাতে সঠিক সময়তে আহি ওলাল। জুবিনক চাই চাই ভাবিলো— এইজন বাৰু কোন জুবিন"

"….সুগন্ধী পখিলাৰ কবি হীৰেণ ভট্টাচার্য্য জুবিনৰ প্রিয় কবি? মাজে মাজে সময় পালেই হীৰুদাৰ ঘৰলৈ আহি নতুন গীত কবিতাৰ কথা পাতে। সেই হিৰুদাই দুশাৰী কবিতাৰে অসমৰ ৰাইজৰ জুবিনৰ প্রতি থকা শুভেচ্ছা আৰু মৰম প্রকাশ কৰিছে এইদৰে— 'গানৰ জুবিন

গান গাই থাকক চিৰদিন

আমি সকলোৰে ইয়াকে কামনা কৰোঁ।'

এই গ্রন্থৰ প্রায় শেষ অংশত উপস্থিত হৈছোহি। এতিয়া পূর্বতে উল্লেখ কৰি অহা পৱিত্র মাৰ্ঘেৰিটাৰ পৰা পোৱা কিছু খবৰ পাঠকৰ সুবিধার্থে ইয়াত যোগ কৰিব লগা হ'ল। জুবিনৰ প্রিয়খিনিৰ বিষয়ে। অৱশ্যে পৰিশিষ্টত এখন ফিৰিস্তিওদিয়া হ'ব।….."জুবিনৰ প্রথম প্রেম গান আৰু অসম। গানৰ ক্ষেত্রত

দৃষ্টিভঙ্গী বিশ্বজনীন, কিন্তু অসমীয়া ৰূপে প্ৰবল জাতীয়তাবাদী। স্বদেশ স্বজাতিৰ দুৰ্দিনত তেওঁ সদায় সমদলৰ আগশাৰীত বিদ্যমান। উদাসিনতাৰে সুবিধাজনক দূৰত্বত অৱস্থান কৰাৰ পৰিবৰ্ত্তে তেওঁ সদায় জনতাৰ কাযত থিয় হয়। নিজৰ মাধ্যমেৰে দুৰ্নীতি আৰু দুস্কৃতিৰ বিৰোধিতা কৰে। সপোন ৰচে জ্যোতি-বিষ্ণু-শঙ্কৰ-চুকাফাৰ জোনাকী দেশৰ। নৱ প্ৰজন্মক উৎসাহ যোগায় সংস্কৃতিৰ-বৌদ্ধিক জ্ঞানেৰে আগবাঢ়ি যাবলৈ।

গান-শুনা, চিনেমা চোৱা, নতুন আহাৰৰ জুতি লোৱা, গাড়ী চলোৱা, সাঁতোৰ, বৰশী বোৱা ....ইবিলাক তেওঁৰ হবি। ভূপেন হাজৰিকা, ৰিদিপ দত্ত, মুনিন বৰুৱা, এছ-ডি-বৰ্ম্মন, কিশোৰ কুমাৰ, ফটেহ আলি খান, ষ্টিংছ, মাইকেল জেকছন, গেৰি মুৰ আদি তেওঁৰ প্ৰিয় শিল্পী। প্ৰিয় ঠাই অসমৰ প্ৰতিখন গাওঁ। প্ৰিয়গীত প্ৰতিটো অসমৰ লোকগীত। প্ৰিয় ব্যক্তিত্ব বিষ্ণু ৰাভা। প্ৰিয় কিতাপ চাৰ্লি চেপলিনৰ আত্মজীৱনী। এইবোৰত নতুন নতুন নাম সংযোগ ঘটিয়েই আছে যিমানে তেওঁ সীমাৰ পৰিধি নেওঁচি আগুৱাই গৈছে। এই যাত্ৰা অবিৰত হওক। জুবিনক লৈ আমাৰ কল্পনা অসীম।

এতিয়া আমি জুবিনৰ পৰিবাৰ গৰিমাৰ বিষয়ে দুষাৰ লিখিব লাগিব। অপাৰ ধৈৰ্য্য আৰু কৰ্মপটুতাৰ এই ছোৱালীজনী যিকোনো গৃহতে শোভায়। তেওঁ গোলাঘাটৰ শান্তিপুৰৰ শ্ৰী সুৰেন্দ্ৰ নাথ শইকীয়া আৰু শ্ৰীমতী ৰুনুমী শইকীয়াৰ একমাত্ৰ জীয়ৰী। অগ্নিক সাক্ষী কৰি হৈ পৰিল জুবিনৰ ছাঁ— দিবা নিশে। মুম্বাই বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰী ধাৰী গৰিমা আছিল ৰাজ্যিক পৰ্য্যায়ৰ এগৰাকী টেনিছ খেলুৱৈ। বৰ্তমান তেওঁ এগৰাকী সফল ফেশ্বন ডিজাইনাৰ। দেশে বিদেশে তেওঁৰ তৈয়াৰী আৰু ডিজাইন কৰা কাপোৰৰ প্ৰদৰ্শনী আৰু বিপনি পাতিছে। জুবিনে পিন্ধা বহু কাপোৰ গৰিমাই ডিজাইন আৰু তৈয়াৰী কৰা।

উল্লেখ্য যে জুবিনৰ লগত গৰিমাৰ চিনাকি Fan Mail ৰ দ্বাৰা হৈছিল। অন্যান্য মানুহৰ দৰেই শিল্পী সাহিত্যিক সকলো হয়তো বহুবাৰ প্ৰেমত পৰে। তেওঁলোকৰ বাবে প্ৰেমত পৰাটো প্ৰায় সাধাৰণ ঘটনা হৈ পৰে Glamour আৰু কৰ্মস্থানৰ সান্নিধ্যৰ বাবে। জুবিনৰো তেনে হৈছিল। পিছে গৰিমাই তেওঁক বান্ধি ৰাখিলে। ছোৱালীজনীয়ে লিখেও অত্যন্ত Candid আৰু সৰলভাৱে। কিছু

শুনক...."একে আষাৰতে মই কৈ যাব পাৰো যে, জুবিন খুব সবল আৰু বহল মনৰ অধিকাৰী, এজন অতি মৰমীয়াল ব্যক্তি। তেওঁক লগ পোৱা আৰু ওচৰৰপৰা চিনি পোৱা বহুতেই কয় — 'Zubeen has a heart of Gold.' আনৰ দুখত বিচলিত হৈ পৰা, সুখৰ ভাগী হৈ আত্মহাৰা হোৱা মই বহুবাৰ দেখিছো। নিজৰ জীৱনৰ বহুতো কঠিন সময়তো গভীৰ আত্মবিশ্বাস আৰু সাহসেৰে থিয় দি তেওঁ দুঃসময় জয় কৰিছে। আগতে মই সৰু সৰু কথাত খুব Tension লৈছিলো আৰু কিবা এটা নতুন কাম কৰাৰ আগতে পৰিণামৰ বিষয়ে ভাবি উৎকণ্ঠিত হৈ পৰিছিলো। কিন্তু তেওঁ মোক শিকালে, কেনেদৰে সহাস আৰু বিশ্বাসেৰে মানুহে যি কোনো কঠিন সময়ক জিনি যাব পাৰে। অকল মোকেই নহয়, তেওঁৰ সংস্পৰ্শত থকা সকলোকে এইদৰেই সাহস দিয়ে, উৎসাহিত কৰে জীৱনত আগবাঢ়ি যাবলৈ। জুবিনে নিজেও নিজৰ যাত্ৰাৰ প্ৰথম আৰম্ভণী কৰিছিল নিজৰ প্ৰতি থকা বিশ্বাস আৰু সাহসৰ বলতেই।...জুবিন খুব বন্ধুপ্ৰিয় আৰু বন্ধুমহলত তেৰোঁ খুব প্ৰিয়। তেওঁৰ ভাল বন্ধুৰ হয়তো সীমা সংখ্যা নাই। সেয়ে হয়তো ১৯৯৫ চনৰ পৰা আজিলৈকে তেওঁৰ ভাল বন্ধুৰ লগত চিনাকি পৰ্ব শেষেই হোৱা নাই। তেওঁ আৰু ভালপায় ঘৰলৈ আলহি মাতি হাঁহি-স্ফূৰ্ত্তিৰে আজৰি সময় কটাবলৈ। আমাৰ বিয়াৰ পিছত হয়তো আঙুলি মূৰত লিখিব পৰা কেইটামানহে দিন আছে যি দিনত আমি আলহী নোহোৱাকৈ কোনো এসাঁজ আহাৰ গ্ৰহণ কৰিছোঁ। অলপ আচৰিত যেন লাগিলেও এয়া একেবাৰে সঁচা যে সদায় নিশাৰ আহাৰৰ বাবে মই অতি কমেও দহজন লোকৰ আহাৰ বনাব লগা হয়। কেতিয়াবা হয়তো ৰাতি ডেৰ বা দুই বজাতো আৰু দুই তিনিজনৰ বাবে পুনৰ খাদ্যৰ যোগাৰ কৰিব লগা হয়।

"তেওঁ খুব সহানুভূতিশীল। কোনোবাই যদি তেওঁক আহি কয় যি কোনো ধৰণৰ বিপদত পৰিছে বুলি অথবা নতুন কিবা এটা আৰম্ভ কৰাৰ সময়তে কোনো ধৰণৰ অসুবিধাত ৰৈ যাব লগা হৈছে বুলি, তেওঁ উঠিপৰি লাগিব সেই মানুহক সহায় কৰাৰ বাবে। তেওঁৰ মতে ভাল মানুহ / বেয়া মানুহ বিবেচনা কৰি ফুৰাটো আমাৰ কৰ্ম নহয়। কাৰোবাৰ বাবে ভাল মানুহ এজন হয়তো কাৰোবাৰ বাবে বেয়াও হ'ব পাৰে অথবা আনকাৰোবাৰ বাবে বেয়া মানুহজন আমাৰ প্ৰতি খুব ভালো হ'ব পাৰে। গতিকে তেওঁৰ মনত ভাল বেয়া, সৰু-ডাঙৰ ইত্যাদি ভেদ-

ভাব একো নাই। 'কৰ্ম আৰু নিষ্ঠাই' জুবিনৰ জীবন-দৰ্শন। তেওঁৰ মতে, নিষ্ঠাৰে যদি কাম কৰি যোৱা যায়, তেন্তে জীবনত অসম্ভৱ একো নাই। যিমানেই ডাঙৰ সপোন নহওক কিয়, সেই সপোনক বাস্তৱ ৰূপ দিয়াৰ একমাত্ৰ চাবি-কাঠী হৈছে নিজৰ ওপৰত গভীৰ বিশ্বাস, সাহস আৰু কৰ্তব্যনিষ্ঠা। তেওঁৰ মতে ভগৱানক বেলেগে পূজা কৰাৰ প্ৰয়োজন নাই। আমাৰ বিশ্বাসতেই ভগৱান আছে আৰু যিলোক সৎআৰু সাহসৰ পথেৰে কৰ্মত বিশ্বাস কৰি আগুৱাই যাব পাৰে, তেওঁতকৈ ডাঙৰ ধাৰ্মিক আৰু কোনো নাই আৰু তেওঁক ভগবানে সহায় কৰিবই। সেয়ে হয়তো জুবিনে নিজে দিনটোৰ সোতৰ ওঠৰ ঘণ্টা অকল কামতেই ব্যস্ত থাকি সন্তুষ্টি পায়। কামত থকা সময়খিনিত তেওঁ হয়তো নিজকে সম্পূৰ্ণ পাহৰি যায়। দিনতকৈ তেওঁ ৰাতি কাম কৰি ভাল পায়। ৰাতিৰ নিৰ্জনতাতেই হেনো বিচাৰি পায় সকলো শব্দৰ আধাৰ। এইদৰে কাম কৰি থাকোতে কেতিয়াবা গোটেই ৰাতি পাৰ হৈ যায়। একেৰাহে ত্ৰিশ ঘণ্টাতকৈও অধিক সময় চকুৰ টিপ নমৰাকৈ কাম কৰাও মই দেখিছো।

"তেওঁৰ মনটো সদায় কিবা এটা নতুনৰ সন্ধানত যেন বিচৰণ কৰি ফুৰে। নতুন সৃষ্টিৰ তাড়নাত অথবা যিকোনো কাম এটা নতুন ধৰণেৰে কেনেদৰে প্ৰেজেণ্ট কৰিব পাৰি তেনেকুৱা চিন্তাই তেওঁক সদায় অস্থিৰ কৰি ৰাখে। কেতিয়াবা হয়তো গভীৰ নিদ্ৰাৰ মাজতো অথবা সপোনতো তেনেকুৱা চিন্তাই তেওঁক আচ্ছন্ন কৰি ৰাখে। হঠাৎ সাৰ পায় উঠি কেতিয়াবা কাগজ কলম গোটোই লৈ অথবা নিজৰ কম্পিউটাৰ চিষ্টেম খুলি বহি যায় মাজনিশাও।"

গৰিমাই আৰু কয়, সময়ৰ অভাবত আজিকালি কিতাপ পঢ়াৰ চখ থকা স্বত্বেও পঢ়াটো কমিছে। দেশ বিদেশৰ বিভিন্ন চিনেমা আৰু শিল্পীৰ তেওঁৰ এটা ডাঙৰ লাইব্ৰেৰী আছে। আৰু আছে ইন্টাৰনেট। মুঠতে সঙ্গীতৰ বিষয়ে জানিবলৈ তেওঁ সৰঞ্জাম গোটাই লৈছে। দুয়ো ফুৰি ভালপাওঁ বাবে আৰু জুবিনৰ পাহাৰ আৰু পানীৰ প্ৰতি বিশেষ দুৰ্বলতা থকাৰ বাবে আজৰি পালেই ফুৰিবলৈ ওলাই যাওঁ। কোনো ঠাণ্ডা পাহাৰীয়া ঠাই অথবা Water sports যথেষ্ট থকা কোনো Holiday resort বাচি লওঁ। বিভিন্ন ধৰণৰ খাদ্য তৈয়াৰ কৰি ভাল পায়, যিবোৰৰ ৰেচিপি অন্যৰ লগত নিমিলে। ঘৰুৱা সময়খিনিত তেওঁ একেবাৰে এটা সৰুল'ৰাৰ দৰে ধেমালি কৰি, উৎপাত আৰু বদমাচি কৰি থাকে। এই শিশুসুলভ মনটোৰে

তেওঁৰ ধেমালিতে কৰা কামবোৰে ঘৰৰ বস্তু বাহানিবোৰ বিশৃঙ্খল কৰি পেলায়। ঘৰৰ সকলো তেওঁৰ পাছে পাছে বস্তুবোৰ চিজিল কৰাত ব্যস্ত হব লগাত পৰে। এই সৰু ল'ৰাৰ মনটোৰ বাবেই তেওঁ সমাজ, ঘৰ আৰু প্ৰতিযোগিতাৰ বহল পৃথিৱীখনত নিজৰ সাম্যতা বজাই ৰাখি, শেষহীন কাম আৰু দায়িত্বৰ মাজতো মূৰ থিয় কৰি আগবাঢ়ি যাব পাৰিছে। আৰু এটা অৱশ্যে উল্লেখ্য দিশ হ'ল— তেওঁৰ দোষ তেওঁ অকপতে স্বীকাৰ কৰে। লুকুৱাবলৈ চেষ্টা নকৰে। তেওঁৰ কিছুমান ঘটনাৰ বাবে তেওঁৰ নিজস্ব ব্যক্তিগত বাখ্যা বা যুক্তি আছে। বহুতে সেইবোৰ স্বীকাৰ নকৰিবও পাৰে। সেই exceptional গুণটো তেওঁৰ জীৱন আৰু সৃষ্টিৰ মাজত সাঙোৰ খাই আছে। এইটোও সঁচা যে 'জুবিন গাৰ্গ' নামটো এতিয়া অকল সঙ্গীত জগততেই সীমিত হৈ থকা নাই; তেওঁ চেষ্টা কৰি চাইছে শিল্পৰ আন আন ক্ষেত্ৰটো নিজৰ পাৰদৰ্শিতা জুখি চাবলৈ, ভগৱন্তৰ কৃপাত সেইসকলো ক্ষেত্ৰতে তেওঁ উচ্চ আসন লাভ কৰিবলৈ সক্ষম হৈছে। অভিনেতা, পৰিচালক, সঙ্গীত পৰিচালক, গীতিকাৰ, সুৰকাৰ গায়ক, কবি ইত্যাদী সকলো ক্ষেত্ৰতে।

তেওঁৰ নিজৰ সৃষ্টিআৰু কৰ্মৰ বিষয়ে তেওঁ ভাবে— আৰু বহুত ভাল কিবা কৰিবলৈ বাকী। বৰ্তমানটো মাথো আৰম্ভণীৰ খোজহে। বহুত ডাঙৰ কামৰ কল্পনা আছে তেওঁৰ, অসমক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ। গৰিমাই জুবিনৰ প্ৰতি শুভইচ্ছা এনেদৰে প্ৰকাশ কৰিছে সৰল আন্তৰিকতাৰে— "তেওঁৰ সকলো সপোন সঁচা হওক— সদায় সফল হওক, সুন্দৰ এটি মন আৰু সুস্বাস্থ্যৰ নিজে ভবামতেই আগুৱাই লৈ যাওঁক তেওঁৰ বৰ্ণিল কৰ্মময় জীৱন।"

শেষ বুলিলে শেষ হয় জানো? সঁচাকৈয়ে নহয়। সাধাৰণ দৃষ্টিত চাবলৈ গ'লে জুবিনে এতিয়া অৰ্ধেক জীৱন পাৰ কৰিছে। শ্ৰীঠাকুৰৰ কৃপা আৰু ৰাইজৰ শুভ ইচ্ছাত আৰু অৰ্ধেক জীৱনৰ ফালে আগুৱাই গৈ আছে। এইদৰে দিন যোৱাৰ লগে লগে জীৱন আৰু অধিক কৰ্মবহুল হৈ পৰিব। ভগবন্তৰ কৃপা হ'লে সুযোগ্য জনে সেইখিনি লিখিব। আমি যিমান জানো আৰু যিসকলে শুদ্ধকৈ জানে বুলি আমাৰ জ্ঞান বিশ্বাস সেইসকলৰ পৰাও আহৰণ কৰি এই অৰ্ধেক জীৱনৰ এখন পুঙ্খানুপুংখ চিত্ৰ ডাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ। তথাপিও স্বীকাৰ কৰো যে এইছবি

অসম্পূৰ্ণ যিহেতু মানুহে কোনেও আন এজন মানুহক সম্পূৰ্ণ ৰূপে জানিব নোৱাৰে। তেহেলৈ তেওঁ সেই বিশেষ মানুহজনৰ লগত আজীৱন কটাওক। ইয়েই জীৱনৰ ৰহস্য। মানুহে নিজৰ বিষয়েওতো পূৰ্ণকৈ জানিব নোৱাৰে লোকৰ কথা তেনেহ'লে থাওক। নিজকনো কেইজনে জানে? নিজৰ সম্ভাৱনা, নিজৰ দুৰ্ভাবনা, দুৰ্বলতা নিজৰ জীৱনৰ প্ৰতি অনিহা আৰু হাজাৰটা মানসিক উত্থান পতন? অপাৰ সম্ভাৱনাশালী মানুহৰ মন, ঈশ্বৰত্বও এই মনতেই সোমায় আছে। সেয়েহে যি নিজৰ মনক দাস কৰি ৰাখিছে, সিয়ে ভূমিৰ জীৱনক ভূমালৈ ৰূপান্তৰ কৰিছে। সকলো ফালেই সীমিত জীৱন নামৰ Period drama খনৰ তাতেই চৰম সফলতা আৰু তাতেই পৰম কাষ পোৱা। জুবিনহঁতৰ নিচিনা সদাব্যস্ত, দুৰ্বাৰ চাপত, অনেক অসুবিধাৰ মাজত কৃচ্ছ্রসাধনাৰ শিল্পীসকলে যেন নিৰৱ মনৰ নিজৰ শিকলিত বান্ধি থোৱা পোহনীয়া প্ৰাণীৰ দৰে শাসনত ৰাখিবলৈ কৃত সংকল্প হয়, সেয়ে কামনা।

কল্পনা কৰিব নোৱৰা ব্যস্ততাই জুবিনক, নিজৰ ঘৰ আৰু মাতা-পিতা হোৱা স্বত্বেও তেওঁক বেছিভাগ সময়তেই আমাৰ পৰা দূৰত ৰাখে। সেয়ে তেওঁৰ ডাৱৰ বাতৰি ডাৱেৰে আমি পাই নাথাকো। মনত স্বাভাৱিক ক্ষোভ হয় বা দুশ্চিন্তাও হয়, ঘৰৰ বাহিৰত ল'ৰাই কি খাইছে বা ক'ত শুইছে। সেইখিনি আমি কৰিবলৈ নাপাওঁ। ইয়াত আমাৰ হা-হুমুনিয়াহ কাঢ়িবলৈ কোনো যুক্তি নাই। কিন্তু আমিও সৰ্বসাধাৰণৰ দৰে যাক কয় দুৰ্বল মানুহ। আমাৰ সকলো ক্ষমতা আৰু অৱস্থা সীমিত। লাহে লাহে এইটোও বুজি উঠিছো যে যি মানুহ কৰ্মৰ জীৱনেৰে ৰাইজৰ মাজলৈ সোমায় গৈ তাতে একাত্ম হ'ব লগা হয়, তেওঁলোকৰ ঘৰৰ বা আপোনজনৰ সমাজৰ লগত সম্বন্ধ ক্ষীণ হৈ আহে। ভাৰতীয় মানুহৰ ধৰ্ম, অনুভূতি আৰু পৰম্পৰাৰ সুবাদত সেই সম্বন্ধ একেবাৰে টুটি নাযায়। কিন্তু পশ্চিমৰ উন্নতিশীল দেশবোৰৰ গায়ক, চিত্ৰকৰ, সাহিত্যিকবোৰৰ জীৱন অধ্যয়ন কৰিলে দেখা যায় তেওঁলোকৰ শিপাৰ সৈতে সম্বন্ধ নাথাকেগৈ। শেষত এনে হয়গৈ, অক্লান্ত শ্ৰমৰ দ্বাৰা আহৃত অৰ্থ আৰু খ্যাতিৰ পাছতো তেওঁলোকৰ মন অশান্ত আৰু দিশহাৰা হৈ থাকে। অকল্পনীয় চাপৰ হেঁচাত, ব্যক্তিগত জীৱনৰ চাকনৈয়াৰ খুন্দাত জীৱনৰ প্ৰতি, খ্যাতিৰ প্ৰতি, অৰ্থৰ প্ৰতি মুঠতে গোটেই পৃথিৱীৰ প্ৰতি অনিহা আহে। শিল্পীসকলৰ এই যাতনা আমাৰ বাবে সপোনৰো অগোচৰ। অসম্ভৱ

বুলিয়েই ভাবো। কিন্তু যি ভুগিছে সেই দুৰাৰোগ্য মানসিক যন্ত্ৰণাত তেওঁলোকৰ জীৱনী পঢ়িলে সহমৰ্মী নহৈ নোৱাৰি। অথলে যোৱা জীৱন দেখি, জীৱনৰ সকলো সম্ভাৱনাৰ অপচয় দেখি সচেতন মনে নেকান্দি নোৱাৰে। উদাহৰণ স্বৰূপে— প'ল গঁগা, ভেনগফ; জিমি হেন্দ্ৰিক্স জ্যাঁ প'ল ছাৰ্ত্ৰে, হেমিংৱে আৰু কতজন!

কিন্তু ভাৰতবৰ্ষত সেই ধৰণৰ জীৱন অপচয় হ'বলৈ ভাৰতৰ আধ্যাত্মিকতাই নিদিয়ে। মুখেৰে যিমান নতুনত্বৰ আখৈ নুফুটাওক, ভাৰতৰ শিল্পীয়ে সেই Spiritualism টো নিজৰ মনৰ পৰা বাহিৰ কৰি নিদিয়ে। সেয়ে তেওঁলোকৰ সৃষ্টি আৰু জীৱনৰ প্ৰধান উৎস। আধ্যাত্মিকতাৰ নাম আৰু দৃষ্টিভংগী বেলেগ বেলেগ হ'ব পাৰে।

আমি যোৰহাটত থাকোতে তিনিজন বন্ধু আছিলো। শ্ৰী ৰফিকুৰ ৰহমান (ৰুনু), চেউনি আলি, যোৰহাট শ্ৰীপদ্মকান্ত ৰাজখোৱা, খুটিকটিয়া, নগাঁও আৰু এই লিখক, জুবিনক জন্মৰে পৰা এতিয়ালৈকে তেওঁলোকে দেখিছে। কাৰ্যবশতঃ আমি তিনিওজন গুৱাহাটী পালোহি। তেওঁলোকৰ পৰা শুনা যায় জুবিনৰ জেষ্ঠজনৰ প্ৰতি সন্মান আৰু মৰম অটুত আছে। এতিয়াও লগ পালে আকোৱালি ধৰে, সময় দি কথা পাতে তেওঁলোকৰ আটাইকেউটা ল'ৰা-ছোৱালীৰ সৈতে তই তই সম্বন্ধ। জুবিনৰ সেই গুণটোৰ কথা সৰ্বত্ৰ শুনা যায়।

জুবিনে অত্যধিক ব্যস্ততাৰ বাবে আত্মীয় কুটুম্ব বা বন্ধু-বান্ধবৰ ঘৰলৈ যাবলৈ সময় নাপায়। কিন্তু কেতিয়াবা প্ৰগ্ৰেমলৈ যাওঁতে বা আহোঁতে বাটৰ পৰা কোনো চিনাকি মানুহৰ ঘৰত সোমায় কম সময়ৰ কাৰণে হ'লেও ঘৰখন একেবাৰে উৰুগুলি কৰি তোলে। গিৰিহঁতক পাছত কোৱা শুনো যেন এজন নহয় এশজন মানুহহে আহি হঠাৎ সোমালেহি আৰু নিদ্ৰিত ঘৰখন চকুৰ পচাৰতে ব্যতিব্যস্ত কৰি পেলালেহি। জুবিনৰ এই ধৰণৰ আগমন নিগমন আৰু হাস্য-ব্যঙ্গৰ ফোৱাৰাবোৰেই অসমীয়া ৰাইজৰ অতীব আনন্দৰ কাৰণ।

তেওঁৰ লগত কথা বাৰ্তাত বা কোনো প্ৰসঙ্গত কেতিয়াও ঈশ্বৰ বিশ্বাস বা ঈশ্বৰৰ কথা কোৱা শুনা নাই। তেওঁৰ ঈশ্বৰ বিশ্বাসৰ বিষয়ে কিবা স্পষ্ট অভিমত দিয়াটো প্ৰায় দুস্কৰ। কাৰণ গুৱাহাটীৰ কামাখ্যা পাহাৰত থকা কৌটিলিংগম মন্দিৰলৈ তেওঁ মাজে মধ্যে যোৱাৰ কথা শুনা যায়। আৰু শুনা যায় অসমৰ

বাহিৰতো কোনো কোনো মন্দিৰ দৰ্শন কৰিবলৈ তেওঁ গৈছে। কিন্তু এটা কথা নিৰ্ভুলকৈ ক'ব পাৰি যে তেওঁৰ বুদ্ধ-দৰ্শন খুব প্ৰিয়। কিন্তু তাকে সণ্ডালনিকৈ অধ্যয়ন কৰিবলৈ এতিয়া সময় দুৰ্লভ।

গীত গাই জীৱন-জীবিকা চলোৱাটো অসমত দুৰূহ আছিল সৌ সিদিনালৈকে। যি কিজনে সংগীতকে জীবিকা হিচাপে লৈছিল তেওঁলোকৰো জীৱন নিৰ্বাহ যথোচিত সহজ আৰু সুচল নাছিল। বেছিভাগেই অন্য চাকৰি বা ব্যৱসায়ত নিজক নিয়োজিত কৰিছিল আৰু সংঙ্গীত আছিল একষ্ট্ৰা ইনকাম। জুবিন গাৰ্গেই সঙ্গীতক অসমত এটা উদ্যোগ হিচাপে প্ৰতিষ্ঠিত কৰিলে। তেওঁক অনুসৰণ কৰি এতিয়া অসমীয়া শিল্পী চামে কণ্ঠ নিগৰাইয়ে জীবন চলাইছে দেখ দেখকৈ পুৰণি দিনতকৈ অধীৰ সুচলতাৰে। এইটো ভৱিষ্যতৰ অসমীয়া সঙ্গীত জগতৰ বাবে অত্যন্ত সুখবৰ। শিল্পী আৰ্থিকভাবে সচল নহলে সৃষ্টি কাৰ্য কেনেকৈ সম্ভৱ হ'ব? স্বৰ্গীয় কলাগুৰুৰ জীবনলৈ চালেই বুজি পাওঁ।

এতিয়া আৰু পাৰিবাৰিক কথালৈ আহোঁ। এটা আনন্দৰ কথা যে আলোচনা ক্ষেত্ৰত প্ৰকাশ পালে যে চন্দ্ৰ প্ৰকাশৰ মালিকদ্বয় ৰাজেন্দ্ৰ মোহন শৰ্মা আৰু ৰবীন্দ্ৰ মোহন শৰ্মা (ডাঃ) আমাৰ গোত্ৰ ভাই। জুবিন তেওঁলোকৰ ভতিজা। গতিকে তত্ত্বাৱধানৰ কিঞ্চিৎ ভাৰ তেওঁলোকৰ ওপৰতো পৰিছে। তেনেকৈ আমাৰ ওপৰতো ভতিজী মনীষাৰ কিঞ্চিত দায়িত্ব আছে। সূত্ৰপাত কৰিলো যেতিয়া সকলো কথাকে সামাৰিব লাগিব। কথাটো সৰলকৈ কবলৈ হ'লে এনেকুৱা হ'ব। ভুল বা দোষ কাৰ নাথাকে? দোষ মুক্ত আপুনিও নহয়, ময়ো নহয়। ভূল বা দোষ মানুহ সৃষ্টিত এটা উপাদান। সেয়ে হৈ যোৱা ভুলক ঘুৰাব নোৱাৰি আৰু তাৰ বাবে বিষন্ন হৈ জীবন অপচয় কৰিব নোৱাৰি। ভুলৰ গৰাহৰ পৰা উঠি ধনাত্মকভাৱে সৃষ্টিশীল হোৱা জন প্ৰকৃত মানুহ। সকলো মানুহে নিজৰ নুশুধৰালেও অন্ততঃ আনৰ পৰা সেইটো বিচাৰে। অনেক দুখত দুখী, অনেক চাপত ক্লান্ত, জুবিনে সেইকথা জানে। তেওঁৰ মানসিক দৃঢ়তা থামি ডাঠ আৰু সেয়ে সকলো ঝঞ্জাবাত অতিক্ৰমী থিয় দিছে— এক সৃষ্টিশীল ভৱিষ্যতৰ মুখামুখী হ'বলৈ। ঈশ্বৰৰ কৃপা আৰু অসমৰ ৰাইজৰ মৰম তেওঁৰ পাথেয়।

এফালৰ পৰা চাবলৈ গ'লে— জুবিন-গৰিমাৰ বৈবাহিক জীবন প্ৰায় এক দশক চুবৰ হ'ল। তেওঁলোকে জীবন আৰু কৰ্মৰ ...... হয়তো এটা বিষয়লৈ মন-

কান দিয়া নাই যে স্বামী-স্ত্রীয়ে নিজে আৰু পৰিয়ালৰ আন সবেও সন্তান-সন্ততিৰ আশা কৰে। এইটো প্ৰকৃতিৰ নিয়ম যে জীৱন ক্ৰমাগত চলি থাকিব লাগিব। জীৱন এটা ঢাপত আহি স্তব্ধ হৈ ৰ'ব নোৱাৰে। মানুহৰ ইয়ো এক প্ৰাপ্তব্য অমৰতা।

সেয়ে জুবিনহঁতৰ এতিয়া সময় হ'ল তেনে দৃষ্টিভঙ্গীৰে বৈবাহিক জীৱনটো চোৱাৰ। তেওঁৰ বয়স প্ৰায় দুকুৰি চোওঁ চোওঁ হ'ল। নিজৰ দিয়াৰ দৰে সন্তানকো যথেষ্ট সময় আৰু যত্ন দিব লাগিব। এই বয়সতে সন্তানৰ মুখ দেখিলে তেওঁলোকৰ লগতে আমাৰো আৰু বৃহৎ পৰিয়ালটোৰ সকলোৰে জীৱন মধুময় হ'ব।

জুবিন গাৰ্গৰ এটা জন্মদিনত মই ৰাছিয়াৰ কবি Pavel Antacolsky ৰ এটা উদ্দীপক কবিতাৰ এফাঁকি কবিতা পঢ়ি শুনাইছিলো। সামৰণিত তাকেই পুনৰ্বাৰ সুঁৱৰিছোঁ—

Just one thing counts : Put all your trust in store,
On life's great power, tomorrow's dawning clear
And boldly, bravely, full of wise good cheer
Go meet the future. Open wide the doors!
এয়েই মঙ্গল আশীষ।

কবিতা

সংযোজন

জুবিন গাৰ্গৰ প্ৰথম কাব্য-সংকলন 'শব্দ-অনুভূতি' প্ৰকাশক- ৰুমী ৰূপক, নগাঁও - এই গ্ৰন্থৰ পৰা দুটি কবিতা উল্লেখ কৰিলো পাঠকৰ সুবিধাৰ্থে।

১) অস্থিৰ কাব্য

তুমি দুহাত মেলি দিলেইতো
মোৰ ৰাতি নুপুৱায়
তুমি চুই দিলেইতো শেষ নহয়
মোৰ বিষন্নতা
বৰঞ্চ মই অন্ধ হৈ পৰো .....

লুপ্ত হওঁ তোমাৰ কথাৰ বসন্তত
যদি পাৰা ....
লিখি দিয়া মোৰ অভিধানত পোহৰ,
সীমাহীন পোহৰ
যাতে মই সঁচাকৈয়ে অন্ধ হ'ব পাৰোঁ।

২) বন্য ল'ৰালি

সৰা শেৱালি দেখিলেই মোৰ মনত পৰে
সেইচোতাল খনলৈ
আৰু সেই পদুলিটোলৈ
য'ত এতিয়াও উশাহ লওঁ মই
প্ৰতিডাল দুবৰিত মোৰ বন্য ল'ৰালি
প্ৰতিজোপা গছত বিলীন হোৱা
মোৰ অম্লান চেতনা....
প্ৰতিটো শিলত খোদিত হোৱা
মোৰ অস্থিৰ বেদনা ....
সেউজ পথাৰ, বাউলি বা, সমাহিত সোণালী ধৰিত্ৰী
মুখৰিত আকাশ, এজাক বগলীৰ জিলমিলনি
কাউৰীৰ কা আৰু পাৰৰ ৰু ণ্ ৰুণ্নি
থুনুক-থানাক কাৰোবাৰ মাত
খিৰিকিৰে ভাঁহি অহা গুঞ্জন, অস্ফূট কথোপকথন
স্মৃতিৰে বাঙলি মোৰ বন্য ল'ৰালি.....

জুবিন গাৰ্গৰ সঙ্গীত পৰিচালনাত কথাছবি সমূহ ঃ

		পৰিচালকৰ নাম
১.	হিয়া দিয়া নিয়া	মুনিন বৰুৱা
২.	তুমি মোৰ মাথো মোৰ	জুবিন গাৰ্গ
৩.	দাগ	মুনিন বৰুৱা

৪.	নায়ক	মুনিন বৰুৱা
৫.	প্ৰেম আৰু প্ৰেম	শম্ভু গুপ্ত
৬.	কন্যাদান	মুনিন বৰুৱা
৭.	জীবন নদীৰ দুটি পাতৰ	মুন্না আহমেদ
৮.	জোনাকী মন	জীৱৰাজ বৰ্মন
৯.	বিধাতা	মুনিন বৰুৱা
১০.	প্ৰিয়া মিলন	মুন্না আহমেদ
১১.	অগ্নি সাক্ষী	যদুমণি দত্ত
১২.	জুমন সুমন	মুহিবুলি হক
১৩.	বাৰুদ	মুনিন বৰুৱা
১৪.	অধিনায়ক	যতিন বৰা
১৫.	আমি অসমীয়া	ৰাজীৱ ভট্টাচাৰ্য্য
১৬.	দীনবন্ধু	মুনিন বৰুৱা
১৭.	ৰং	মুনিন বৰুৱা
১৮.	মন যায়	এম.মণিৰাম
১৯.	ইউ আৰ নট মাই জুলি	এম. মণিৰাম
২০.	ষ্ট্ৰিংছ	সঞ্জয় ঝা।
২১.	এজ দ্য ৰিভাৰ ফ্ল'জ	বিদ্যুত কটকী

জুবিন গাৰ্গৰ পুৰস্কাৰসমূহ ঃ

১. গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত পশ্চিমীয়া সঙ্গীতৰ গল্ড মেডেল।

২. ২০০৬ চনত 'য়া আলি' গানৰ বাবে মালয়এছিয়াত GIFA এৱাৰ্ড।

৩. ২০০৫-০৬ চনত একেৰাহে দুবছৰৰ বাবে কলাকাৰ এৱাৰ্ড, কলকাতা।

৪. ২০০৫ চনত 'শুধু তুমি' ছবিৰ বাবে বেঙ্গল ফিল্ম জাৰ্নেলিষ্ট এৱাৰ্ড।

৫. ২০০৬ চনত বলীউড ষ্টাৰডাষ্ট এৱাৰ্ড।
৬. ২০০৫ চনত অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা 'শ্ৰেষ্ঠ কণ্ঠশিল্পী'ৰ বঁটা।
৭. প্ৰাগ চেনেল এৱাৰ্ড।
৮. মুন লাইট মিডিয়া এৱাৰ্ড একাধিকবাৰ।
৯. ২০০৭ চনত ইংলিছ আৰু খাচী তথ্য চিত্ৰ 'ইক' অৱ চাইলেন্স'ৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ।
১০. ২০০৯ চনত ত্ৰিলেখা শ্ৰেষ্ঠ অভিনেতাৰ বঁটা।

জুবিন গাৰ্গৰ বিদেশত শ্বঃ

১. ২০০২ চনত শ্ৰীলঙ্কাত বলিউড শ্ব'।
২. ২০০৩ চনৰ অক্টোবৰত ডুবাইত বলিউড শ্ব'।
৩. ২০০৪ চনত আমেৰিকাৰ অষ্টিনত।
৪. ২০০৭ চনত আমেৰিকাৰ মেৰীলেণ্ডত।
৫. ২০০৮ চনত আমেৰিকাৰ নিউ ইয়ৰ্ক শ্ব'।
৬. ২০০৮ চনত ত্ৰিনিদাদ, ৱেষ্ট ইণ্ডিজ ভেলেণ্টাইন ডে' শ্ব'।
৭. ২০০৬ চনত মালয় এছিয়াত GIFA শ্ব'।
৮. ২০০৭ চনত মালয় এছিয়াত।
৯. ২০০৪ চনত ডুবাইত।
১০. ২০০৭ চনত ডুবাইত।
১১. ২০০৭ চনত ওমান বিহু শ্ব', পুনৰ ২০০৯ চনত ওমান আৰু কুৱেইট বিহু শ্ব'
১২. ২০০৯ চনত ৱেষ্ট ইণ্ডিজ আৰু আমেৰিকা।
১৩. ২০১১ চনত চানফ্ৰান্সিস্ক' বলিউড শ্ব'।
১৪. ২০১১, জুলাইত চিকাগ' শ্ব'।

।। মনলে উভটি আহে ল'ৰালি ।।



সোণেৰে সজোৱা পঁজা : পিতৃ-মাতৃ আৰু মোমায়েকৰ ভূপেন অধ্যাপকৰ সৈতে শিশু জুবিন, জংকি আৰু মমন



অপত্য স্নেহ : দেউতাকৰ কোলাত জুবিন আৰু জংকি

জীৱন গঢ়াৰ কমাৰশাল : তামুলপুৰ হাইস্কুলৰ মেট্ৰিকৰ দেওনাত সহপাঠী সকলৰ লগত (১৯৮৮-৮৯)

।। সময়ৰ ঢেউকাত জীৱন...।।

'নায়ক' ছবিৰ ৰেকৰ্ডিঙৰ সময়ত ক্ৰমে পামেলা জৈন, গৌতম চক্ৰবৰ্তী, জুবিন গাৰ্গ আৰু মুনিন বৰুৱা, মুম্বাই

গানে কি আনে সুৰৰ সোপানে সোপানে'ৰ... স্ৰষ্টা হিৰুদাৰ কাষত জুবিন গাৰ্গ ফটো- নৰুন প্ৰসাদ



হাঁহি জীৱনৰ সৰ্বোত্তম কবিতা... আৰম্ভত ক্ৰমে পবিত্ৰ মাৰ্ঘেৰিটা, জুবিন গাৰ্গ, দেৱ বৰকটকী আৰু পবিত্ৰ কুমাৰ ডেকা। ১৯৯৯ চন

সংগীত সাৰোবৰত আমি সাংস্কৃতিক সেনানী

ত্ৰিবেণী সংগম
ডিব্ৰুগড়ৰ এক সাংস্কৃতিক
অনুষ্ঠানত
সংগীতৰ মহাৰথী ভূপেনদাৰ
সৈতে জুবিন-মানস।
কাষত কমল কটকী।

কাব্য মই, গান মই
শব্দ মই, ছন্দ মই
সুৰ মই, তাল মই
নৃত্য মই, লয় মই

খগেন মহন্ত আৰু অৰ্চনা মহন্তৰ সৈতে জুবিন গাৰ্গ।

জুবিনৰ জন্মদিনৰ শুভ মুহূৰ্তত
বলীউডৰ বিখ্যাত সংগীতজ্ঞ
ইছমাইল দৰবাৰ।
কাষত অভিনেত্ৰী পৰিণীতা প্ৰমুখ্যে
জুবিনৰ গুণমুগ্ধসকল

জীৱনৰ দুখৰীয়া চন্দ্ৰৰ স্মৃতি

জুবিন গাৰ্গৰ সৈতে 'জুবিন গাৰ্গ জীৱনৰ পৰা গানলৈ' গ্ৰন্থৰ সম্পাদক মণ্টু শইকীয়া (সোঁফালে) আৰু প্ৰকাশক ৰাজেন্দ্ৰ মোহন শৰ্মা (বাওঁফালে)

ফটো- মাণিক ৰয়

'অনামিকা'ৰ ৰেকৰ্ডিঙৰ সময়ত নৰ বৰকটকী, জুবিন গাৰ্গ, দেৱ বৰকটকী আৰু এজন ব্যক্তি (মুম্বাইত)

যতীন বৰা পৰিচালিত ছবি 'অধিনায়ক'ৰ ছেটত জুবিন গাৰ্গ, প্ৰযোজক লিখন চমুৱা আৰু যতীন বৰা

।। পাখী মেলা অতীতক কিদৰে পাহৰোঁ...।।

ডিজি মিউজিকৰ জন্মক্ষণত নৱ বৰকটকী, জুবিন, বিদ্যুৎ কুমাৰ ভূঞা, দেৱ বৰকটকী আৰু ৰেৰ্কডিষ্ট দিপু শৰ্মা

এন্ধাৰ হ'ব নোৱাৰো
মচি দিব নোৱাৰো...
জনপ্ৰিয় গায়ক
জিতুল সোণোৱালৰ লগত
ড্ৰাম সংগত কৰিছে জুবিন গাৰ্গে

এক শ্ৰব্য কেছেট উন্মোচনী অনুষ্ঠানত ক্ৰমে শিল্পী বিদ্যাসাগৰ, পলাশ গগৈ, জুবিন গাৰ্গ আৰু দিপু ভৱালী

জুবিনৰ পৰিয়ালৰ ফটোগ্ৰাফীক ক'লাজ

পাখি মেলা অতীতক কিদৰে পাহৰো_

জুবিনৰ পৰিয়ালঃ বাওফালৰ পৰা ক্ৰমে মাক, জংকি, দেউতাক, মমন, পত্নী গৰিমা আৰু জুবিন

দেউতাক, মাক, মমন, জংকি, পত্নী গৰিমা আৰু জুবিন

দেউতাৰ হাঁহিৰে আইৰ সতে উমলি_

পূৰ্বীত দেউতাকৰ কেমেৰাত বন্দী হল ক্ৰমে জুবিন, জংকি, মাক আৰু মমন

।। ৰূপালী পৰ্দাৰ সোণালী স্মৃতি।।

'তুমি মোৰ মাথোঁ' মোৰ ছবিত জুবিন গাৰ্গ আৰু জেৰিফা ৱাহিদ

'দীনবন্ধু' ছবিত জুবিন গাৰ্গ আৰু নিশিতা গোস্বামী

মন যায় ছবিত জুবিন গাৰ্গ আৰু পবিত্ৰ মাৰ্ঘেৰিটা

স্মৃতিৰ এখিলা পাত

স্মৃতিৰ এখিলা পাত

১

২

৩

১. সহশিল্পীৰ স'তে জুবিনৰ পিকনিক, কামাখ্যা ধামত
২ দেউতাক আৰু মাহীয়েকৰ কোলাত জুবিন-জংকি
৩. দেউতাকৰ কোলাত মমন আৰু কাষত আত্মীয়-স্বজনৰ সৈতে জুবিন-জংকি

স্মৃতিৰ এখিলা পাত